# প্ৰজ্ঞাজ্যোতি

দুলীয়াজান
মহাবিদ্যালয়
শিক্ষক
গোটৰ
বাৰ্ষিক
শৈক্ষিক
পত্ৰিকা



সম্পাদক ঃ ভূপেন শইকীয়া

*With Best Complements From :*——

**South East Asia Marine Engineering**
**&**
**Construction Ltd.**

**(FORMERLY PEERLESS SHIPPING & OILFIELD SERVICES LTD)**

A MEMBER OF THE COFLEXIP STENA OFFSHORE GROUP

Regd. Office : 6 Waterioo Street, South Block (1st floor)
Calcutta - 700 069

Base office : Near Central Namghar Road.
P. O. : Duliajan - 786 602

# প্ৰজ্ঞাজ্যোতি

## বাৰ্ষিক পত্ৰিকা

প্ৰতি

মাননীয়

শ্ৰীযুত/শ্ৰীযুতা ..........................................................................

..........................................................................লৈ

প্ৰীতি আৰু শুভেচ্ছাৰে

ইতি

শ্ৰীভূপেন শইকীয়া

সম্পাদক, প্ৰজ্ঞাজ্যোতি /২০০০

**দুলীয়াজান মহাবিদ্যালয়**
**শিক্ষক গোট**

—— সম্পাদনাত ঃ ভূপেন শইকীয়া

'Prajna Jyoti' an annual academic journal edited by Bhupen Saikia and Published by Topesh Sonowal, Secretary ACTA Unit, Duliajan College on 5th Sept. 2000

## —ঃ সম্পাদনা সমিতি ঃ—

অধ্যাপক ইন্দ্র প্ৰসাদ বুঢ়াগোহাঁই, সভাপতি, শিক্ষক গোট

অধ্যাপক টপেশ সোণোৱাল, সম্পাদক, শিক্ষক গোট

অধ্যাপক ভূপেন শইকীয়া, সম্পাদক, প্ৰজ্ঞাজ্যোতি

অধ্যাপক প্ৰভাত চন্দ্ৰ ফুকন, সদস্য

অধ্যাপক সদানন্দ দত্ত, সদস্য

অধ্যাপক দীপক গঁগৈ, সদস্য

অধ্যাপিকা তপতী ভট্টাচাৰ্য্য, সদস্যা

-ঃ বেটুপাত ঃ-

দীপ শইকীয়া

-ঃ শুভেচ্ছামূলক বৰঙণি ঃ-

দহ টকা মাত্ৰ

-ঃ মুদ্ৰক ঃ-

ত্ৰিশূল এণ্টাৰপ্ৰাইজ, কমলাবাৰী ৰ'ড, দুলীয়াজান

ডিব্ৰুগড়, অসম

**VICE-CHANCELLOR DIBRUGARH UNIVERSITY**
DIBRUGARH, PIN – 786 004 (ASSAM)

***Dr. D. Kakati,***
Vice-Chancellor

Phone : 0373-70239 (Office)
0373- 328557 (Res.)
Fax No.:0373-70323
e-mail : d_kakati@mailcity.com

No. DU/VC/2000/

Date :- 28th August, 2000

To Shri Bhupen Saikia,
Editor,
Saikhik Patrika, (Prajna Jyoti)
Assam College Teachers' Association,
Duliajan College Unit,
P. O. Duliajan - 786 602 (Assam)

Dear Shri Saikia,

I am happy to learn that the Assam College Teachers' Association, Duliajan College Unit is going to publish a magazine named 'Prajna Jyoti' for the first time. It gives me an added pleasure that the first issue of the magazine is scheduled to be released on 5th September, 2000, the auspicious Teachers' Day.

Yours sincerely,

(Dr. Devdas Kakati)

শ্রীপূর্ণকান্ত হাজৰিকা
অৱসৰ প্ৰাপ্ত অধ্যক্ষ
দুলীয়াজান কলেজ

# শুভেচ্ছা বাণী

দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষক গোটে পোন প্ৰথমবাৰৰবাবে এখনি শিক্ষা বিষয়ক আলোচনী প্ৰকাশ কৰিবলৈ যি প্ৰচেষ্টা হাতত লৈছে ই অতি প্ৰশংসনীয় হৈছে৷ তিনিটা শাখাৰে (কলা, বিজ্ঞান আৰু বাণিজ্য) স্থাপিত পূৰ্ণাঙ্গ কলেজখনৰ বহুমুখী শিক্ষাৰে প্ৰকাশিত এই মুখপত্ৰখন সকলোৰে সমাদৃত হ'ব বুলি আশা ৰাখিলো । পলমকৈ হ'লেও শিক্ষক-শিক্ষয়িত্ৰী তথা সুধী সমাজক বৰ্ত্তমান শিক্ষাৰ গুৰুত্ব তথা পৰিবেশৰ বিষয়ে অলপ হ'লেও নিশ্চয় আভাস দিব পাৰিব ।

দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোটৰ আলোচনী দীৰ্ঘজীৱী হওক ।

ইতি

*শ্ৰীপূৰ্ণকান্ত হাজৰীকা*
*২৫.৮.২০০০*

ফোন - ৮০০৩৫৬

# দুলীয়াজান মহাবিদ্যালয়

ডাক - দুলীয়াজান, ৭৮৬ ৬০২

জিলা - ডিব্রুগড় (অসম)

## শুভেচ্ছা বাণী

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটে নিজাববীয়াকে 'প্ৰজ্ঞাজ্যোতি' নামে এখনি বাৰ্ষিক শৈক্ষিক পত্ৰিকা প্ৰকাশৰ ব্যৱস্থা লোৱাত অতিশয় আনন্দিত হৈছো । পত্ৰিকাখনিয়ে শিক্ষক - শিক্ষয়িত্ৰী সকলৰ মানসিক তথা বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব। পত্ৰিকাখনি শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দাপোণ স্বৰূপ ।

'প্ৰজ্ঞাজ্যোতিৰ' দীৰ্ঘায়ু কামনা কৰিলোঁ ।

ইতি
ভৱদীয়
*শ্ৰীবীৰেণ চুতীয়া*
*অধ্যক্ষ*
*দুলীয়াজান কলেজ*

## অশ্ৰু অঞ্জলি

অসমৰ খ্যাতনামা সাহিত্যিক, অসম সাহিত্য সভাৰ
প্ৰাক্তন সভাপতি শ্ৰীযুত লক্ষ্যধৰ চৌধুৰী, শ্ৰীযুত হিতেশ ডেকা দেৱ
আৰু বড়ো সাহিত্য সভাৰ সভাপতি শ্ৰীযুত বিনেশ্বৰ ব্ৰহ্মৰ
মৃত্যুত আমাৰ অশ্ৰু অঞ্জলি নিবেদন কৰিছো ।
তেখেত সকলৰ বিদেহ আত্মাই চিৰ শান্তি লাভ কৰক
তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো

— সম্পাদনা সমিতি

# প্ৰজ্ঞাজ্যোতি

প্ৰথম সংখ্যা

৫ চেপ্টেম্বৰ, ২০০০ চন

## সূচীপত্ৰ


সম্পাদকীয়

দুলীয়াজান আৰু ইয়াৰ দাঁতি কাষৰীয়া কিছু

গাঁৱৰ ইতিহাসৰ আঁত বিচাৰি - *ভূপেন শইকীয়া* /১

মোহন ৰাকেশৰ আষাড় কা একদিন - *ফুলজ্যোতি শইকীয়া* / ৫

জতুৱা ঠাঁচ আৰু গোহাঞি বৰুৱাৰ উপন্যাসত ইয়াৰ প্ৰয়োগ - *দীপক গগৈ* / ৭

উত্তৰ আধুনিকতাবাদ, এটি পৰিচয় - *সত্যকাম বৰঠাকুৰ* / ১১

গণিতজ্ঞ ভোগৰাজ শেঠ - *ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই* / ১৩

যন্ত্ৰৰ বোকোচাৰে দিনটো - *সদানন্দ দত্ত* / ১৪

নায়িকা (গল্প) - *ব্ৰজেন নিৰ্ম্মলীয়া* / ১৬

আজিও পাহৰা নাই - *গোপী তামুলী* / ২০

বিভাগীয় খতিয়ান / ৩২

দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদকৰ একাষাৰ /৪১

Socio Economic Structure of a planned Industrial Town - *J. M. Mahanta* / 38

A Glimpese into the issue of English -*Kongkona Borah* / 40

Development of Commerce Section in Duliajan College - *Tapan Dutta* / 43

Departmental Report - 45

Career Information - *M. K. Baruah* /47

President, Scretaries of the A.C.T.A Unit, Duliajan College.





## সম্পাদকীয়

*শিক্ষক সকলে শিক্ষা বিকাশৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। তেখেতসকল সমাজৰ আশা ভাৰসাৰ স্থল । এটা জাতি-এখনদেশ গঠন প্ৰক্ৰিয়াত শিক্ষক সকলৰ দায়িত্বপূৰ্ণ ভূমিকা অনস্বীকাৰ্য্য। দেশৰ নাগৰিক সকলক উৎকৃষ্ট জ্ঞানেৰে পৰিপুষ্টি সাধন কৰি দেশখনৰ প্ৰগতিৰ বাটত আগুৱাই নিয়া দায়িত্ব শিক্ষকসকলৰ । শিক্ষকসকলে নিৰপেক্ষ বিজ্ঞানসন্মত ভাবে ছাত্ৰসকলৰ শাৰীৰিক, মানসিক, বৌদ্ধিক, আধ্যাত্মিক বিকাশৰ ক্ষেত্ৰত অভূতপূৰ্ব্ব বৰঙণি যোগাই আহিছে আৰু থাকিবও । শিক্ষা বিকাশৰ বৰগছৰ ঘাই শিপাডালেই হ'ল শিক্ষক-শিক্ষয়িত্ৰীসকল । দেশৰ উৎকৃষ্ট নাগৰিক গঢ়াৰ মহান দায়িত্ব শিক্ষকসকলে যুগে যুগে লৈ আহিছে আৰু লৈ থাকিব । সেয়েহে শিক্ষক সকলক কোৱা হয় " builder of the nation, guardian of the future mankind, torch bearer of students, real maker of history, architect of the student life."*

*শিক্ষা ব্যৱস্থাত শিক্ষক সকলেই একক আহিলা নহয় । শিক্ষক ছাত্ৰ - অভিভাৱক তথা এটি সুস্থ পৰিৱেশৰ সমাৱেশত শিক্ষাই প্ৰসাৰতা লাভ কৰে । মানৱ সমাজ গঢ়াৰ কাৰখানা মহাবিদ্যালয় সমূহৰ উৰ্বৰহীনতাৰ ফালে গতি কৰা পৰিলক্ষিত হৈছে । হাজাৰ হাজাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰলৈ ঢাপলি মেলিছে। বিভিন্ন ৰাজনৈতিক পৰিৱেশে অসমৰ শিক্ষাৰ পৰিৱেশ দুষিত কৰিছে । তাৰোপৰি কিছুমান মহাবিদ্যালয়ৰ প্ৰশাসন আৰু পৰিচালনা সমিতিৰ শিথিলতা বাবে পৰিৱেশ বিনষ্ট হোৱা পৰিলক্ষিত হয় । অধ্যক্ষ গৰাকীৰ ওপৰতে মহাবিদ্যালয়খনি সুস্থভাবে চলাই নিয়াৰ গধূৰ-দায়িত্ব ন্যস্ত থাকে । He is just like a sailor of a ship. কিছুমান অধ্যক্ষৰ স্বেচ্ছাচাৰী মনোভাব, শিক্ষকসকলৰ লগত অসহযোগ, আদিয়ে পৰিৱেশ বিনষ্ট কৰে । কিছুমান ক্ষেত্ৰত স্থায়ী অধ্যক্ষ, পৰিদৰ্শন ব্যৱস্থা নথকাৰ বাবে পৰিৱেশ বিনষ্ট ঘটে। বহুতো শিক্ষকে মহাবিদ্যালয়ৰ পাঠদানতকৈ টিউচন বৰ্ত্তমান ব্যক্তিগত Academic বিলাকত বেছি গুৰুত্ব দিয়াত শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ হাৰ কমে । শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অনিয়মীয়া হয় । শিক্ষক থাকিলে ছাত্ৰ-ছাত্ৰী নাথাকে । ছাত্ৰ-ছাত্ৰী থাকিলে শিক্ষক নাথাকে । কেতিয়াবা দেখা যায় কোনো শিক্ষক-শিক্ষয়িত্ৰী বছৰ হিচাবে কিবা কাৰণত ছুটীত থাকিলেও সেই ঠাইত অস্থায়ী ভিত্তিত শিক্ষক নিয়ুক্তি দিয়া দেখা নাযায় । ফলত সেই বিভাগৰ শিক্ষাদান দীৰ্ঘদিন ধৰি স্থগিত হৈ থাকে । আকৌ দেখা যায় কোনো শিক্ষক জিলাৰ ৰাজনৈতিক দলত সক্ৰিয় সদস্য হোৱাৰ বাবে শ্ৰেণীত পাঠদানৰ বাবে সময় নাপায় । কিন্তু সেইসকলে নিয়মীয়াকৈ দৰমহাও পায় । বস্তুবাদী সমাজ ব্যৱস্থাত বহু শিক্ষক অতিৰিক্ত উপাৰ্জ্জন যেনে L.I.C. এজেন্ট, দোকান আদিত ব্যস্ত থাকে ।*

*মহাবিদ্যালয় এখনৰ শৈক্ষিক পৰিৱেশ উন্নত কৰাত অধ্যক্ষ গৰাকীৰ মুখ্য ভূমিকা আছে । পৰিকল্পনাৰ অবিহনে এখন মহাবিদ্যালয়ৰ প্ৰশাসনিক ভেঁটি কেতিয়াও সুদৃঢ় হ'ব নোৱাৰে। মহাবিদ্যালয়ৰ বাৰ্ষিক দিনপঞ্জী শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত আলোচনাৰ মাধ্যমেৰে বিজ্ঞানসন্মত ভাবে তৈয়াৰ কৰি ললে প্ৰশাসনিক অসুবিধা সমূহ যথেষ্ট পৰিমাণে আঁতৰে । মহাবিদ্যালয়খনিৰ উন্নতিৰ বাবে অধ্যক্ষ গৰাকীয়ে প্ৰয়োজনবোধ কৰিলে নিজৰ ক্ষমতাও নিশ্চয় প্ৰয়োগ কৰিব পাৰে ।*

*কোঠাৰী আয়োগৰ প্ৰতিবেদন আৰু জাতীয় শিক্ষানীতিত বিশেষ ভাবে গুৰুত্ব দিয়া বহিঃ পাঠ্যক্ৰম আৰু সহ পাঠ্যক্ৰমত বৰ্ত্তমান মহাবিদ্যালয় সমূহত প্ৰায় গুৰুত্ব দিয়া*

দেখা নাযায় । N.C.C., N.S.S আদিৰ নিচিনা ছাত্ৰ-ছাত্ৰীক সক্ৰিয় ভাবে গঠনমূলক কামত নিয়োগ কৰিব পৰা বিষয় সমূহত গুৰুত্ব নিদিয়াৰ বাবে শিক্ষা ব্যৱস্থাটো লঠঙা হৈ পৰিছে । শিক্ষকসকলৰ সহযোগত এনে কাৰ্য্যক্ৰম গঢ়ি তুলিলে মহাবিদ্যালয়ত এক সুস্থ তথা আকৰ্ষণীয় পৰিৱেশ গঢ়ি উঠিব পাৰে । ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি বাধ্যতামূলক কৰাৰ উপৰিও কোনো শিক্ষক দীৰ্ঘদিন ছুটীত থাকিলে তেওঁৰ ঠাইত তৎকালীন ভাবে অস্থায়ী শিক্ষক নিয়োগ কৰা উচিত।

প্ৰতিখন মহাবিদ্যালয়ত এটি পৰীক্ষা কক্ষ থকা উচিত । পৰীক্ষা সমূহ একোখন পৰীক্ষা কমিটিয়ে পৰিচালনা কৰিব লাগে । প্ৰয়োজন সাপেক্ষে একোজন পৰীক্ষা নিয়ন্ত্ৰকো ৰাখিব পাৰে । বছৰটোত কেইটা পৰীক্ষা কেনেধৰণে অনুষ্ঠিত কৰিব, Unit test, Terminal, Annual পৰীক্ষা সমূহৰ বিশদ বিৱৰণ Prospectusত থাকিব লাগে । মাহেকত একোখনকৈ আলোচনা চক্ৰ অনুষ্ঠিত কৰিবলৈ বিভাগ সমূহক বাধ্য কৰোৱাব লাগে। ইয়াৰোপৰি অধ্যক্ষই প্ৰতিদিনে শ্ৰেণীকোঠা, হোষ্টেল, পুথিভঁড়াল, জিৰণি চ'ৰা আদি পৰিদৰ্শন কৰিব লাগে । সংশ্লিষ্ট ঠাইত থকা অসুবিধা সমূহ তৎকালীনভাবে আঁতৰ কৰিবলৈ যত্ন কৰিব লাগে । এইবিলাক দূৰীকৰণৰ ক্ষেত্ৰত শিক্ষক, ছাত্ৰ, কৰ্মচাৰী, অভিভাৱক তথা ৰাইজৰো সহযোগিতা অতি প্ৰয়োজন । নহলে একোখন মহাবিদ্যালয়ত সুস্থ পৰিৱেশ কেতিয়াও গঠন হ'ব নোৱাৰে ।

অসম কলেজ শিক্ষক সংস্থাৰ দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোটৰ নিজাববীয়াকৈ এখনি বাৰ্ষিক শৈক্ষিক পত্ৰিকা প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰি আমাৰ নিচিনা এজন অনভিজ্ঞ তথা অপৈণত ব্যক্তিক সম্পাদকৰ নিচিনা এটি গধুৰ দায়িত্ব অৰ্পণ কৰাত বিবুদ্ধিত পৰিছিলো । মাখি হৈ হাতীৰ বোজা কঢ়িওৱা কেতিয়াও সম্ভৱ নহয় । তথাপি গোটৰ দ্বাৰা আৰোপিত দায়িত্ব পালন কৰিবই লাগিব । সেয়েহে মৰণত শৰণ দি পত্ৰিকা খনি ৰাইজৰ আগলৈ নিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলো । ভুল ভ্ৰান্তি থকাতো অত্যন্তই স্বাভাৱিক । তাৰ বাবে ক্ষমাপ্ৰাৰ্থী । এই খিনিতে লিখক বন্ধু-বান্ধবী তথা বেটুপাতৰ শিল্পী শ্ৰীদীপ শইকীয়ালৈ কৃতজ্ঞতা জনালো। দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই, সম্পাদক শ্ৰীযুত টপেশ সোণোৱাল দেৱলৈ আমাৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ । লগতে যিসকলে বিজ্ঞাপন আদিৰে সহায়-সহযোগ আগবঢ়ালে তেখেতসকলৰ ওচৰত কৃতজ্ঞ হৈ ৰলো ।

শেষত পাঠক-পাঠিকা সকলে পত্ৰিকা খনি আদৰি লোৱাৰ কামনাৰে ——

ইতি

ভৱদীয়

ভূপেন শইকীয়া সম্পাদক, 'প্ৰজ্ঞাজ্যোতি'

দুলীয়াজান মহাবিদ্যালয়



# দুলীয়াজান আৰু ইয়াৰ দাঁতি-কাষৰীয়া কিছু গাঁৱৰ ইতিহাসৰ আঁত বিচাৰি

ভূপেন শইকীয়া
প্ৰৱক্তা, ইতিহাস বিভাগ

মানৱ সভ্যতাৰ ইতিহাসেই হ'ল প্ৰব্ৰজনৰ ইতিহাস। মানুহ বিভিন্ন কাৰণত ইখন ঠাইৰ পৰা সিখন ঠাইলৈ যায়, ইখন দেশৰ পৰা সিখন দেশলৈ যায় । এই প্ৰব্ৰজনৰ মূল কাৰণ হ'ল - অন্ন, বস্ত্ৰ আৰু সংস্থান । ইয়াৰোপৰি ধৰ্ম্ম প্ৰচাৰ, ব্যৱসায়, দিগ্বীজয় আদিৰ বাবেও প্ৰব্ৰজন ঘটে । নেদেখা বস্তু দেখিবলৈ, নোপোৱা বস্তু এটা পাবলৈ মানুহে বাঞ্ছা কৰে । ই মানুহৰ এক প্ৰবৃত্তি । যাৰ ফলত মানৱ সভ্যতা গঢ়ি উঠিছে । উত্থান-পতনেই হ'ল একোখন দেশৰ একোটা জাতিৰ ইতিহাস । কোনো সবল ৰজাৰ দিনত, দেশখন চাৰিওফালে নদন-বদন হয় আকৌ দুৰ্ব্বল ৰজাৰ দিনত দেশখনত চাৰিওফালে হাহাকাৰ হয় । অধপতন হয় । বিদেশীয়ে আক্ৰমণ কৰে । নতুন শাসন প্ৰৱৰ্ত্তন হয়। কেতিয়াবা ভয়ঙ্কৰ মহামাৰী হয়, মানুহ মৰি শেষ হয় । মহামাৰী পাছত ঠাই বিশেষে জন প্ৰাণীহীন হয়। হাবিজঙ্ঘলে ভৰি পৰে । সময়ৰ সোঁতত অন্যঠাইৰ পৰা মানুহ আহি হাবি ভাঙি বসবাস কৰিবলৈ লয়হি; ফলত এখন নতুন সমাজ গঢ়ি উঠে । ঠিক তেনেকৈ প্ৰাকৃতিক দুৰ্যোগৰ ফলতো সমাজৰ পৰিবৰ্ত্তন হয় । নতুন সভ্যতা সংস্কৃতিৰ জন্ম হয়।

অবিভক্ত ডিব্ৰুগড় জিলাত একালত বড়ো সকলৰ ৰাজত্ব আছিল । পাছত চুতীয়া সকলে শাসন কৰিবলৈ ললে । ষোড়শ শতাব্দীৰ প্ৰথম ভাগত চুহুংমুং দিহিঙ্গীয়া ৰজাই চুতীয়া সকলক পৰাজয় কৰি চুতীয়া ৰাজ্য আহোম সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত কৰিলে । ১৮০৫ খৃঃত সৰ্ব্বানন্দ সিংহই মটক ৰাজ্য প্ৰতিষ্ঠা কৰে । এই ৰাজ্যৰ ৰাজধানী প্ৰথমে ৰঙাগড়াত পাতে যদিও পাছলৈ বেংমৰালৈ (বৰ্ত্তমান তিনিচুকীয়ালৈ) তুলি আনে । এই ৰাজ্যৰ সীমা সম্পৰ্কে সঠিক বুৰঞ্জীমূলক তথ্য-পাতি নাই । যি কি নহওক ব্ৰিটিছ সাম্ৰাজ্যৰ লগত চামিল কৰাৰ আগলৈকে ই এখন উত্তৰ পূব ভাৰতৰ শক্তিশালী ৰাজ্য আছিল বুলি জনা যায় ।

আহোম স্বৰ্গদেউ গদাধৰ সিংহ, শিৱসিংহ, ফুলেশ্বৰী কুঁৱৰী আদিয়ে মোৱামৰীয়া মটক সকলৰ প্ৰতি লোৱা ভুল নীতিৰ ফলস্বৰূপে সৃষ্টি হ'ল বিখ্যাত মোৱামৰীয়া বিদ্ৰোহ, যাৰ ফলস্বৰূপে ছশবছৰীয়া আহোম সাম্ৰাজ্যৰ ভেঁটি কঁপাই তুলিলে । মোৱামৰীয়া সকলে আহোমৰ ৰাজধানী গড়গাওঁ দখল কৰি দেশ শাসন কৰিবলৈ ললে । স্বৰ্গদেউ গৌৰিনাথ সিংহই কেপ্তেইন ৱেলচ্‌ৰ সহায় লৈ মোৱামৰীয়া সকলক দমন কৰি দেশ পুনৰ শাসন কৰিবলৈ ললে । পিছলৈ গৌৰিনাথ সিংহ স্বৰ্গদেউৰ অপশাসনৰ ফলস্বৰূপে পুনৰ মোৱামৰীয়া বিদ্ৰোহে দেখা দিলে, তেওঁ ৰাজধানী ৰংপুৰ ৰক্ষা কৰিব নোৱাৰি যোৰহাটলৈ ৰাজধানী স্থানান্তৰ কৰিলে। ইফালে দেশৰ পূৱ-প্ৰান্ত শদিয়াত খামতি সকলে বিদ্ৰোহ কৰি শদিয়াখোৱা গোহাঁইক অপসাৰিত কৰি খামতি সকলে দেশ শাসন কৰিবলৈ ললে । গুৱাহাটী অঞ্চলত হাজাৰা সিং বৰকান্দাজে বৰফুকনৰ পদ কিনা বেচাত লাগিল । সেইসময়ত দেশত চাৰিওফালে এক অৰাজক অৱস্থাৰ সৃষ্টি হ'ল । ইতিমধ্যে স্বৰ্গদেউ গৌৰিনাথ সিংহ দেৱৰ মৃত্যু হ'ল । কমলেশ্বৰ সিংহ ৰজা হ'ল । মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াৰ কালত দেশখনে কিছু সকাহ পালে যদিও বিদ্ৰোহ শেষ নহ'ল । কামপুৰত হৰদত্ত আৰু বীৰদত্ত ভাতৃদ্বয়ৰ নেতৃত্বত কোচ-বিহাৰ আৰু বিজনীৰ ৰাজপৰিয়ালৰ সাহায্যত এটি বিদ্ৰোহ গঢ়ি তোলে। 'দন্দুৱা দ্ৰোহ' নামে পৰিচিত এই বিদ্ৰোহ কলিয়া-ভোমোৰা বৰফুকনে দমন কৰি 'প্ৰতাপ বল্লভ' উপাধি লাভ কৰে । ১৮০৫ চনত মৰাণ সকলৰ নেতা সৰ্ব্বানন্দৰ নেতৃত্বত চিংফৌ সকলৰ সহযোগত পুনৰ বিদ্ৰোহ হয় । মহামন্ত্ৰী পূৰ্ণানন্দ বুঢ়াগোহাঁই ডাঙৰীয়াই বিদ্ৰোহী সকলৰ লগত এক চুক্তি কৰি বেংমৰাক কেন্দ্ৰ কৰি ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ মাজৰ অঞ্চল শাসন কৰিবলৈ এৰি দিলে । ১৮১১ খৃঃত চন্দ্ৰকান্ত

সিংহ আহোম ৰাজ্যৰ ৰজা হ'ল । এইজনা স্বৰ্গদেউৰ দিনত প্ৰথম মানৰ আক্ৰমণ হয় । এবাৰ নহয় দুবাৰ নহয় তিনিবাৰকৈ মানে অসম আক্ৰমণ কৰি অসমৰ লাউ-লোৱা অৱস্থা কৰিলে । ছশ বছৰীয়া আহোম সাম্ৰাজ্য তথা স্বাধীন অসমৰ পৰিসমাপ্তি ঘটিল । মানে দেশ শাসন কৰিবলৈ ললে । স্বৰ্গদেউ যোগেশ্বৰ সিংহ সিংহাসনত উঠাৰ পৰা, ইংৰাজৰ দ্বাৰা মানসকল বিতাৰিত হোৱালৈকে, এই সময়ছোৱা 'মানৰ দিন' নামে জনাজাত । অসম বুৰঞ্জীৰ কলুষিত অধ্যায় । মানৰ পৈশাচিক অত্যাচাৰত থাকিব নোৱাৰি অসমীয়া প্ৰজাগণে ঘৰ-দুৱাৰ এৰি দিহিঙে-দিপাঙে পলাই যাবলৈ ধৰিলে । ফলত অসমৰ জনসংখ্যা হ্ৰাস পালে । গাওঁ-ভূঁই হাবি-জঙ্ঘলেৰে ভৰি পৰিল । পৰৱৰ্ত্তী সময়ত সেই অঞ্চলৰ হাবি ভাঙি নতুনকৈ বিভিন্ন ঠাইৰ পৰা মানুহ আহি বসবাস কৰিবলৈ ললে । গাওঁ সমূহৰ নাম নিজাববীয়াকৈ দি ল'লে । সেয়েহে ডিব্ৰুগড় জিলাৰ প্ৰায়বোৰ গাঁৱৰ নাম বেচি পুৰণি নহয় । দুলীয়াজান আৰু ইয়াৰ চৌপাশৰ গাওঁ সমূহ যোৱা শতিকাৰ মধ্যভাগৰ পৰাহে হৈছে বুলি কব পাৰি ।

দুলীয়াজান ঃ- একাধিক মানৰ আক্ৰমণত ডিব্ৰুগড় জিলাৰ প্ৰায়বোৰ অঞ্চল জনশূন্য হাবি-জঙ্ঘলে ভৰি পৰাত অন্ন-বস্ত্ৰ সংস্থানৰ তাগিদাত শিৱসাগৰ জিলাৰ পৰা উনৈশ শতিকাৰ শেষ ভাগমানত দুলীয়া বৰুৱাৰ এটি পৰিয়াল দুলীয়াজান ৰেল ষ্টেচনৰ কাষৰ এটি জানৰ পাৰতে বসবাস কৰিবলৈ লোৱাত তেওঁবিলাকৰ নামেৰে জানটিৰ নাম দুলীয়াজান ৰখা হয় । গাওঁখনো দুলীয়াগাওঁ নামে পৰিচিত হয় । এতিয়া ই ভাৰতৰ এক উল্লেখযোগ্য তৈল নগৰী ৰূপে জনাজাত ।

দুলীয়াজান সম্পৰ্কে বুৰঞ্জীবিদ হেম বুঢ়াগোহাঁই দেৱে অপ্ৰকাশিত বুৰঞ্জীৰ উদ্ধৃতি দি এটি কাহিনী তেখেতৰ লেছেৰি বোটলা বুৰঞ্জীত বৰ্ণনা কৰিছে । স্বৰ্গদেউ চুকাফাই মুং দন চুন খামৰ বিভিন্ন ৰাজ্য জয় কৰি শাসন ব্যৱস্থা সুশৃঙ্খল কৰিবৰ বাবে জয় কৰা ৰাজ্য সমূহৰ মুখীয়াল লোকসকলক বিভিন্ন বিভাগত মুৰব্বী পাতিছিল । অৰ্হতানুসৰি তেওঁলোকক ক্ষমতা আৰু দৰমহা দিছিল । গছিকলা খাত, ববাখোৱা খাত, আৰু এঙেৰা খাতত খুন্টাই আহোম এঘৰৰ এজনক গুৰিয়াল পাতিছিল । এইঘৰ লোকৰ পৰা স্বৰ্গদেৱে এগৰাকী গাভৰুৰ পাণি গ্ৰহণো কৰিছিল । চুহানফা স্বৰ্গদেউৰ দিনত লাটুৱান আছিল খাতৰ অধিকাৰী। খাত পৰিচালনাৰ বাবদ তেওঁ যি দা-দৰমহা পাইছিল সেইখিনিত সন্তুষ্ট নহৈছিল । গতিকে তেওঁ ৰাজভঁড়ালৰ পৰা ধান চুৰ কৰিছিল । খাটোৱাল সকলৰ যোগে স্বৰ্গদেৱে এই খবৰ পাই লাটুৱানক ৰাজচ'চালৈ মতোৱাই আনিলে । স্বৰ্গদেৱে বিচাৰ কৰি লাটুৱানক "চাৰিটাৰূপ' জৰিমনা কৰি খাতৰ কামৰ পৰা অব্যাহতি দিলে । ৰজাঘৰে আনপ্ৰকাৰে লাটুৱানক বহুধৰণৰ সুবিধা দিছিল যদিও খাতৰ পৰা বঞ্চিত কৰা বেদনা পাহৰিব নোৱাৰি গোপনে ৰজাৰ ওপৰত পোতক তুলিবলৈ স্থিৰ কৰিলে ।

লাটুৱানৰ গোপন অভিসন্ধি পুৰণৰ সুবিধা আহিল। ৰজা ঘৰৰ মিচাং (চাং) তৈয়াৰ কৰাৰ কাম ওলাল । লাটুৱানে চাং তৈয়াৰ কৰাৰ কাম পালে । ৰজাই কাম পৰিদৰ্শন কৰিবলৈ আহি এফালৰ পৰা প্ৰতিজন লোকৰ কাম চাই গৈ লাটুৱানৰ ওচৰ পালেগৈ । লাটুৱানে চাঙৰ চোঁচ সলোৱাৰ চলেৰে অভিনৱ উপায়ে পূৰ্বে যুগুতাই থোৱা যাঠিৰে ৰজাক খুচিলে । যাচি খোচত চুহানফা স্বৰ্গদেউৰ মৃত্যু হ'ল ।

চুহান ফাৰ পিছত চুলিকফা ৰজা হ'ল । এইজনা স্বৰ্গদেৱে ৰজা হৈয়ে পিতৃবধী লাটুৱানত নিঃশেষ কৰিবৰ বাবে চিন্তা কৰিলে । যেনে চিন্তা তেনে কাম । লাটুৱানক উজনিলৈ নিলগাই নি এটা জানৰ কাষত সবংশে কটুৱালে। লাটুৱান আৰু তেওঁৰ বংশৰ লোক সকলক দূৰলৈ নি কটোৱা জানটোকে দুৰীয়াজান বোলে । মানুহৰ মুখ বাগৰি দুৰীয়াজানৰ পৰা দুলীয়াজান হ'ল ।

ম'হমাৰী ঃ- চৰকাৰী ৰাজহ গাঁৱৰ টেঙাখাত ৰাজহ চক্ৰৰ খেৰেমীয়া মৌজাৰ মেৰবিল, পাভজান, ১নং চলাকটকী গাঁৱৰ একাংশ সামৰি উত্তৰে উত্তৰ পূব সীমান্ত ৰেল পথ, দক্ষিণে বুঢ়ীদিহিং, পশ্চিমে কঠালগুৰি, আৰু উত্তৰে পাভজান চলাকটকী গাঁৱৰ বুঢ়ীদিহিং নদীৰ পাৰৰ চাৰি বৰ্গ কিলোমিটাৰ জোৰা এই গাওঁখনে ম'হমাৰী । এই গাওঁখনি বৰ্ত্তমান দুটা খণ্ডত বিভক্ত । মেৰবিলৰ পাৰৰ প্ৰায় ডেৰ কিঃ মিঃ জোৰা এই অঞ্চলটো ১ নং ম'হমাৰী আৰু বুঢ়ী দিহিংঙৰ পাৰে পাৰে প্ৰায় ২ কিঃ মিঃ জোৰা অঞ্চলটি ২ নং ম'হমাৰী নামে জনা যায় । এই অঞ্চল এটা সময়ত অটব্য অৰণ্যৰে ভৰপূৰ আছিল । বনৰীয়া জীৱ-জন্তু বাঘ, হাতী, বনৰীয়া ম'হ আদিৰ লগতে অনেক চৰাই চৰিকতিৰ আবাসভূমি আছিল । ১৮৯৭ চনত ৺মাধৰাম তামুলী আৰু ৺তীৰ্থ শৰ্ম্মা



যথাক্ৰমে টেঙাখাত আৰু লক্ষীমপুৰৰ পৰা আহি অনেক কষ্ট কৰি হাবি ভাঙি গাওঁ পতাৰ জনশ্ৰুতি আছে । ম'হমাৰী নামৰ লগত দুটা জনশ্ৰুতি শুনা যায় । কিছুলোকে কয় হাবি বননিৰে ভৰা অটব্য অৰণ্যত অনেক মৌ পোৱা গৈছিল। এই 'মৌ'ৰ পৰাই মৌমাৰি হ'ল । মানুহৰ মুখ বাগৰি কালক্ৰমত ম'হমাৰী হ'লগৈ ।

আন এটা জনশ্ৰুতি মতে - ৺পাচিৰাম তামুলী নামে এজন লোকে হাবি ভাঙি খেতি কৰি থাকোতে বনৰীয়া ম'হৰ লগত যুদ্ধ হয় । যুদ্ধত ম'হ-মানুহ দুয়োজনৰে মৃত্যু হয় । ফলত ঠাই ডোখৰৰ নাম ম'হমাৰী হয় । ইয়াৰ অধিবাসী সকল শিৱসাগৰ, কামৰূপ, টেঙাখাত, আদি বিভিন্ন ঠাইৰ পৰা অহা । ইয়াত চাহ-জনজাতি আৰু নেপালী সম্প্ৰদায়ৰ লোকও আছে ।

মাধপুৰ তিনিআলি ঃ- দুলীয়াজানৰ পৰা দক্ষিণ পূবত টিপলিং ডিব্ৰুগড় পথত টিপলিঙৰ পৰা পশ্চিমো ডেৰ কিঃ মিঃ দূৰত মাধপুৰ তিনিআলি পোৱা যায় । কোনো কোনোৱে ইয়াক মাধৱপুৰ বুলিও কয় । হলেও মাধৱপুৰৰ কোনো ঐতিহাসিক সত্যতা চকুত পৰা নাই । মাধপুৰ সমন্ধে দুটা তথ্য পোৱা গৈছে । যোৱা শতিকাৰ চল্লিশৰ দশকত টেঙাখাতৰ পৰা মাধৰাম তামুলী নামৰ এগৰাকী এই অঞ্চলত হাবি জংঘল কাটি পামপাতি খেতি-বাতি কৰিছিল । তেওঁৰ নামেৰেই এই তিনি আলিটোৰ নাম মাধপুৰ হয় বুলি জনা যায় । অন্য এটা তথ্যমতে "দৈনিক জনমভূমি" ৬ জুলাই/২০০০ "মাধৱপুৰ নহয় মাধপুৰহে" চিঠিত ললিত চন্দ্ৰ গগৈ আদি চাৰিজন স্থানীয় লোকে জনোৱা মতে - "আজিৰ পৰা ৩০-৪০ বছৰ পূৰ্বে এই ঠাইৰ অন্তৰ্গত ছলাকটকী গাৱঁৰ স্থানীয় বাসিন্দা গুণী মানি ব্যক্তি ৺মাধৰাম গগৈ নাম অনুসৰি 'মাধপুৰ' নামে নামকৰণ কৰা স্থানীয় ৰাইজৰ অৱগত আৰু তেতিয়াৰ পৰাই এই তিনি আলিৰ নাম মাধপুৰ নামে জনাজাত । তেখেতে উল্লেখ কৰা ৩০/৪০ বছৰ আগৰ মাধৰাম গগৈৰ নাম অনুসাৰে মাধপুৰ হ'ল বুলি ধৰিলে আমি ১৯৬০-৭০ চন পাওঁ । তাৰো আগতে এই তিনি আলিৰ নাম মাধপুৰ আছিল বুলি জনা যায় । কিন্তু এইটো সত্য যে - মাধৰাম নামৰ এজন ব্যক্তিৰ নামানুসাৰে এই তিনিআলিৰ নাম মাধপুৰ হৈছে ।

জালনী ঃ- মানৰ আক্ৰমনৰ ফলত এই অঞ্চলত



জনশূন্য হোৱাত হাবি বননিয়ে ভৰি পৰিছিল । এই হাবি-জঙ্ঘল বিলাক এবিধ সৰু লতাই জালৰ নিচিনাকৈ আবৰি থকাৰ বাবে মানুহে জালনী বুলি কৈছিল । চৰকাৰী নথিমতে এই অঞ্চলটি ১৫ নং জালনি গ্ৰান্ট নাম পৰিচিত । ইয়াৰ ভিতৰত টিপলিং, গোপালপুৰ, বগৰীবাম, বামুনগাওঁ, নলনি পথাৰ আদি ভালেমান গাওঁ হৈছে ।

উষাপুৰ ঃ- দুলীয়াজানৰ পৰা ঠিক দক্ষিণ পূবত ১২ কিঃ মিঃ দূৰত অৱস্থিত শস্যশ্যামলা উষাপুৰ গাওঁ । উষাপুৰ নামটি বিংশশতিকাৰ প্ৰথমাৰ্দ্ধত সৃষ্টি হৈছে । ওচৰত টিপাম আহোম যুগৰ যুগমীয়া স্মৃতি । উষাপুৰ একালত টিপামৰে অন্তৰ্গত আছিল । আহোমযুগৰ শেষৰ ফালে মহাদুৰ্য্যোগ নামি আহিল । মোৱামৰীয়া বিদ্ৰোহৰ পাছতে এবাৰ নহয় দুবাৰ নহয় তিনিবাৰ মানৰ আক্ৰমণত অসম মৰিশালী হ'ল । কত মানুহৰ মৃত্যু হ'ল, কোন কলৈ পলাই গ'ল তাৰ সীমা সংখ্যা নোহোৱা হ'ল । টিপামৰ ৰাইজৰো দুৰ্গতিৰ সীমা নোহোৱা হ'ল । মানৰ ভয়ত সকলো পলাই পট্ৰং দিলে । কিছুমান মানৰ হাতত অপমৃত্যু হ'ল । ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পাছত কিছু পুৰণা মানুহ নিজ গৃহলৈ আহিল যদিও কিছুমান দিহিঙেদি ভটিয়াই গ'লগৈ । টিপাম জনশূন্য হৈ পৰিল । ইয়াণ্ডাবু সন্ধিৰ পৰা সুদীৰ্ঘ এশ বছৰৰ পাছত ১৯২৬ চনত কোনোবা এটি শুভ দিনত নামচাং বাগানৰ কৰ্ম্মচাৰী ৺নীলকান্ত শইকীয়া আৰু ৺প্ৰেমানন্দ হাজৰিকাই অভয়াৰণ্যখনিত প্ৰৱেশ কৰি -ৰঙীণ ভবিষ্যতৰ সপোন দেখিলে । হাবি ভাঙি খেতি পথাৰ উলিয়াই এক নাটকীয় পৰিবৰ্ত্তন সাধন কৰি ঠাই ডোখৰৰ নাম দিলে উষাপুৰ। অবিভক্ত শিৱসাগৰ জিলাৰ বিভিন্ন ঠাইৰ পৰা মানুহ জীৱন জীৱিকাৰ সন্ধানত উষাপুৰত বহিলহি । ইয়াৰোপৰি নেপালী, চাহ জনজাতি, খৃষ্টান, বৌদ্ধ ধৰ্ম্মাৱলম্বী, টাইফাকে জন গোষ্ঠীৰে পৰিপূৰ্ণ ডিব্ৰুগড় জিলাৰ লেখত লব লগীয়া গাওঁ । কৃষিৰ ওপৰিও এই গাঁৱত তেল খাদ হোৱাৰ বাবে গাওঁখনি অৰ্থনৈতিক দিশতো আগবঢ়া । বাট-পথ বিলাকো উন্নত। শিক্ষা-সাহিত্য সংস্কৃতিৰ দিশতো আগবঢ়া ।

টিপাম ঃ- ত্ৰয়োদশ শতিকাৰ প্ৰথম ভাগতে চাওলুং চুকাফাই বুঢ়ীদিহিং নদীৰ এডোখৰ ওখ ঠাইত বাহৰ প্ৰতিষ্ঠা কৰিছিল। টাই ভাষাত টি-মানে ঠাই আৰু পাম মানে ওখ অৰ্থাৎ ওখ বা বাম ঠাই । এই টিপামেই হ'ল আহোম

সাম্ৰাজ্য প্ৰথম পদক্ষেপ। দেউচালি পাহাৰৰ কাষত টিপাম অৱস্থিত দিহিঙৰ দক্ষিণে জয়পুৰ। ১১৫৮ শকত চুকাফাই নিজ বংশৰ এজনক টিপামৰ শাসন কৰ্ত্তা পাতি দিহিঙেদি দিগ্বীজয়ৰ বাবে ভটিয়াই গ'ল। আহোমযুগত দেউচালি পাহাৰৰ পৰা টিংৰাই নদীলৈকে এই সমগ্ৰ ভূখণ্ডকেই টিপাম বোলা হৈছিল বুলি কোনো কোনোৱে কয়।

ভাদৈ নগৰ ঃ- ভাদৈ নগৰ সমন্ধে অসম বুৰঞ্জীত এটি আমোদ জনক কাহিনী আছে। ল'ৰা ৰজাৰ ভয়ত গদাপাণি কোঁৱৰে আত্মগোপন কৰি ফুৰোতে এবাৰ জয়পুৰৰ পৰা নামচাঙলৈ যোৱা পথত ৰজাৰ সৈন্যৰ হাতত ধৰা পৰাৰ সম্ভাৱনা হৈছিল। সেই সময়ত এজোপা গছৰ ছাঁত বহন পথাৰৰ ৰহঁদৈ, টিপামৰ ভাদৈ, আৰু শলগুৰিৰ আঘোনী নামে তিনিজনী পোহাৰীয়ে জিৰাই আছিল। ইতিমধ্যে গদাপাণি কোঁৱৰে তেওঁলোকক নিজৰ পৰিচয় দি সাম্ভাব্য বিপদৰ কথা কৈ তেওঁলোকৰ সন্মুখতে শুই দিলে। তিনিওজনী পোহাৰীয়ে গদাপাণিৰ গাত নিজৰ চাদৰ কেইখনকে ঢাকি দি নিজৰ স্বামী মৰিল বুলি কান্দিবলৈ ধৰিলে। সেই সময়তে ৰজাৰ সৈন্য আহি উপস্থিত হৈ মৰা মানুহ বুলি ভাবি আঁতৰি গ'ল। গদাপাণি ৰক্ষা পৰিল। সেয়েহে কোৱা হৈছে -

*ৰহাৰ ৰহদৈ টিপামৰ ভাদৈ*
*শলগুৰিৰ আঘোনী বাই*
*তিনিওৱে ডিঙিত ধৰি তিনিওৱে কান্দিলে*
*সমন্ধত একোৱে নাই।*

পিছত গদাপাণি ৰজা হৈ পূৰ্ব্বৰ উপকাৰৰ কথা সুঁৱৰি আটাই কেউগৰাকীক মাটি বাৰী দান কৰি সংস্থাপিত কৰিলে। টিপামত ভাদৈক মাটি দান কৰি চাৰিওটাপ মৰাই নগৰ পাতি দিলে। সেয়ে ভাদৈ নগৰ। এতিয়া ইয়াত কঠালগুৰিৰ NEEPCO স্থাপন হোৱাত ঠাইডোখৰৰ গুৰুত্ব বাঢ়িছে। শিক্ষা, সাহিত্য, সাংস্কৃতিক ক্ষেত্ৰতো আগবাঢ়িছে।

দিৰিয়াল ঃ- স্বৰ্গদেউ প্ৰতাপসিংহ স্বৰ্গদেউৰ অপুত্ৰকা কুঁৱৰীৰ পালিত লাচিত নামৰ কোঁৱৰ জনক ৰজাই উজনিৰ দিৰৈ নদীৰ পাৰত মাটি-বাৰী দি চাওদাঙ বৰুৱা পাতিলে। তেওঁৰ সহায়ৰ বাবে গড়গাঁৱৰ পৰা কেইঘন মান আহোম বংশৰ লোককো লগত দিলে। এটা সময়ত সেই সকলৰ কেইঘৰ মান দুলীয়াজানৰ উত্তৰ পশ্চিম অঞ্চলত বসতি কৰিলেহি। দিৰৈ নদীৰ পাৰৰ পৰা উঠি অহাৰ বাবে গাওঁ খনি দিৰিয়াল নামে জনা যায়।

কছাৰী পথাৰ ঃ- দুলীয়াজানৰ পশ্চিমে কছাৰী পথাৰ এখন উল্লেখযোগ্য ডাঙৰ গাওঁ। কছাৰী সম্প্ৰদায়ৰ মানুহ বসতি প্ৰধান কাৰণে কোনোৱে কছাৰী পথাৰ হ'ল বুলি কব বিচাৰে। কিন্তু এই কছাৰী মানুহ খিনিও অন্যঠাইৰ পৰা অহা। কছাৰী পথাৰৰ সৰহ ভাগ লোকেই ফৌজৰ পৰা অৱসৰ গ্ৰহণ কৰি অহা লোক। শিক্ষা-সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰতো এই অঞ্চল আগবঢ়া।

কঠালগুৰি ঃ- দুলীয়াজানৰ পৰা ১২ কিঃ মিঃ পশ্চিমত কঠালগুৰি এখন উল্লেখযোগ্য গাওঁ। এজোপা কঠালগছৰ পৰাই এই অঞ্চলটিৰ নাম কঠালগুৰি হয় বুলি জনা যায়। বিভিন্ন জনগোষ্ঠী কোঁচ, কলিতা, কছাৰী, বঙালি, নেপালী চাহ-গোষ্ঠী আদিৰে মিলনভূমি কঠালগুৰি সাহিত্য-সংস্কৃতি শিক্ষা আদিত বিশেষ ভাবে আগবঢ়া এখন ভৰপূৰ গাওঁ। কৃষিপ্ৰধান হলেও অইল, গেছ কোম্পানী-আদি চাকৰিয়ালও আছে। অৰ্থনৈতিক ভাবেও কিছু আগবঢ়া। ইয়াত এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়, কৃষি ফাৰ্ম, পশু চিকিৎসালয়, এখন কণিষ্ঠ মহাবিদ্যালয়, এখন ইংৰাজী মাধ্যমৰ স্কুল এখন সাপ্তাহিক বজাৰ আছে।

পাভজান ঃ- উত্তৰ পূব সীমান্ত ৰেল পথৰ সমীপৰ পৰা পাভজান পথাৰৰ মাজেদি এটি জান কঠালগুৰি হৈ দিহিং নদীত পৰিছেগৈ এই জানটিও একালত প্ৰচুৰ পৰিমাণে পাভ মাছ পোৱা গৈছিল। সেই বাবে এই জানটিক পাভ জান বোলা হয়। ইয়াৰ পাৰৰ গাওঁ খনকেই পাভজান নামে পৰিচিত। সোনোৱাল কছাৰী সম্প্ৰদায়ৰ লোকৰ বসতি প্ৰধান এই অঞ্চলো শিক্ষা সাহিত্যৰ ক্ষেত্ৰত আগবঢ়া ইয়াৰোপৰি কঠালগুৰিৰ পশ্চিম ফালে বচাজান, চিৰিকা বিল, পাঁচসুঁতি আদি গাওঁ আছে। এই বিলাক গাওঁ বিংশ শতিকাৰ আগভাগতহে প্ৰতিষ্ঠা হয়। ইয়াৰ পশ্চিমে খেৰেমীয়া এক বৃহৎ গাওঁ। ইয়াত দুখন খেৰেমীয়া আছে। এখন বৰ খেৰেমীয়া আন খন সৰু খেৰেমীয়া।

অসমৰ প্ৰতিখন গাঁৱৰ একোটি ঐতিহ্য আছে। এই বিলাক সংৰক্ষণ কৰা অতি প্ৰয়োজন। আমি এই প্ৰবন্ধত এটি মাত্ৰ জুমুঠিহে প্ৰস্তুত কৰাৰ প্ৰয়াস কৰা হৈছে। পিছত কোনো বিজ্ঞজনৰ হাতত পৰিলে পূৰ্ণাঙ্গ পৰ্য্যায় পাব। ✧✧





মোহন ৰাকেশৰ

# 'আষাঢ় কা একদিন'

## — এক সমীক্ষা

*ফুলজ্যোতি শইকীয়া*
**প্ৰৱক্তা, অসমীয়া বিভাগ**

আধুনিক হিন্দী সাহিত্যৰ এক জনপ্ৰিয় সাহিত্যিক হৈছে মোহন ৰাকেশ। 'আষাঢ় কা এক দিন' আধুনিক হিন্দী সাহিত্যৰ প্ৰসিদ্ধ নাট্যকাৰ মোহন ৰাকেশৰ অপূৰ্ব নাট্যকৃতি। ৰাকেশৰ 'আষাঢ় কা একদিন' নাটকে ১৯৫৮ চনত ললিত কলা অকাডেমি'ৰ শ্ৰেষ্ঠ নাটকৰ পুৰস্কাৰ লাভ কৰে। ১৯৬৮ চনত তেওঁক "সঙ্গীত নাটক একাডেমি'ৰ দ্বাৰা শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান যচা হয়। ৰাকেশৰ 'আষাঢ় কা একদিন' নাটকখন ড০ নীৰাজনা মহন্ত বেজবৰাই অসমীয়া ভাষালৈ অনুদিত কৰিছে।

ইতিহাস প্ৰসিদ্ধ বিশ্ববিখ্যাত কবি কালিদাসৰ জীৱনক কেন্দ্ৰ কৰি নাটকখনৰ বিষযবস্তু লোৱা হৈছে। অৱশ্যে ৰাকেশে 'আষাঢ় কা একদিন' ৰচনা কৰোতে আধুনিক যুগক ৰূপায়িত কৰাতহে অধিক গুৰুত্ব আৰোপ কৰিছে। বিশ্ববিখ্যাত কবি কালিদাস হৈছে নাটখনৰ মূল চৰিত্ৰ। জন প্ৰৱাদ অনুসৰি তেও উজ্জয়িনীৰ কোনো ৰজাৰ ৰাজকবি হোৱাৰ কথা নাটখনত প্ৰকাশ পাইছে। তদুপৰি তেওঁ অস্থি কশ্চিদ্ বাগ বিশেষ: বাক্যৰ প্ৰতিটো শব্দৰে আৰম্ভ কৰি 'কুমাৰসম্ভৱ', 'মেঘদূতম', ৰঘূবংশম' আৰু বিশেষ শব্দৰে 'ঋতুসংহাৰ' কাব্য ৰচনা কৰাৰ ঐতিহাসিক সত্যতাও নাটকখনত যথাৰ্থ ৰূপত পৰিস্ফুট হৈছে। 'আষাঢ় কা একদিন' নাটকখনত উল্লিখিত মল্লিকা, অম্বিকা, বিলোম আদিৰ বাহিৰে আন চৰিত্ৰ যেনে কালিদাস, ৰজা, অনুস্বাৰ, ৰাজকন্যা আদি প্ৰায়বিলাক চৰিত্ৰই ইতিহাস সন্মত। কিন্তু মন কৰিবলগীয়া দিশটো হৈছে ইতিহাসসন্মত বিষয়বস্তুৰে ৰচনা কৰিলেও 'আষাঢ় কা একদিন' গভীৰ জীৱন প্ৰতিনিধিত্ব কৰিছে। ইয়াত তেওঁ যি বিলাক সমস্যাৰ সন্মুখীন হৈছে সেই সকলোবিলাক যেন আধুনিক মানুহৰ সমস্যা। তদুপৰি নাট্যকাৰে সৃজনীশীল প্ৰতিভাই যিকোনো সময়তে সন্মুখীন হ'বলগীয়া সমস্যাও কালিদাস চৰিত্ৰৰ যোগেদি কৃতিত্বৰে দাঙি ধৰিবলৈ সক্ষম হৈছে।

'আষাঢ় কা একদিন' নাটকত কালিদাস হৈছে সৃজনীশীল প্ৰতিভা। তেওঁৰ প্ৰেৰণাৰ উৎস হৈছে গাওঁখন। কালিদাস ৰচিত 'ঋতুসংহাৰ' পঢ়ি ৰাজকবিৰ সন্মান জনাই উজ্জয়িনীৰ ৰজাই কালিদাসক ৰাজসভালৈ আনিবলৈ আচাৰ্য বৰৰুচিক পঠিয়াইছে। কিন্তু নাটকখনত দেখা যায় যে গাঁৱৰ পৰিৱেশত মোমায়েকৰ ঘৰত গো পালন কৰি জীৱিকা নিৰ্বাহ কৰা কালিদাসে এনে ৰাজকীয় সন্মান গ্ৰহণ কৰিব বিচৰা নাই। তেওঁৰ মতে এনে সন্মান গ্ৰহণ কৰা মানে নিজকে ৰাজকীয় মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰা। কিন্তু প্ৰেয়সী মল্লিকাৰ কথা ৰাখিবলৈ হলেও কালিদাস নিজৰ স্থিতিৰ পৰা আঁতৰি গ'ল। অথচ কালিদাসে নাটখনত নিজ মুখেৰে স্বীকাৰ কৰিছে যে গাঁৱঁৰ পৰা আঁতৰি যোৱা মাত্ৰেই তেওঁ নিজৰ ভূমিৰ পৰা আঁতৰি যোৱা। সন্মান যশস্যা আৰু অৰ্থৰ ওচৰতেই নহয় ৰজাৰ ওচৰতো কালিদাসৰ ব্যক্তিত্ব নতশিৰ হ'ল। উজ্জয়িনীৰ ৰজাই তেওঁক ৰাজকন্যা প্ৰিংয়গুমঞ্জুৰীৰ লগত বিৱাহ পাশত আৱদ্ধ কৰি মাতৃগুপ্ত নামেৰে কাশ্মীৰৰ নতুন

শাসনকৰ্ত্তা নিয়োগ কৰিলে । অৱশ্যে কালিদাসৰ প্ৰেয়সী মল্লিকাই আশা ৰাখিছিল যে ৰজাৰ আশ্ৰয় গ্ৰহণ কৰিলে বুলিয়েই যে ৰজাৰ সকলো দাবী কালিদাসে পূৰণ কৰিব লাগিব তাৰ কোনো যুক্তি নাই । কিন্তু সেয়া নহ'ল । যাৰ বাবে কালিদাসে হেৰুৱালে সাহিত্যৰ মাজত স্বতঃস্ফূৰ্ত আন্তৰিক আবেদনৰ উপযুক্ত পৰিৱেশ । সাহিত্যৰ ভাৱনাৰ জগতত বিচৰণ কৰা কালিদাস সক্ৰিয় ৰাজনীতিত জড়িত হৈ পৰিল । সন্মান প্ৰতিষ্ঠা আৰু ৰাজনীতিয়ে কালিদাসক নিজৰ চিনাকী কৰ্মক্ষেত্ৰৰ পৰা বহু দূৰ আঁতৰাই লৈ গ'ল। যি খন সাহিত্যৰ বাবে তেনেই আচহুৱা ক্ষেত্ৰ তাত জোৰকৈ নিজকে অভ্যস্ত কৰিবলৈ গৈ তেওঁ মানসিক শান্তি হেৰুৱাই পেলালে । তেওঁ কৈছে – 'মই সলনিও হ'ব নোৱাৰিলো, সুখীও হ'ব নোৱাৰিলো । ক্ষমতা পালোঁ, সন্মানো বহুত পালো, মই লিখা গ্ৰন্থবোৰ গোটেই দেশৰ মানুহে আদৰ কৰিলে, কিন্তু মই সুখী হ'ব নোৱাৰিলো ।' (আহাৰ মাহৰ এদিন - ৯১পৃঃ)

অৰ্থাৎ কালিদাসে সৃষ্টিৰ আনন্দত আত্মহাৰা হোৱা শিল্পী বা সাহিত্যিকৰ আত্ম সন্তুষ্টি হেৰুৱালে ।

আধুনিক যুগত মূল্যবোধৰ পৰিৱৰ্তনৰ লগে লগে প্ৰত্যেক মানুহে দিনে-দিনে ব্যক্তিকেন্দ্ৰীক হৈ পৰিছে । জীৱনৰ প্ৰতি ক্ষেত্ৰতে পৰস্পৰ বিৰোধী আস্থা আৰু মূল্যৰ বেমেজালিয়ে মানুহৰ জীৱনক ক্ৰমানুয়ে কৰুণতাৰ পথলৈ ঠেলি দিব লাগিছে । এই যুগবোধক কালিদাস চৰিত্ৰৰ যোগেদি যথাৰ্থ ৰূপদান দিয়াত নাট্যকাৰ সফল হৈছে । 'আষাঢ় কা একদিন' নাটকখনত দেখা যায় যে কালিদাস যেতিয়া আড়ম্বৰ আৰু যশস্যাৰ প্ৰাচুৰ্যত অতীষ্ঠ হৈ মাতৃগুপ্তৰ আৱৰণ সোলোকাই থৈ নিজৰ ভূমি আৰু প্ৰেৰণা বিচাৰি, উলটি আহিছে তেতিয়ালৈকে সময়ে সকলো সলাই পেলাইছিল। ইমানদিনলৈ কালিদাসৰ বাবে সময়ে মল্লিকাক তেওঁৰ প্ৰেৰণা কৰি ধৰি নাৰাখিলে । সময়ৰ ওচৰত হাৰ মানি ভাৱনাময়ী মল্লিকাই উপায়ন্তৰ হৈ কঠোৰ বাস্তৱক গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল । তাই হৃদয়ত কালিদাসক ৰাখিও অনিচ্ছা সত্বেও বিলোমৰ আশ্ৰয় গ্ৰহণ কৰিবলগীয়াত পৰিছিল। 'আষাঢ় কা একদিন' নাটকৰ শেষৰ ফালে দেখা যায় যে মল্লিকাৰ কেঁচুৱাজনীৰ কান্দোনে কালিদাস তথা আধুনিক মানুহৰ সময়ৰ ওচৰত চিৰন্তন পৰাজয় তথা কৰুণতাৰ কথাকে নাট্যকাৰে কৌশলেৰে দাঙি ধৰিছে । নাটকখনৰ আন চৰিত্ৰ যেনে অম্বিকা, বিলোম, সঙ্গিনী-ৰঙ্গিনীৰ যোগেদিও নাট্যকাৰে আধুনিক সমাজৰ প্ৰকৃত স্বৰূপ যথাৰ্থ তথা কলাত্মকতাৰে প্ৰকাশ কৰিবলৈ সক্ষম হৈছে ।

বহুমুখী প্ৰতিভাবান নাট্যকাৰ ৰাকেশে ইতিহাস আৰু কল্পনাৰ মণিকাঞ্চন সংযোগ ঘটোৱাৰ লগতে যুগৰ লগত খাপ খুৱাই 'আষাঢ় কা একদিন' নাটকখন ৰচনা কৰিছিল। নাটকখনত কালিদাসৰ মুখেৰে যেন প্ৰকাশিত হৈছে আধুনিক মানুহৰ এক গভীৰ দ্বন্দ্ব আৰু ট্ৰেজেদী। এনে বাস্তৱ দিশৰ অৱলোকন কৰা সত্বেও ৰাকেশৰ নাটকখনত কাব্যিক গুণ পুৰামাত্ৰাত বঞ্চিত হৈছে । সেয়ে মোহন ৰাকেশৰ 'আষাঢ় কা একদিন' নাটকে আধুনিক নাটক হিচাপে এক উল্লেখযোগ্য স্থান পোৱাৰ উপৰিও বৰ্তমান যুগত অধিক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে । ✧✧


সহায়ক গ্ৰন্থ ঃ

১) ড০ নীৰাজনা মহন্ত বেজবৰা : 'আহাৰ মাহৰ এদিন'

২) তিলক ৰাজ শৰ্ম্মা : 'অপনে নাটকোঁ কে দায়ৰে মে মোহন ৰাকেশ' ।






# জতুৱা ঠাঁচ আৰু গোহাঞি বৰুৱাৰ উপন্যাসত ইয়াৰ প্ৰয়োগ


*দীপক গগৈ*

প্ৰৱক্তা, অসমীয়া বিভাগ

দুলীয়াজান মহাবিদ্যালয়


**প্ৰস্তাৱনা ঃ——**

যিকোনো ভাষাৰ কথন ভংগী আৰু লিখন প্ৰণালী মনকৰিলেই দেখা যায় যে প্ৰতিটো ভাষাত শব্দ প্ৰয়োগৰ নিজস্বতা আছে । সেইকাৰণে জতুৱা ঠাঁচক ভাষাৰ কালিকা genius আখ্যা দিয়া হয় । এই কালিকানো কেনেকুৱা? কেইটামান সৰু সৰু উদাহৰণ লোৱা হওক । আমি জানো, বাঘে গোজৰে, ভালুকে জাঁজৰে, গাহৰিয়ে নোক্নোকায়, কুকুৰে ভুকে কিন্তু কুকুৰ পোৱালিয়ে ভুক্‌ভুক্ কৰে । আকৌ মৌ-মাখিয়ে গুণ গুণ কৰে কিন্তু মাখিয়ে ভুনভুন কৰে বা ভুনভুনায় । গছৰ ডালত বহি কপৌজনীয়ে কুৰুলিয়ায় আৰু চোতালৰ পাৰজনীয়ে ৰুণ দিয়ে । অথচ প্ৰতিটো মাতেই প্ৰাণীবিশেষৰ মুখৰ মাত । আৰু এটা উদাহৰণ ঃ মহাপুৰুষসকলে নৰনাট সামৰে, ইহলীলা সম্বৰণ কৰে; অধিকাৰী পুৰুষৰ ইচ্ছা হয়; দাৰ্শনিক সাহিত্যিক, ৰাজনৈতিক নেতাসকলৰ কোনোবাজন স্বৰ্গী হয় আৰু কোনোবাজনৰ পৰলোক প্ৰাপ্তি ঘটে, দেহাৱসান ঘটে আদি। ঠিক সেইদৰে শিক্ষক সকল মৰে আৰু বাকী মৰিব নজনাহঁত জহনীত যায় !

কেৱল অসমীয়া ভাষাতে নহয়, পৃথিৱীৰ সকলো ভাষাতে এনেধৰণৰ নিয়ম আছে । সেইবাবে প্ৰতিটো ভাষাৰে কথা কোৱা বা লিখাৰ ধৰণটো বেলেগ বেলেগ হয়। উপৰি উক্ত উদাহৰণ কেইটি ইংৰাজীলৈ তৰ্জমা কৰিলে এনেধৰণৰ হ'ব ঃ The Tiger roars, The bear howls, The pig grunts, The dog barks and The puppy yelps. আকৌ The bee hums, The fly buzzes, The dove cooes. আদি । ঠিক সেইদৰে The saint shuffles off the mortal coils, Priest crosses - the Rubicon, Philosopher passes away, the teacher expires and the others die!

জাতৰ জতুৱা খণ্ডবাক্য বা জতুৱা বাক্যৰূপবোৰে ভাষাৰ মাধুৰ্য্য বৃদ্ধি কৰে । 'কেঁচা বৰলক জোকাই ললে গা-সাৰিবলৈ টান'; 'পৰের মুখে ঝাল খেয়োনা'। 'An idle brain is the Devil's workshop' আদি বাক্যৰ লালিত্য অক্ষুণ্ন ৰাখি অৰ্থঘন অনুবাদ সম্ভৱ নে ? আচলতে প্ৰতিটো ভাষাৰ স্বকীয় প্ৰকাশিকা শক্তিসম্পন্ন একোটা শৈলী (Style) থাকে । ভাষাৰ এই ঠাঁচ বা শৈলীটোকে অসমীয়া ভাষাত 'জতুৱা ঠাঁচ' বোলা হয় । ইয়াৰ ইংৰাজী - প্ৰতিশব্দটো হ'ল 'Idiom' । ভাষাৰ নিজস্ব প্ৰকাশেই ভাষাটোৰ – জতুৱা ৰূপ বা জতুৱা ঠাঁচ । যিটো ঠাঁচত নিলিখিলে বা নকলে অসমীয়া ভাষাৰ শুদ্ধতা ৰক্ষা নপৰে। সেই ঠাঁচটোৱেই অসমীয়া ভাষাৰ জতুৱা ঠাঁচ । এতেকে জতুৱা ঠাঁচ হৈছে ভাষাৰ সৌন্দৰ্যৰ ঘনক । এনেকৈও কব পাৰি যে জতুৱা ঠাঁচে ভাষাৰ মাধুৰ্য আৰু বৈশিষ্ট্য দুয়োটাকে ৰক্ষা কৰিব পাৰে ।

মানুহৰ অভাৱৰ সীমা নাই । ভাষাৰো অভাব হয় কেতিয়াবা। উদাহৰণ স্বৰূপে কোনো এবিধ বিশেষ দ্ৰব্য বুজাবৰ বাবে ব্যৱহাৰ কৰা যথানিৰ্দিষ্ট এটা শব্দ আন এটা ভাষাত নেথাকিবও পাৰে । তেতিয়া স্বাভাবিকভাবে উক্ত ভাষাটোৱে সেই যথানিৰ্দিষ্ট শব্দটো ধাৰ কৰিবলগীয়া হয় । আকৌ কেতিয়াবা আন ভাষাৰ প্ৰতি থকা উচ্চমনোভাবৰ বাবেও ভাষাই ধাৰৰ বোজা বহন কৰিবলগীয়া হয় । কেৱল শব্দৰ ক্ষেত্ৰতে নহয়, ধ্বনিতাত্বিক (Phonological) আৰু ৰূপতাত্বিক (Mospholigical) দিশতো পৰিবৰ্তন হ'ব

পাৰে। মহাবিদ্যালয়লৈ নতুনকৈ অহা প্ৰবক্তা একোগৰাকীয়ে পাঠদানৰ সময়ত অসমীয়া শব্দ (প্ৰতিশব্দ ?) বিচাৰি আহুকালত পৰিলে প্ৰায়ে ইংৰাজী ভাষাৰ গুণ গাই একোটা বক্তৃতা আৰম্ভ কৰি দিয়ে। আচলতে ইংৰাজী মাধ্যমত উচ্চশিক্ষা লাভ কৰি অহাৰ পাছত ইংৰাজীতে পাঠদান দি ভালপোৱাটোৱেই স্বাভাৱিক। তথাপি, কথা কবলৈ শিকাৰে পৰা যি ভাষাত আমি আমাৰ সমস্ত অনুভূতি প্ৰকাশ কৰি আহিছো, সেই ভাষাটোক আনৰ ওচৰত হেয় প্ৰতিপন্ন কৰিলে প্ৰাণে নসহে। সচৰাচৰ ইংৰাজীত পাঠদান দি ভালপোৱা শিক্ষকসকলে পাহৰিলে নহব যে পৃথিৱীৰ চহকী ভাষাবোৰৰ অন্যতম ইংৰাজী ভাষাটোৱে পৃথিৱীৰ অনেক ভাষাৰ পৰা শব্দ সুৰাগুৰি তুলি লৈছে। ভাষাবিজ্ঞানে ইয়াক 'ভাষা ধাৰ কৰা' ৰীতি বুলিছে। ই স্বাভাৱিক। কিন্তু এই স্বাভাৱিকতাৰো এটা সীমা থকা দৰ্কাৰ। হকে -বিহকে ধাৰ কৰাটো পৰিত্যজ্য। কাৰণ ডিঙিলৈকে ধাৰত পোত গলে প্ৰাণলৈহে টনাটনি। অসমীয়া ভাষাৰ ডেৰশ বছৰৰ ইতিহাস অধ্যয়ন কৰিলেই কথাষাৰ স্পষ্ট হৈ পৰে। ১৮৩৬ৰ পৰা ১৮৭১ চনলৈকে এই সুদীৰ্ঘকাল অসমীয়া ভাষাটোক অসমৰ কৰ্ট-কাছাৰী, স্কুল-কলেজ আদিৰ পৰা বিতাৰণ কৰাৰ লগে লগে অসমীয়া ভাষা-সাহিত্যৰ মৰামুছা অৱস্থা হৈছিল। ভাগ্যে সেই সময়তে মিছনেৰীসকল অসম পালেহি। আমি খাতি অসমীয়াসকলে স্বীকাৰ কৰিবই লাগিব যে মিছনেৰীসকলৰ প্ৰচেষ্টাতে অসমীয়া ভাষাই পুনৰ কঁকাল পোনাব পৰা হৈছিল। অসমীয়া ভাষাৰ বিপত্তি তেতিয়াও ওৰ পৰা নাছিল। ষাঠিৰ দশকত আকৌ ভাষা আন্দোলন। নিজৰ দেশত নিজৰ মুখৰ ভাষাটোক শিক্ষাৰ মাধ্যম কৰিবলৈও আন্দোলন কৰিব লাগে ! সঁচাকৈয়ে ওলোটা পুৰাণৰ দেশ। ইতিমধ্যে গুৱাহাটী বিশ্ববিদ্যালয়ে কলেজ পৰ্য্যায়ৰ গুৰু পাঠ্যক্ৰমৰ বাবে ইংৰাজী মাধ্যমটো বাধ্যতামূলক কৰিছে। ৰাজ্যখনৰ বিশ্ববিদ্যালয় পৰ্য্যায়ত ৰাজ্যিক ভাষা হিচাপে মান্য অসমীয়া ভাষাক সকলো বিষয় অধ্যয়নৰ মাধ্যম কৰিব পৰা নগ'ল আজি পৰ্য্যন্ত। কাজেই মহাবিদ্যালয়ৰ পাঠদান প্ৰক্ৰিয়াত ইংৰাজী ভাষাটো অৱধাৰিত হৈ পৰিছে। কেৱল গল্প-কবিতা, উপন্যাস আদিৰে ঠাহ খাই পৰিলেই এটা ভাষাক চহকী বুলি কব পৰা নাযায়। প্ৰায়োগিক দিশটোও চাব লাগিব। সাম্প্ৰতিক কালৰ অসমীয়া কাব্যজগতখনলৈ চালে দেখা যায় যে কবিসকলে নিভাঁজ অসমীয়া শব্দবোৰ পুনৰ বুটলি লৈছে। অসমৰ বৈচিত্ৰময় জন-জীৱনৰ পৰা চিত্ৰকল্প, প্ৰতীক আদি চয়ন কৰাত কবিসকল তৎপৰ হৈ উঠিছে। ইয়াৰ বিপৰীতে গল্প, উপন্যাস আদি অন্যান্য সৃষ্টিশীল সাহিত্যত তেনে উৎসাহ দেখা নাযায়। চৰিত্ৰ চিত্ৰণ, পৰিবেশ-পটভূমি বৰ্ণন আদিৰ অহৈতুকী হস্তক্ষেপে (নে অজুহাতে) আজিৰ যুগৰ উপন্যাসিক, গল্পকাৰসকলক আন ভাষাৰ শব্দ আমদানি কৰাত ইন্ধন যোগাই আহিছে। শিক্ষাৰ মাধ্যম বা সাহিত্যকৰ্মৰ উপৰি দৈনন্দিন জীৱনযাত্ৰাতো আমাৰ অসমীয়া মানুহবোৰ ইংৰাজী ভাষাৰ প্ৰতি অধিক শ্ৰদ্ধাশীল হোৱা দেখা গৈছে। চুবুৰীয়ে চুবুৰীয়ে গঢ় লৈ উঠিছে ইংৰাজী মাধ্যমৰ স্কুল। হকে বিহকে ইংৰাজী শব্দ ব্যৱহাৰ নকৰিলে মনৰ ভাব প্ৰকাশ কৰাই যেন মস্কিল হৈ পৰিব ! এইদৰে আমাৰ বচন ভংগীত এটা বীজতৰীয়া ঠাঁচ গঢ়ি উঠিছে। ইয়াৰ পৰা মিশ্ৰ (Pidgin) ভাষা লৈ কিমানৰ বাট ?

বৈশিষ্ট্যপূৰ্ণ বৈয়াকৰণিক নীতি-নিবন্ধ আৰু শব্দৰ মেটমৰা ভঁৰাল থকা সত্ত্বেও মান্যভাষা এটা 'পিজিন্ ভাষা'লৈ পৰ্যবসিত হোৱাটোৱে ভাষাটোৰ উত্তৰণৰ ইংগিত নিশ্চয় নিদিয়ে। কোনো বিতৰ্কৰ মাজলৈ নোযোৱাকৈও কব পাৰি যে, ইংৰাজী ভাষাৰ প্ৰশংসাত পঞ্চমুখ হলেও আমাৰ গৰিষ্ঠ সংখ্যক লোকৰ বাবে ইংৰাজী ভাষাৰ ভাবপ্ৰকাশৰ স্বকীয় ধৰণটো আয়ত্ত কৰি লোৱা প্ৰায় অসম্ভৱ। গতিকে আমাৰ ইংৰাজী লিখা আৰু কোৱা'টো ইংৰাজে কোৱা আৰু লিখা ইংৰাজীৰ লেখীয়া নহয়গৈ। উচ্চাৰণৰ কথা নকলোৱেইবা। ময়ুৰৰ দৰে পেখমধৰি নাচিবলৈ লৈ নিজৰ খোজটোকে পাহৰি পেলোৱা বেচেৰী কাউৰীজনীৰ দুৰ্দশা আমি পাহৰিলোৱেই নেকি ? এইয়া মুঠেও শুভলক্ষণ নহয়। প্ৰকৃততে কুঁজৰ মূৰত কিল্‌টো দিব পৰাকৈ যদি নিজৰ ভাষাতে শব্দ, বাক্যাংশ, খণ্ডবাক্য আদি খুন্দ খাই থাকে, তেন্তে সিবিলাকৰ সু-প্ৰয়োগতহে অধিক গুৰুত্ব দিয়া উচিত। কেৱল সাহিত্যত নহয়; দৈনন্দিন জীৱনৰ প্ৰতিটো খোজতে হাড়ে-হিমজুৱে নিজৰ নিভাঁজ ঠাঁচ প্ৰয়োগ কৰিব লাগে। তেতিয়া ভাষাৰ সৌষ্ঠৱ বৃদ্ধি পায়। ধাৰ কৰিবলগীয়া হোৱা বিভাষী শব্দ বা বাক্যৰূপে যাতে স্বকীয়তা হানি কৰিব নোৱাৰে তাৰ বাবে নিজৰ সাঁচত মাৰি লবলৈও পাহৰিব নেলাগে। কাৰণ জাতীয়ত্বৰ চিনাকি দিয়াত জাতীয় সাহিত্যৰ স্থান সবাতোকৈ আগত। গতিকে সেই সাহিত্যৰ





ভাষা, সেই জাতিটোৰ নিভাঁজ জতুৱা ঠাঁচৰ হলেহে ভাষাটোৰ পৰিবৰ্দ্ধন হয় আৰু জাতিটোৰো মান বাঢ়ে।

পদ্মনাথ গোহাঞি বৰুৱাই বিশ্বাস কৰিছিল যে যি জাতিয়ে জাতীয় সাহিত্য গঢ়ি তুলিব নোৱাৰে সেই জাতিৰ প্ৰাণ নাবাচেগৈ। সি যিকোনো সাহিত্যবান বলী চুবুৰীয়া জাতিত লয় হৈ নিজৰ অস্তিত্ব হেৰুৱায়। তদুপৰি 'জাতি এটা জীয়াই থাকিবলৈ হলে ভাব ভাষা সংস্কৃতি সকলোতে স্বকীয়তা থাকিব লাগিব'- এই কথাও গোহাঞিবৰুৱাই সততে অনুভৱ কৰিছিল। সেয়ে তেওঁ অসমীয়া ভাষাত বিভাষীৰ ভাঁজ নপৰা প্ৰাঞ্জল ঠাঁচ এটাৰ গঢ় দিবলৈ চেষ্টা কৰিছিল।

## গোহাঞি বৰুৱাৰ উপন্যাস ঃ——

অসমীয়া সাহিত্যত উপন্যাস নামৰ 'পদসম্ভাৰৰ বেহানিখন' আৰম্ভ হৈছিল গোহাঞিবৰুৱাৰ 'ভানুমতী' আৰু 'লাহৰী' নামৰ উপন্যাসৰ জৰিয়তে(অৱশ্যে অৰুণোদয়ৰ পাততে ইয়াৰ অংকুৰণ হ'ব ধৰিছিল)। এই নতুন ৰূপকল্পটো আৰু বিষয়বস্তু সেই সময়ৰ পাঠক সমাজৰ বাবে আকৰ্ষণৰ কেন্দ্ৰ হৈ পৰিছিল। পাঠকৰ যথোচিত সমাদৰ লাভ কৰিও গোহাঞিবৰুৱাই কিন্তু নিৰৱধি কালৰ বাবে এনেধৰণৰ অন্তৰৰ আবেদনপূৰ্ণ শুদ্ধ সাহিত্য ৰচনাত মনোনিবেশ কৰিব নোৱাৰিলে। তেওঁ পাঠ্যপুথি ৰচনাতহে অধিক গুৰুত্ব দিছিল। ইয়াৰ কাৰণো আছে। ১৮৭১ চনত অসমীয়া ভাষাই হৃত সন্মান ফিৰাই পাইছিল যদিও বঙলা ভাষাই পঢ়াশালী পৰ্যন্ত তেতিয়াও প্ৰভাৱ বিস্তাৰ কৰি আছিল। সেই সময়ত অসমীয়া ভাষাত পৰ্যাপ্ত পৰিমাণে পাঠ্যপুথি নাছিল। (দুখৰ বিষয় আজিও তাৰ বিশেষ পৰিবৰ্ত্তন নহ'ল) অসমীয়া ভাষাক পুনঃ প্ৰতিষ্ঠা কৰাত গোহাঞিবৰুৱাই ৰচনা কৰা পাঠ্যপুথিবোৰৰ ভূমিকা প্ৰভূত। তথাপি ভানুমতী, লাহৰী (উপন্যাস), গাওঁবুঢ়া, জয়মতী (নাটক), লীলা (কাব্য) আৰু তত্ত্বমূলক গ্ৰন্থ 'শ্ৰীকৃষ্ণ'ই তেওঁৰ সাহিত্য কৃতি আৰু প্ৰতিভাৰ পৰিচয় দিয়ে।

উপন্যাস হিচাপে 'ভানুমতী' আৰু 'লাহৰী'ৰ বিষয়বস্তুৰ গভীৰতা নাই। দুয়োখন উপন্যাসৰ মুখ্য উপজীব্য মানৱীয়প্ৰেম। 'ভানুমতী' আত্মবিবৃতিমূলক বিয়োগান্তক উপন্যাস। ইয়াত মূল চৰিত্ৰ ভানুমতীৰ হতুৱাই তাইৰ জীৱনলৈ নামি অহা বিপৰ্যয়ৰ বিবৃতি দিয়াইছে। চাৰু গোহাঁইৰ প্ৰতি ভানুমতীৰ যি প্ৰেম উপজিছিল, সেই প্ৰেমে তাইক বিলাস-বাসনা প্ৰত্যাখ্যান কৰি যিকোনো নিৰ্য্যাতন মূৰ পাতি লবলৈ শিকাইছিল। আনহাতে ভানুমতীৰ প্ৰতি থকা চাৰু গোহাঁইৰ প্ৰেমৰো ইংগিত দিয়া হৈছে। কিন্তু প্ৰেমিক-প্ৰেমিকাহালৰ মনত ওপজা প্ৰেমৰ গভীৰতাৰ প্ৰকাশ ভালকৈ পৰিস্ফুট হোৱা নাই। যি ভাবাবেগৰ অধীনা হৈ ভানুমতীয়ে পুৰুষৰ বেশেৰে ঘৰ এৰি উধাও হৈছিল, সেই ভাৱাবেগৰ মাজতে তাইৰ জীৱন নিঃশেষ হৈ গ'ল। উপন্যাসখনৰ শেষত ভানুমতীৰ আত্মবিবৃতি নাই। লেখকে নিজে শেষাংশৰ খবৰ দিছে।

লাহৰীক ভানুমতীৰ প্ৰতিকৃতি বুলিব পাৰি। মান-ধৰ্ষিত অসমৰ পটভূমিত উপন্যাসখনৰ কাহিনীভাগ প্ৰতিষ্ঠা কৰা হৈছে যদিও বুৰঞ্জীৰ এই সংযোগে নিতান্তই উপৰুৱা। চাৰুগোহাঞি আৰু ভানুমতীৰ অনুৰূপ প্ৰেমিক প্ৰেমিকা কমল আৰু লাহৰী। এই চৰিত্ৰ দুয়োটাৰো অন্তৰ্দ্বন্দ্ব আৰু মানসিক বিশ্লেষণৰ প্ৰয়াস ঔপন্যাসিকে কৰা নাই। গতিকে লাহৰী-কমলৰ মিলন বৈচিত্ৰ্যহীন গতানুগতিক হৈ পৰিল। মুঠতে উপন্যাস দুখনত কাহিনী বিন্যাস, পৰিবেশ বৰ্ণনা, চৰিত্ৰ চিত্ৰণ আদিত গোহাঞিবৰুৱাই দক্ষতাৰ পৰিচয় দিব পাৰিছে বুলি কোৱা টান। তথাপি অসমীয়া সাহিত্যৰ বুৰঞ্জীত দুটা কাৰণত 'ভানুমতী' আৰু 'লাহৰী'ৰ একোখন উচ্চ আসন থাকিব। এক অসমীয়া উপন্যাসৰ বাটকটীয়া হিচাপে, দুই ইয়াৰ ভাষা। জতুৱা ঠাঁচৰ, ফকৰা-যোজনা, পটন্তৰ, উমা আদিৰ উপযুক্ত প্ৰয়োগে উপন্যাস দুখনৰ ভাষা সমৃদ্ধিশালী কৰি তুলিছে। তদুপৰি নাৰীৰ মনস্তত্ত্বৰ আভাস দিবলৈ ঔপন্যাসিকে কৰা প্ৰয়াস নিশ্চয় শলাগিব লগীয়া। দুয়োখন উপন্যাসতে যেন ঘোষণা কৰিব বিচৰা হৈছে, প্ৰেম পুৰুষৰ জীৱনৰ দিক্‌চো বাটৰ কোনোবাখিনিৰ লগৰী আৰু নাৰীৰ বাবে যে ইয়েই জীৱনৰ সকলোখিনি ! *(Love is men's life apart but it is women's whole existence.)*।

আগতেই কোৱা হৈছে যে জতুৱা ঠাঁচে যিকোনো ভাষাৰ নিজস্ব পৰিচয়টি পৰিস্কাৰকৈ দাঙি ধৰে। ভাষাৰ জতুৱা খণ্ডবাক্যবোৰ এইক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। অসমীয়া ভাষাৰ জতুৱা ঠাঁচ মতে বিশেষ্য পদৰ পাছত বিশেষ কিছুমান ক্ৰিয়াপদ ব্যৱহাৰ কৰা হয়। গোহাঞিবৰুৱাই তেওঁৰ উপন্যাসত কেনেকৈ ভাৱ-অনুযায়ী বিশেষ ক্ৰিয়াপদৰ ব্যৱহাৰ কৰিছিল তাৰ কেইটামান নমুনা দিয়া হ'ল, ঃ নিধাতু হ, থিত ল, ছঁয়া-কাট, টিপ দে, খং

সাৰ, মন মেল, গম ধৰ, থমক খা, বাট খেদ, পকনি তোল, মৌ-বৰষ, কটাহি কৰ, গা-চাই ফুৰ, কাণত পৰ, ফিৰিঙতি ভগাদি ভগা, বেথা লাগ, গা এৰ, গা ৰল, হাত-ছিগ, টলকা মাৰ, মন কৰ, হাত-কৰ আদি ।

উপন্যাস দুখনত বিশেষ্য পদৰ লগত বিশেষ অৰ্থত ব্যৱহৃত জতুৱা ঠাঁচৰ ব্যৱহাৰো দেখা যায় । যেনে ঃ- গা- এৰ, গা-বাজ গা-চেবা, গা-ৰয়, চকু মুদ, চকুত লাগ, হাত-ছিগ, হাত কৰ, মন কৰ আদি । ইবিলাকত বাহ্যিক অৰ্থৰ উপৰিও ব্যঞ্জনা অৰ্থ একোটাও লুকাই থাকে।

গোহাঞিবৰুৱাৰ স্বকীয় গদ্যৰীতিক অধিক মনোগ্ৰাহী কৰি তুলিছে উপন্যাস দুখনত অতি মনোৰমকৈ খাঁজি দিয়া অনুৰূপ শব্দবোৰে । এই অনুৰূপ শব্দবোৰেও অসমীয়া ভাষাটোৰ বৈশিষ্ট্যপূৰ্ণ দিশ এটা নিৰ্দেশ কৰে । যেনে ঃ- লুদুৰ - পুদুৰ, এৰা-পলৰীয়া, কোলাকুলি, আন্দোলা-আন্দুলি, উগুল-থুগুল, খল-খলাই, থৌকি-বাথৌ, দমলা-দমল, অমাই-কমাই, জুলা-কলা, জিবাই-শঁতাই, গেন-গেনোৱা, ফিট্-ফিটনি, লৰা-লৰি, খোজা-বঢ়া চাটি-ফুটি ইত্যাদি ।

অসমীয়া কথন ৰীতিত সাধাৰণতে প্ৰয়োগ কৰা কিছুমান পদ বা পদসমষ্টিৰ প্ৰয়োগেও গোহাঞিবৰুৱাৰ গদ্যৰীতিৰ ৰহণ চৰাইছে । যথা, - ডবা চৰ, গেমেহা ভুকু, মৌ চেপা বৰষুণ, অময়াপ্ৰেম, এলাইজাপৰি, নাগফুটা নিজৰা, মেঘনেজীয়া চুলি, এনাজগৰ, এফেৰি, এঁতাই, থোলোকা, ধুনুৰাই, মৰাল গতি, চেঁচনি পৰা ইত্যাদি ।

কেতিয়াবা কেতিয়াবা জতুৱা ফকৰা যোজনা, উপমা আদিৰ উপযুক্ত ব্যৱহাৰেও পাঠকক বিমল আনন্দ দান কৰে । তেনেকুৱা অনেক দৃষ্টান্ত উপন্যাস দুখনত সিঁচৰতি হৈ আছে । ইবিলাকৰ সহায়ত একোটা সুন্দৰ ভাৱময় চিত্ৰ ফুটাই তোলাত ঔপন্যাসিক সফল হৈছে বুলিব পাৰি । যেনে, —

ক) "... তেতিয়াৰ পৰাহে ঘৰত দিনে-ৰাতিয়ে কছাৰী ৰণ লাগিবলৈ ধৰিলে । (ভানুমতী)

খ) " সংসাৰত তিতাৰেহে মানুহৰ মুখ ভৰিছে । মিঠাৰ চেলেক এটা মাথোন । সেয়ে এনে সোৱাদ জীৱন্তে পাহৰিব নোৱাৰি । সংসাৰত তিতাৰ ভাগ বেছি কাৰণেই মিঠাৰ অনুভৱ অতি আপুৰুগীয়া ।" (ভানুমতী)

গ) "কমল যেন এটি সুন্দৰ উঘা, ভান্দোতাও নাই আৰু সেই উঘাত মেৰখাই থকা নিৰ্মল প্ৰেমৰ লাহৰী সূতা, ছিঙোতাও নাই ।" (লাহৰী)

ঘ) "বয়স বাৰিষা পাই পবিত্ৰ প্ৰেম নৈৰ মিলন সোঁতে খৰতৰ গতি ধৰিছে ... ।" (লাহৰী)

বিভিন্ন পদ বা পদসমষ্টিক বিশেষ অৰ্থত ব্যৱহাৰ কৰি জতুৱা ঠাঁচৰ ভাৱ সুদূৰ প্ৰসাৰী কৰি সহজে পাঠকৰ মন আকৰ্ষণ কৰিবলৈকো গোহাঞিবৰুৱা যত্নবান আছিল । যেনে - আকাশত চাঙ পাত, যাচি কিল খোৱা, ফৰিং ওফৰাদি ওফৰা, একোৰ চৰা, নগুৰ নাস্তি কৰ, ডেও দি ফুৰ, ছিৱাল ফটাদি ফটা, বাট কুৰি বা, লিপিত খাই ধৰা, ফিৰিঙতি ভগাদি ভগা, বিৰ দি বাট নোপোৱা, পানীত হাঁহ নচৰা, ভাগৰুৱা খোজ ধৰা, ইত্যাদি ।

কলাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা সাহিত্য বিচাৰৰ জোখমাৰিডাল গোহাঞিবৰুৱাৰ উপন্যাস দুখনত ব্যৱহাৰ নকৰাই উচিত হব । 'লাহৰী'ৰ পাতনিত নিজৰ অক্ষমতাক স্বীকাৰ কৰি গোহাঞিবৰুৱাদেৱে ন লিখাৰুৰ দোষাদোষত লাগি নাথাকিবলৈ পাঠকলৈ বিনম্ৰ অনুৰোধ জনাইছিল । তৎসত্বেও গোহাঞিবৰুৱাই যথাৰ্থতে প্ৰথম অসমীয়া উপন্যাস ৰচোঁতা । তেওঁৰ পৰাহে নিৰৱচ্ছিন্ন ভাৱে অসমীয়া উপন্যাস সাহিত্যৰ ধাৰা প্ৰৱৰ্তিত হয় । অসমীয়া ভাষা-সাহিত্যৰ অন্যতম কাণ্ডাৰী এইগৰাকী ব্যক্তি নিজৰ ভাষাৰ নিভাঁজ ঠাঁচটোৰ প্ৰতি অত্যন্ত শ্ৰদ্ধাশীল আছিল। সেয়ে তেওঁ বিভাষীৰ ভাঁজ নপৰা সৰ্বসাধাৰণৰ সহজে বোধগম্য ঘৰুৱা জতুৱা ঠাঁচতহে সাহিত্য ৰচনা কৰিছিল । জতুৱা ঠাঁচ প্ৰয়োগত গোহাঞিবৰুৱা লক্ষ্মীনাথ বেজবৰুৱাৰ সমকক্ষ আছিল বুলিব পাৰি । 'ভানুমতী' আৰু 'লাহৰী'ৰ পাতে পাতে অসমীয়া জতুৱা ঠাঁচ আৰু ইয়াৰ সৌন্দৰ্য খুন্দ্ খাই আছে । থোৰতে কব পাৰি যে ভাষাৰ জতুৱা ঠাঁচ আৰু ভাষাৰ শুদ্ধতা অক্ষুণ্ণ ৰখাত গোহাঞিবৰুৱা সদা তৎপৰ আছিল । ❖❖





# উত্তৰ আধুনিকতাবাদ ঃ এটি পৰিচয়

*শ্ৰীসত্যকাম বৰঠাকুৰ*
*প্ৰৱক্তা, অসমীয়া বিভাগ*

'উত্তৰ - আধুনিক' বা 'উত্তৰ আধুনিকতাবাদ' এতিয়াও আমাৰ বাবে এটা আচহুৱা শব্দ । সাধাৰণতে 'উত্তৰ' শব্দই পাছৰ অৰ্থ বুজায়; আনহাতে ইয়াৰ ইংৰাজী পৰিভাষা 'Post - modern' অক Post-war, Post - graduate, Post-mortem আদি শব্দৰ লগত বিজাই চালেও modern অৰ পাছৰ অৰ্থাৎ আধুনিকতাৰ পাছৰ যেনেই অৰ্থ বিচাৰি পোৱা যায়। তেতিয়া আকৌ প্ৰশ্ন উঠে - যে 'আধুনিক' মানে তেন্তে কি এক নিৰ্দিষ্ট কালিক পৰিমণ্ডলৰ মাজত আৱদ্ধ পৰিভাষা নেকি ? অসমীয়া 'আধুনিক' শব্দৰ মূল হ'ল 'অধুনা'-যাৰ অৰ্থ এতিয়া, শেহতীয়া, সাম্প্ৰতিক; আকৌ ইংৰাজী modern শব্দৰ মূল হ'ল লেটিনৰ 'Modo', এই 'modo'ৰ অৰ্থও অধুনাৰ সতে সমাৰ্থক । তেনে অৰ্থত 'আধুনিক' এটা আপেক্ষিক শব্দ । তেন্তে 'আধুনিক'ৰ ঠাইত উত্তৰাধুনিকতাই কিদৰে থিতাপি লভিব ।

আধুনিকতাবাদৰ সংজ্ঞা সম্পৰ্কত পণ্ডিতসকলৰ মাজত মতদ্বৈধতা আছে । বহু সমালোচকে ইয়াক কালগত চতুৰ্গণ্ডীত আৱদ্ধ কৰিব বিচাৰে । কোনো কোনোৰ মতে কাৰ্ল মাক্সৰ ডাচ কেপিটেল'ৰ প্ৰথম খণ্ডৰ প্ৰকাশৰ বছৰ ১৯৬৭ চনেই হৈছে আধুনিকতাবাদৰ আৰম্ভণি । অৱশ্যে আধুনিকতাবাদৰ স্বৰূপৰ দৃষ্টিকোণৰপৰা এনে সময়সীমা বৰ সহজতে টিকিব নোৱাৰে । Herry Levin নামৰ পণ্ডিত এগৰাকীয়ে আধুনিকতাবাদৰ বৈশিষ্ট্য বিশ্লেষণ কৰিবলৈ গৈ ইয়াক 'Uncompromising intelectualty' অৰ্থাৎ আপোচহীন বৌদ্ধিকতা বুলি অভিহিত কৰিছে । অৱশ্যে এই কথা ক'বই লাগিব যে আধুনিকতাবাদ এটা কাল সাপেক্ষ আন্দোলন নহয় । ড০ কবীন ফুকনদেৱে কবৰ দৰে ঃ 'আধুনিকতা মূলতঃ অযৌক্তিক আৰু ৰহস্যবাদী প্ৰত্যয় আৰু সংগ্ৰামবিমুখ আত্মসন্তুষ্টিৰ বিপৰীতে সময়ত পৰিশ্ৰান্ত, কিন্তু সাধাৰণতঃ সজীৱ, সজাগ, সক্ষম আৰু সংঘাতময় জীৱন-জিজ্ঞাসা ।' - এনে অৰ্থত চাবলৈ গ'লে আধুনিকতাবাদ এটা কালনিৰপেক্ষ ধ্ৰুৱক অৱধাৰণা । অৱশ্যে এই কথা অনস্বীকাৰ্য্য যে পাশ্চাত্যত বিজ্ঞান আৰু যুক্তিবাদৰ প্ৰসাৰেহে ইয়াক এটা আন্দোলনৰ স্বৰূপ প্ৰদান কৰে । তেন্তে এচাম উত্তৰ আধুনিকতাবাদীয়ে দাবী কৰাৰ দৰে আধুনিকতাৰ ঠাই উত্তৰ-আধুনিকতাই দখল কৰাৰ যুক্তি ক'ত ?

উত্তৰ-আধুনিকতাবাদৰ বিস্তৃতি শিল্প, সাহিত্য, চিত্ৰকলা, ফিল্ম - সকলোতে পৰিব্যাপ্ত । তথাপি, পাশ্চাত্যৰ দেশত জন্মলাভ কৰা এই আন্দোলনৰ প্ৰতি তৃতীয় বিশ্বৰ সমালোচকসকলৰ ধাৰণা বৰ ইতিবাচক নহয় । ইয়াক কোনো কোনোৱে সাম্ৰাজ্যবাদী আগ্ৰাসনৰ পৰিণামহে বুলি অভিহিত কৰিব বিচাৰে । কোনো কোনোৰ মতে ইউৰোপীয় দেশ সমূহে তৃতীয় বিশ্বৰ বাণিজ্যৰ ক্ষেত্ৰত দখলদাবী চলোৱাৰ কৌশল । - কিন্তু এনে অভিযোগক ওফৰাই দি গেব্ৰিয়েল গৰ্থিয়া মাৰ্কুৱেজৰ 'One hundred years of solitude' গ্ৰন্থই, মিলান কুন্দেৰা বা চলমান ৰুশ্বদিৰ দৰে লেখকে খ্যাতি অৰ্জন কৰিছে ।

দৰাচলতে উত্তৰ-আধুনিকতাবাদ হ'ল আধুনিকতাবাদৰ সমান্তৰাল এক ধাৰা; ইয়াৰ মূলতে আছে কৌশলী আত্মগোপনৰ এক অভিলাস । পৰম্পৰাবাদী সাহিত্যত একোটা নিৰ্দিষ্ট ফৰ্মৰ মাজেদি বাস্তৱৰ লগত সম্পৰ্কিত একোটা বক্তব্যক তুলি ধৰিব বিচাৰিছিল । কিন্তু হাইজেনবাৰ্গৰ (Heisenburg) অনিশ্চয়তাৰ সূত্ৰে (theory of Uncertainity) উদ্ভাৱনৰ লগে লগে সাহিত্যৰ ক্ষেত্ৰখনলৈকো এক পৰিৱৰ্তন আহিল । হাইজেনবাৰ্গৰ মতে পৃথিৱীৰ কোনো পদাৰ্থ বা পদাৰ্থকণাৰেই সঠিক স্থিতি বৰ্ণনা কৰা অসম্ভৱ । তেন্তে মানুহৰ জীৱনৰ প্ৰসঙ্গতে এটি সঠিক বৰ্ণনা কিদৰে সম্ভৱ হ'ব ? এই কথাটো যেতিয়াই সাহিত্যিকসকলে অনুধাৱন কৰিলে, তেতিয়াই সাহিত্যজগতলৈ এক আমূল পৰিৱৰ্তন আহিল আৰু আধুনিকতাবাদী সাহিত্যিক সকলে ঘোষণা কৰিলে যে মানুহৰ

জীৱন বাস্তৱক এটা নিৰ্দিষ্ট কাহিনীৰ বা বক্তব্যৰ মাজত আৱদ্ধ কৰি ৰখা অসম্ভৱ । ভাৰ্জিনীয়া উল্ফৰ দৰে ঔপন্যাসিকাই সেয়ে সাহিত্যৰ জীৱন বাস্তৱৰ পৰিকল্পিত গাঁঠনিক বাদ দি একোটা, অব্যক্ত অদৃশ্য তথা ক্ষীণ যোগসূত্ৰৰে আৱদ্ধিত ফৰ্মৰ মাজত সাহিত্যক আৱদ্ধ কৰিলে। কিন্তু উত্তৰ আধুনিকতাবাদী সাহিত্যিকসকলে এই ফৰ্মৰ ওপৰতো অষ্ট্ৰোপচাৰ চলালে আৰু তেওঁলোকে ক'লে যে যিহেতু আধুনিকতাবাদী উপন্যাসতে জীৱনৰ বাস্তৱ সত্যতাক সাহিত্যত প্ৰতিফলনৰ ধাৰণা নস্যাৎ কৰি দিয়াই হৈছে, গতিকে এটা ফৰ্ম গঢ়াৰ নামত বাস্তৱ ঘটনা, বিশ্বাসযোগ্য পৰিস্থিতি আদিৰ ওপৰতো আস্থা ৰখাৰ প্ৰয়োজনীয়তা নাই। স্ব-ব্যংগ, ফৰ্মৰ ধাৰণা নাকচ আৰু যাদুকৰী বাস্তৱবাদৰ দৰে ধাৰণাক সেয়েহে উত্তৰআধুনিকতাবাদীসকলে সাদৰেৰে আদৰি ল'লে । চলমান ৰুশ্বদীয়ে 'The Midnight's children'খনৰ মাজেদি স্ব-ব্যংগৰ ধাৰণাক তুলি ধৰিলে আৰু লৰেঞ্চ ষ্টাৰ্নে 'Life and opinion's of Tristram Shandy' ৰ মাজেদি ফৰ্মৰ ধাৰণাক নাকচ কৰি দিলে ।

উত্তৰ-আধুনিকতাবাদৰ অন্যতম শ্ৰেষ্ঠ পুৰোধা গেব্ৰিয়েল গৰ্থিয়া মাৰ্কুৱেজে তেওঁৰ 'One hundred years of solitude' উপন্যাসত আধুনিকতাবাদৰ সমস্ত ধাৰণাই ওফৰাই দি বাস্তৱৰ বৰ্ণনাৰ বাবে এক কল্পিত বাস্তৱৰ অৱতাৰণা কৰিলে, যাক কোৱা হয় 'যাদুকৰী বাস্তৱবাদ' (Magsic Realism) । ইয়াত মৰা মানুহ ঘূৰি আহিছে । শিশুৱে গাহৰিৰ নেজলৈ জন্ম হৈছে, ইত্যাদি ইত্যাদি বহু ঘটনাই সংঘটিত হৈছে । এই ঘটনাবোৰৰ বিশ্বাস যোগ্যতাৰ কথা ক'বলৈ গৈ মাৰ্কুৱেজে নিজৰ আইতাকে সৰুতে সাধুকথা শুনোৱাৰ কথা কৈছে । এটা সাক্ষাৎ কাৰত তেওঁ কৈছে - 'মোৰ আইতাই সাধুকথা কোৱা শৈলীৰ আধাৰতেই প্ৰৱাহিত সেই সুৰ । তেওঁ কোৱা কথাবোৰ মোৰ অতিপ্ৰাকৃত আৰু কল্পনা প্ৰসূত যেন লাগিছিল, কিন্তু সেইবোৰ তেওঁ অত্যন্ত বিশ্বাসযোগ্যকৈ বৰ্ণনা কৰিছিল ।' মাৰ্কুৱেজে আকৌ কৈছে - 'প্ৰত্যেক লিখকৰ বা যিকোনো কথাকেই বিশ্বাসযোগ্য কৰি তোলায়েই হৈছে তেওঁৰ বাবে প্ৰধান সমস্যা । বিশ্বাসযোগ্যতাৰ সীমাৰ ভিতৰত লিখকে যিহকে ইচ্ছা কৰিব পাৰে ।" - দৰাচলতে এই বক্তব্যয়েই উত্তৰ-আধুনিকতাবাদী সাহিত্যৰ এটা-সামগ্ৰিক স্বৰূপৰ প্ৰসঙ্গ তুলি ধৰে । উত্তৰ-আধুনিকতাবাদৰ লগত যুক্তিবাদৰ এক সাংঘাতিক বৈপৰীত্য আছে । ই মাত্ৰ মানুহৰ বিশ্বাসযোগ্যতাৰ ওপৰত প্ৰতিষ্ঠিত এক ধাৰণা । সেইবাবে সমালোচক মাৰ্কুৱেজে যুক্তিবাদৰ উৎকৃষ্ট নিদৰ্শন বুলি অভিহিত কৰিছে।

মুঠ কথাত আমাৰ মতে উত্তৰ আধুনিকতাবাদ মানে আধুনিকতাবাদৰ বিলুপ্তি নহয়; আধুনিকতাবাদৰ জন্মৰ পাছত জন্মলাভ কৰা এটা ধাৰা বা আন্দোলনহে । সেইবাবে ইংলেণ্ডত আধুনিকতাবাদী আন্দোলনে গা-কৰি উঠাৰ বিপৰীতে ফ্ৰান্স আৰু আমেৰিকাত উত্তৰ আধুনিকতাবাদী আন্দোলনে মূৰ দাঙি উঠিছে । ✧✧


## সহায়ক টোকা ঃ—

১। শৰ্মা, ড০ গোবিন্দ প্ৰসাদ ঃ 'উপন্যাস আৰু অসমীয়া উপন্যাস'

২। বৰা, হৰেশ্বৰ ঃ 'যাদুকৰী বাস্তৱবাদ এক আধুনিক সাহিত্যিক ধাৰা' ঃ কটনিয়ান, ১৯৯৭-৯৮ বৰ্ষ

৩। বৰা, প্ৰাণজিৎ ঃ 'মাৰ্কুৱেজৰ সত্যান্বেষণ আৰু তেওঁৰ ৰচনা সন্দৰ্ভত যৎকিঞ্চিৎ' ঃ পূৰ্বোক্ত

৪। দাস, শোণিত বিজয় ঃ 'গেব্ৰিয়েল গাৰ্থিয়া মাৰ্কুৱেজ ঃএটি সাক্ষাৎকাৰ ঃ গৰীয়সী - চেপ্তেম্বৰ, ১৯৯৫

৫। গোহাঁই, ড০ হীৰেণ ঃ 'উত্তৰ আধুনিকতাবাদত এভূমুকি' (১ম খণ্ড) ঃ পূৰ্বোক্ত - অক্টোবৰ, ১৯৯৭

৬। পূৰ্বোক্ত ঃ পূৰ্বোক্ত (২য় খণ্ড) ঃ পূৰ্বোক্ত - ডিচেম্বৰ, ১৯৯৭

৭। পূৰ্বোক্ত ঃ পূৰ্বোক্ত (৩য় খণ্ড) ঃ পূৰ্বোক্ত - জানুৱাৰী, ১৯৯৮

৮। আচাৰ্য্য, প্ৰদীপ ঃ 'উত্তৰ আধুনিক নে আধুনিকোত্তৰ' ঃ পূৰ্বোক্ত - মাৰ্চ, ১৯৯৪

৯। ডেকা, হৰেকৃষ্ণ ঃ 'আধুনিকতাবাদ আৰু অসমীয়া কবিতা ঃ পূৰ্বোক্ত - মাৰ্চ, ১৯৯৭

১০। চৌধুৰী, বিভাস ঃ 'অসমীয়া সাম্প্ৰতিক সাহিত্যত উত্তৰ আধুনিকতা ঃ দুটা দৃষ্টান্ত ঃ পূৰ্বোক্ত - জুন, ২০০০

১১। Forster, E.M. ঃ 'Aspects of the Novel'.

১২. Spender, Stephen ঃ 'The Strugle of the Modern'.






# গণিতজ্ঞ ড০ ভোগৰাজ শেঠ

*শ্ৰীইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই*
মুৰব্বী অধ্যাপক, গণিত বিভাগ

ভাৰতৰ শিক্ষাজগতৰ, বিশেষকৈ গণিত জগতৰ এক চিনাকী নাম হ'ল ড০ ভোগৰাজ শেঠ (Dr. B. R. Seth) । তেখেত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এসময়ৰ এজন সুদক্ষ উপাচাৰ্য্য আছিল। তেখেতে ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এজন উপাচাৰ্য্যৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল । মইও ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ আৰম্ভণী বৰ্ষৰ ছাত্ৰ হিচাবে ১৯৬৭-১৯৬৯ চনলৈকে শিক্ষা লাভ কৰিছিলো। সেয়েহে ড. বি. আৰ. শেঠৰ দৰে এজন মহান গণিতজ্ঞৰ সান্নিধ্যলৈ অহাৰ সৌভাগ্য মোৰ হৈছিল। আজি মই এইজন মহান গণিতজ্ঞৰ বিষয়ে এটি চমু আভাষ দাঙি ধৰাৰ প্ৰয়াস কৰিছো ।

১৯০৭ চনত পঞ্জাবৰ 'ডোৰা' নামে এখন ঠাইত ড০ শেঠৰ জন্ম হৈছিল । তেখেত হ'ল বিংশ শতিকাৰ এজন খ্যাতনামা ভাৰতীয় Applied Mathematician । ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰত তেখেতে দানৰূপে আগবঢ়োৱা Fluid Dynamics ৰ বহুতো মূল্যবান গ্ৰন্থ আছে । এই গ্ৰন্থসমূহে গৱেষকসকলক গৱেষণাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰে।

সুন্দৰ, সুঠাম দেহৰ অধিকাৰী এইজন ব্যক্তিয়ে নিজৰ পৰিপাটি সাজপাৰ আৰু নম্ৰ স্বভাৱৰে সকলোকে আকৰ্ষিত কৰিছিল । ডিব্ৰুগড় বিশ্ববিদ্যালয়লৈ অহাৰ আগতে তেখেত কলিকতাৰ খড়গপুৰ I.I.T.ৰ Applied Mathematics ৰ মুৰব্বী অধ্যাপক আছিল । ইয়াৰ পূৰ্বে তেখেত দিল্লীৰ 'হিন্দু ক'লেজত' মুৰব্বী অধ্যাপক ৰূপে কাৰ্য্যনিৰ্বাহ কৰিছিল।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আমি পঢ়ি থকা অৱস্থাত চূড়ান্ত বৰ্ষৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে চেমিনাৰত অংশ গ্ৰহণ কৰিব লগা হৈছিল । এদিন মই চেমিনাৰত ভাগ লওঁতে তাত উপাচাৰ্য্য ড০ বি. আৰ. শেঠ ছাৰো উপস্থিত আছিল । 'য'তে বাঘলৈ ভয় ত'তে ৰাতিও হয় '– সেই একে পৰিস্থিতি মোৰো হৈছিল। তেতিয়া আমাৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক আছিল Dr. A. C. Srivastava. মোৰ বিষয় আছিল Matrix . বহুকেইজন শিক্ষক আৰু মোৰ ছাত্ৰ বন্ধুসকলৰ উপস্থিতিত বিষয়টো উপস্থাপন কৰাটো মোৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছিল । তথাপিও অতি সন্তৰ্পণে বিষয়টো উপস্থাপন কৰিবলৈ চেষ্টা কৰো । Commutative আৰু Anti commutativeৰ কথা আলোচনা কৰোতে উপাচাৰ্য্য শেঠছাৰে মোক দুটা প্ৰশ্ন কৰিলে - 'যদি এজন মানুহক (১) প্ৰথমে 'You are wise man' বুলি কৈ পিছত তৎক্ষণাত একেজন মানুহকে 'No you are a fool' বুলি কওঁ আৰু তাকে নকৰি (২) প্ৰথমে মানুহজনক 'You are a fool' বুলি অভিহিত কৰি পিছমুহূৰ্ত্তত তেওঁক 'You are a wise man' বুলি কওঁ, তেন্তে এই দুয়োটা প্ৰক্ৰিয়া একে প্ৰতিক্ৰিয়া হ'বনে বেলেগ প্ৰতিক্ৰিয়া হ'ব ?' – এই প্ৰশ্ন দুটা মোৰ কাণত এতিয়াওঁ বাজি থাকে । মোৰ পৰা উপযুক্ত সমিধান নাপাই ছাৰে ক'লে যে ব্যক্তি বিশেষে প্ৰতিক্ৰিয়া বেলেগ বেলেগ হ'ব । কিন্তু স্বাভাৱিক সংখ্যাৰ ক্ষেত্ৰত $3x4=12=4x3$ কথাষাৰ সত্য ।

তেখেতে ১৯৩৪ চনত Ph.D. আৰু ১৯৩৭ চনত D. Sc. ডিগ্ৰী লাভ কৰিছিল 'লণ্ডন বিশ্ববিদ্যালয়ৰ' পৰা । ড০ শেঠেই সম্ভৱতঃ এনে এজন গণিতজ্ঞ যি আটাইতকৈ বেছি দেশ ভ্ৰমণ কৰিছে । তেখেতে প্ৰায় ডেৰকুৰিমান দেশলৈ আশীবাৰতকৈ অধিক গণিতৰ বক্তৃতা দিবলৈ গৈছিলে ।

এনে এজন মহান গণিতজ্ঞৰ বিষয়ে সকলো কথা বৰ্ণনা কৰাটো মোৰ বাবে সম্ভৱ নহ'ব । এইজনা গণিতজ্ঞই ১৯৭৯ চনৰ ১২ ডিচেম্বৰত ইহসংসাৰ ত্যাগ কৰে । তেখেতৰ বিয়োগত গণিত জগতৰ এক অপূৰণীয় ক্ষতি সাধন হয় । ✧✧


**সহায়ক গ্ৰন্থ ঃ—**

*Fascinating world of Mathematical Sciences (Vol. II) by J.N. Kapur.*

# যন্ত্ৰৰ বোকোচাৰে দিনটো

সদানন্দ দত্ত
প্ৰৱক্তা, পদাৰ্থ বিজ্ঞান বিভাগ

মানৱ-সভ্যতাৰ উত্তৰণ ঘটি কালক্ৰমত এনে এটি পৰ্য্যায় পাইছেহি যে, আমি মাথোন এটি বস্তু আৰু তাৰ ভিন্ন ভিন্ন ৰূপৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছোঁ। সেই বস্তু বুজুৱা শব্দটো হৈছে মেচিন বা যন্ত্ৰ। মানুহৰ কামত সহায় কৰিবলৈ মানুহৰ দ্বাৰা নিৰ্মিত হৈছে এই যন্ত্ৰ। ইয়াৰ প্ৰভাৱ মানুহৰ ওপৰত ইমান অধিক হ'ল যে এতিয়া ই চাপৰিলে মেঘ নেৰাই বিধৰ হ'ল।

এতিয়া আমি চাওঁচোন আমিনো দৈনন্দিন জীৱনত কেনেকৈ এই যন্ত্ৰৰ ওপৰত নিৰ্ভৰশীল হৈছোঁ। বিছনাৰ পৰা ৰাতিপুৱা খকা-মকাকৈ উঠি বেৰত আঁৰি থোৱা গড়ীটো চকুত পৰে। ই আমাৰ সময় জোখা যন্ত্ৰ। বিছনাৰ পৰা নমা ভৰি কেইটাই চেন্দেলযোৰ বিচাৰে আৰু শৌচাগাৰ প্ৰেস্ৰাৱাগাৰলৈ ঢাপলি মেলিলে। এই চেন্দেলযোৰ, প্ৰেস্ৰাৱাগাৰ বা শৌচাগাৰত ব্যৱহৃত হোৱা বিভিন্ন অংশবোৰ, চাবুন, চাবুন ৰখা সঁজুলি, দাঁত মজা ক্ৰিম, দাঁত মজা ব্ৰাচ, দাড়ি কটা সা-সৰঞ্জাম, আৰু মুখত ঘঁহা প্ৰসাধন সামগ্ৰীবোৰ যন্ত্ৰই দিয়া অৱদান মাথোন।

ৰাতিপুৱাৰ এই নৈমিত্তিক কাৰ্যৰ পিচত খোৱা-বোৱা চিন্তা কৰোঁ। পাকঘৰত ব্যৱহাৰ কৰা বাচন-বৰ্তনবোৰ খোৱা কোঠাত ব্যৱহাৰ কৰা কাপ-প্লেট-গিলাচ আদি সকলোবোৰ জানো মেচিনৰ দ্বাৰা উৎপাদিত নহয়? বিশুদ্ধ এগিলাচ ঠাণ্ডা পানী খাবলৈ ব্যৱহাৰ কৰা ফিল্টাৰটো যন্ত্ৰৰ অৱদান। ফ্ৰিজটো নিজেই এটি যন্ত্ৰ। পুৱাৰ লঘূ আহাৰৰ নামত ব্যৱহাৰ কৰা চাউল বা আটাৰ গুৰি, চাহপাত, কফি, বিভিন্ন বিস্কুট যন্ত্ৰৰ চেঁপা খাই সৃষ্টি হোৱা পদাৰ্থ। চেনী, নিমখ মা-মছলা ইত্যাদিও এই যন্ত্ৰৰ দ্বাৰাই উৎপাদিত সামগ্ৰী মাথোন।

সভ্য মানুহৰ অন্য এটি সমস্যা, বসন বা কাপোৰৰ দ্বাৰা সমাধান কৰা হয়। সূতা কটা যন্ত্ৰ, কাপোৰ বনোৱা যন্ত্ৰ আৰু কাপোৰ চিলোৱা যন্ত্ৰৰ সহায়ত মানুহৰ এই সমস্যা কেৱল সমাধানেই হোৱা নাই, ই হৈ পৰিছে আধুনিক সভ্যতাৰ সৌন্দৰ্যৰ দাতা।

খাই-বৈ উঠি দূৰণিত থকা কৰ্মস্থলীলৈ আৱামেৰে যাবলৈ আকৌ প্ৰয়োজন হ'ব এই যন্ত্ৰ। এখন চাইকেল, স্কুটাৰ, মটৰ চাইকেল, মটৰ গাড়ী, বাছ, ৰেল বা উৰাজাহাজ যি নামেৰেই নামাতো কিয়; এইবোৰ যন্ত্ৰৰ দ্বাৰা নিৰ্মিত বা স্বয়ং সম্পূৰ্ণ একোটাইত যন্ত্ৰ। কাৰ্যালয়ত ব্যৱহাৰ কৰা কাগজ, কলম পেঞ্চিল ইত্যাদি সামগ্ৰীবোৰ, আৱামেৰে বহিব পৰা যোগানবোৰ, শীতল বা দিয়া ফেনখন নহলে উকা উকা নহ'ব নে? দূৰণিত থকা ব্যক্তিৰ লগত কথোপ-কথন, কৰিব পৰা টেলিফোনটো, খৰকৈ হিচাব কৰা কেলকুলেটৰটো, খৰকৈ লিখিব পৰা টাইপ ৰাইটাৰটো, খৰকৈ কপি কৰা জেৰক্সটো নহলে আধুনিক কাৰ্যালয় এটা স্বয়ংসম্পূৰ্ণ হ'ব জানো? আধুনিক যুগৰ প্ৰধান হাথিয়াৰ কম্পিউটাৰৰ কথা নকলোৱেই বা।

দিনটো কামত ব্যস্ত থকাৰ পিচত অকণমান মানসিক অৱসাদ দূৰ কৰাৰ হেতু টেলিভিচন, ৰেডিঅ', টেপৰেকৰ্ডাৰ বা ভিচিআৰটো ব্যৱহাৰ নকৰিলে হ'ব জানো? ইহঁত প্ৰত্যেকেই একোটাহ'ত যন্ত্ৰ। কমব্যস্ত দিনটোৰ পিচতো কামৰ অন্ত নাই। সেইবাবে আন্ধাৰৰ





লগত সংগ্ৰাম কৰিবলৈ আমাক লাগে বিজুলী। অন্য এঠাইত যন্ত্ৰৰ দ্বাৰা সৃষ্টি কৰা বিজুলী প্ৰৱাহিত তাঁৰৰ মাজেৰে আহি আমাৰ ঘৰৰ ভিতৰ পালেহি। আমাৰ সুখৰ বাবেই বিজুলী পাংখা, এয়াৰ কণ্ডিচনাৰ বা পানী গৰম কৰা যন্ত্ৰ আদি অনেক যন্ত্ৰৰ আগমন। ইহঁতৰ সেৱা গ্ৰহণ কৰি আমি নিজেই ধন্য হৈছোঁ।

দিনটোৰ কাম কৰি ভাগৰুৱা হোৱা দেহা-মন জুৰ পেলাবলৈ বিশ্ৰামৰ প্ৰয়োজন হয়। নিদ্ৰাদেৱীৰ শীতলী কোলা বুলি যিখন বিছনাত দীঘল দি পৰি শান্তি সুধা পান কৰা হয়, সেই শেতেলীখনো কাঠফলা যন্ত্ৰ বা লো-তীখা সৃষ্টি কৰা যন্ত্ৰৰ অৱদান। নিদ্ৰাৰ সময়ত বিচি থাকিবলৈ ব্যৱহাৰ কৰা ফেন খন বা জাৰ খেদোৱা কাপোৰ খিনিও যন্ত্ৰৰ দ্বাৰাহে নিৰ্মিত।

এতিয়া আমি দিনটোৰ থূলমূল আভাস এটিৰ যোগেদি ভালদৰেই বুজিপোৱা হলো যে, আমি এনে এটি সভ্যতাৰ বোকোচাত উঠি আছোঁ, য'ত 'যন্ত্ৰ' নামৰ বস্তু বিধৰ প্ৰভাৱ অপৰিসীম। পিচে পৰিতাপৰ কথা, আমাৰ পৰিৱেশ এনে নিয়ন্তৰতেই আছে, য'ত বিজ্ঞান বুলিলে সাধাৰণ মানুহ উচপখাই উঠে, শিক্ষিত এচামে বিজ্ঞান বুলিলে সমীহ কৰি চলে বা অনীহা প্ৰকাশ কৰে। পিচে এই সকলো শ্ৰেণীয়েই জ্ঞাত বা অজ্ঞাতসাৰেই বিজ্ঞানৰ এই "যন্ত্ৰ"ৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহৰ ফলভোগ কৰি আছে। এই যন্ত্ৰৰ বিপক্ষে মাত মাতিব পৰা কোনো প্ৰাণীৰ অস্তিত্ব আধুনিক সভ্যতাত কল্পনাই কৰিব নোৱাৰি। যদি তেনে প্ৰাণী কোনোৱা আছে, তেনেহলে সম্ভৱ নহলহেতেঁন- যেনে ধৰক, মই যাৰ সহায়ত লিখি আছোঁ, যাৰ মাধ্যমত লিখি আছোঁ আৰু যি পদ্ধতিৰে আপোনাৰ ওচৰ পাবগৈ সেই প্ৰেচ নামৰ মেচিনটো আপুনিও পঢ়িব নোৱাৰিলেহেঁতেন, মইও লিখিব নোৱাৰিলোহেঁতেন। গতিকে সকলোৰে কোৱাহে যুগুত-যন্ত্ৰ জিন্দাবাদ। ✧✧

*With Best Compliments From :—*

*Phone - 5609*

KE MS. KALITA ENTERPRISE

*Oil Regd. Civil Contractor, Building Construction & Transport Supplier*

KAMALABARI ROAD
P. O. DULIAJAN - 786 602

গল্প

# নায়িকা

*ব্ৰজেন নিৰ্ম্মলীয়া*
অৱসৰ প্ৰাপ্ত অধ্যাপক
দুলীয়াজান মহাবিদ্যালয়

কলেজৰ পৰা ঘৰলৈ বুলি বাওনা হওঁতে সেইদিনা বাটত কথাযাৰ পোনতে মোক কৈছিল মালবিকাই। মোৰ বিষয়ে মানুহৰ মাজত সঁচাই-মিছাই প্ৰচাৰ হোৱা কথাবোৰ শুনাৰ ধৈৰ্য্য নাছিল যদিও জনাৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি শুনি গৈছিলো নীৰৱে। কথাবোৰ শুনি শুনি এক অবৰ্ণনীয় ভয় আৰু আশঙ্কাত মোৰ সৰ্ব্ব শৰীৰ কঁপি উঠিছিল সঘনে। তথাপি মালবিকাৰ আগত অকণো দুৰ্ব্বলতা প্ৰকাশ নকৰি লাহে লাহে খোজ দিছিলো ঘৰলৈ। শেষত নীৰৱে প্ৰতিবাদ কৰি মাত্ৰ কৈছিলো - জানা মালা ! মোৰ বিষয়ে মানুহে কোৱা সকলো কথাই মিছা, তুমি বিশ্বাস নকৰিবা।

ঘৰলৈ গৈ টেবুলত কিতাপজাপ পেলাই থৈ বিছনাত বহি পৰিছিলো। খোৱা-বোৱাৰ কথা মনলৈকে অহা নাছিল। ইমান বেয়াকৈ কথাবোৰ প্ৰচাৰ হৈছে বুলি আগতে মই গম পোৱা নাছিলো। তাৰ পৰা কাৰ কি লাভ হৈছিল নাজানো; কিন্তু মোৰ চৰিত্ৰৰ ওপৰতয়ে চেকা পৰিছিল ই সত্য। কলেজত আৰু চহৰখনৰ অংশ বিশেষে মোৰ বিষয়ে প্ৰচাৰ হোৱা কথাবোৰ যেন কিছুমান মানুহৰ মুখৰোচক গল্পত পৰিণত হৈছিল। কথাবোৰ মনতে পাগুলি মই আকাশ-পাতাল গুণি ভাগৰি পৰিছিলো। কি কৰো নকৰো হঠাতে একো ঠাৰৰ কৰিব নোৱাৰি নিৰুপায় হৈ গাৰুৰ ওপৰতে মূৰ গুজি কান্দি পেলাইছিলো। এটি নীৰৱ কান্দোন বেদনাসিক্ত দুধাৰি চকুলোৰ মাজেদি বাগৰি আহিছিল গোপনে।

কিছুমান খেলিমেলিৰ ভাৱে মনটোক আগুৰি ধৰিছিল। ভাবিছিলো, মোকলৈ কলেজত তেনেহলে ভাল গল্প-গুজৱ চলিছে। মোৰ অজ্ঞাতে বহুতে চাগৈ মোক হাঁহি আনন্দ পাইছে। মোৰ লগৰে বহুতো বান্ধৱীৰ হয়তো পেটে-পেটে মোৰ প্ৰতি ঈৰ্ষাৰ ভাৱ জাগিছে। আজি কিছুদিনৰ পৰা ৰুণু-ৰঞ্জিতাইঁতে মোৰ প্ৰতি বৰ্ষণ কৰা বিদ্ৰূপৰ বাণবোৰ তেনেহলে ইয়াৰেই পৰিণতি নিশ্চয়। হয়তো আহিব লগা দিনবোৰত আৰু বহুতো ঠাট্টা-ইতিকিঙৰ সন্মুখীন হবলৈ মই নিজকে সাজু কৰি তুলিব লাগিব। হয়তো কোনোবাই মোক মোৰ অজানিতে আজি কিছুদিনৰ পৰা গল্পৰ নায়িকাৰ ৰূপত সজাইছে আৰু ময়ো চাগৈ সেই ভূমিকাত মোৰ অজ্ঞাতে ভাও দি আহিছো নীৰৱে।

কথাবোৰ ভাবি ভাবি বিছনাত বাগৰি দিওঁতে বেয়া লগা মনটো বেছিকৈ বেয়া লাগি গধুৰ হৈ পৰিছিল আনক দোষীবলৈ নগৈ নিজৰ ভাগ্যৰ ওপৰতে দোষ দিয়াৰ বাদে অন্য মোৰ কোনো উপায় নাছিল। সুৰুযৰ মুখত সোপা দিয়া জানো সহজ? মোৰ কথা গাই-বাই ইতিকিঙৰ সুৰত কোনোবাই হাঁহিব আৰু মই গভীৰ বেদনাত ধূপৰ দৰে নীৰৱে জ্বলি শেষ হৈ যাম, ইয়ো জানো সম্ভৱপৰ ? কিন্তু এই যাতনাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় জানো মোৰ কিবা আছে ? এৰা, কিছুমান মানুহৰ পৰচৰ্চ্চা কৰা স্বভাৱ আৰু চকুৰ পোৱণি কিয় মই বুজি নাপাওঁ।

আশাৰ তুলিকাৰে হৃদয়-ফলিত মনে যি কল্পনাৰ ৰঙীণ ছবি আঁকে, বিধিয়ে কেতিয়াবা এটি অবুজ শিশুৰ দৰে সেইবোৰ হাঁহি হাঁহি মচি পেলায় অতি সংগোপনে। তেতিয়া মোৰ দৰে সাধাৰণ মানুহে শোকৰ সাগৰত হেৰাই যোৱাৰ বাদে কৰিবলৈ একো উপায় নাথাকে। মনটোক পাতলাবলৈ বুলি নিৰ্ব্বাক-নিস্তব্ধ হৈ কিছুপৰ বিছনাত পৰি থাকোতে বেদনাপূৰ্ণ মনটোৱে কিন্তু ভাৱৰ ৰাজ্যলৈহে ঢাপলি মেলিছিল বেছিকৈ। নিজতকৈয়ো বৰুৱা চাৰৰ কথা ভাবি মোৰ বেছিলৈ বেয়া লাগিছিল মোৰ বাবে যদি এজন গুণীমানী কলেজৰ শিক্ষকে লাজ-অপমান সহ্য কৰিবলগীয়া হয়, নিজৰ সকলো হেৰুৱাব লগীয়া হয় তেনেহলে সেয়া কম পৰিতাপৰ কথা নহবনে ? চাৰে যদি ইতিমধ্যে কথাবোৰ গম পাইছে কি হ'ব বাৰু তেতিয়া ? সীতাৰ দৰে পৃথিৱী ফালি পাতালত প্ৰৱেশ কৰিব পৰাহেঁতেনতো কথাই নাছিল। কথাবোৰ ভাবি ভাবি লাজত আৰু ভয়ত কাপোৰেৰে মুখখন ঢাকি লৈ নিজৰ ভিতৰতে প্ৰশ্নৰ উত্তৰ বিচাৰোঁতে মনটো হঠাতে উৰা মাৰিছিল অতীতৰ কিছুমান মধুৰ ক্ষণলৈ।

মৰম লগাকৈ কোমল মাতেৰে ভাষাৰ বহণ সানি হাঁহি হাঁহি শ্ৰেণীত কবিতা পঢ়োৱা আৰু বক্তৃতাৰ উপযুক্ত পৰিৱেশনৰ দ্বাৰা ল'ৰা ছোৱালীৰ মন সহজে আকৰ্ষণ কৰিব পৰা অসমীয়া প্ৰফেচাৰ বৰুৱা চাৰৰ প্ৰতি বহুতৰ লগতে ময়ো ডিগ্ৰীৰ প্ৰথম বাৰ্ষিকত ভৰ্ত্তি হোৱা দিন ধৰি সাধাৰণ ভাৱে আকৰ্ষিত হৈছিলো। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভাল শিক্ষক বুলি তেওঁৰ এটা সুনাম আছে। মধুৰ ব্যৱহাৰ আৰু মৰম লগা কথা-বাৰ্ত্তাৰে ছাত্ৰ-ছাত্ৰীক মুহিব পৰা তেওঁৰ এটা গুণ আছে। ছাত্ৰ-ছাত্ৰীক বন্ধু-বান্ধৱীৰ ৰূপত গ্ৰহণ কৰিব পৰা ক্ষমতা চাৰৰ আছে আৰু কোনো ভেদাভেদ নাৰাখি সকলো ছাত্ৰ-ছাত্ৰীকে সমানে সান্নিধ্য দিব পৰা সাহস তেওঁৰ আছে। এনেবোৰ সৎ গুণৰ অধিকাৰী আমাৰ প্ৰিয় চাৰৰ প্ৰতি এদিন মই কব নোৱাৰাকৈয়ে এক স্বাভাৱিক আকৰ্ষণ অনুভৱ কৰিছিলো। দিন বাগৰি যোৱাৰ পিছত সিয়েই এদিন ক্ৰমানুয়ে গভীৰৰ পৰা গভীৰতৰ ৰূপত মোৰ মনত প্ৰতিফলিত হৈছিল। তাৰেই পৰিণতিত ব্যক্তিগত ভাৱে মানুহজনৰ লগত চিনাকি হবলৈ মোৰ মনটোৱে বৰকৈ ব্যগ্ৰ হৈ উঠিছিল।

ক্লাচত লগ পোৱাৰ উপৰি ব্যক্তিগত ভাৱে চাৰৰ সান্নিধ্য লাভ কৰিবলৈ মই প্ৰথম সুযোগ পাইছিলো এবাৰ কলেজ সপ্তাহৰ এটি মোৰ বাবে চিৰ স্মৰণীয় সাংস্কৃতিক সন্ধিয়াত। তেতিয়া অলপ পিছতে হব লগীয়া নাট্য প্ৰতিযোগিতাৰ বাবে আয়োজন চলিছে। ল'ৰা-ছোৱালীৰে কলেজৰ চৌহদ ভৰি পৰিছে। এটি উৎসৱমুখৰ পৰিৱেশ বিৰাজমান। প্ৰতিযোগিতাত যোগদান কৰিবলৈ বুলি কৰা এখন নাটকৰ আখৰা সামৰি মই ওলাই আহিলো বাহিৰলৈ। বাৰান্দাইদি কিছু দূৰ আগুৱাই আহি শিক্ষকৰ জিৰণি কোঠালৈ ভূমুকি মাৰোঁতে দেখিলো বহিঃ খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক বৰুৱা চাৰ খেলত বিজয়ী হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰমাণ পত্ৰ লিখাত ব্যস্ত। প্ৰতিযোগিতাৰ বাবে কৰা আয়োজনৰ ব্যস্ততাৰ মাজতো ক্ষন্তেকৰ বাবে হলেও চাৰক লগ ধৰিবলৈ মোৰ মনটো উচপিচাই উঠিল। পিন্ধি থকা পাটৰ বগা মেখেলা-চাদৰযোৰ আৰু দীঘল হাতৰ বগা চুৰেটাৰটো চাই-চিতি কিছু ঠিক কৰি লৈ শকুন্তলাই পতি গৃহলৈ কৰা যাত্ৰাৰ ন যযৌ ন তস্থৌ গতিৰে লাহে লাহে খোজ আগবঢ়াই দিলো চাৰৰ কাষলৈ। এহাতে চাৰৰ লগত চিনাকি হবলৈ থকা প্ৰবল হেঁপাহ আৰু আনহাতে কাষ চাপিবলৈ লগা কিবা ভয় আৰু লাজ মিহলি এক মানসিক উত্তেজনাৰ দোমোজাৰ মাজতো কি এটা আকৰ্ষণে জানো মোক টানি নিব পাৰিছিল মই নিজেই বুজা নাছিলো। কাষলৈ গৈ এটা মিচিকিয়া হাঁহিৰে মই তেওঁৰ মুখলৈ চাওঁতে চিনাকি অথচ অচিনাকি ভাৱৰ মিশ্ৰিত চাৱনিৰে মোলৈ চাই প্ৰথমে তেওঁ মোৰ নামটো সুধিলে। তাৰ পাছত টিপলিঙৰ নলনী পথাৰ গাঁৱত আমাৰ ঘৰ বুলি মই ঘৰৰ ঠিকনা দিলো। লগতে কলো, আমি অৱশ্যে এতিয়া অইল ইণ্ডিয়াৰ আৱাসিক অঞ্চলৰ কোৱাৰ্টাৰতহে থাকো। দেউতাই অইলত চাকৰি কৰে। মোৰ উপাধিটো শুনি আমি কৈৱৰ্ত মানুহ নেকি বুলি পুনৰ সুধিলে। কাৰণ, টিপলিঙৰ নগাওঁ, নলনী পথাৰ আদি অঞ্চলত কৈৱৰ্ত্ত আৰু চিলতীয়া বেঙ্গলী মানুহ বাস কৰে বুলি তেওঁ জানে। তাৰ উত্তৰত আমি বেঙ্গলী মানুহ বুলি কোৱা দেখি চাৰে হাঁহি মাৰি মোলৈ মৰম লগাকৈ চালে। মই পিন্ধি থকা চাদৰ-মেখেলাযোৰ দেখি চাৰে কলে, বেঙ্গলী ছোৱালীৰ গাত অসমীয়া সাজ-পাৰ, বেছ ধুনীয়া লাগিছে তোমাক। কাপোৰযোৰে ধুনীয়াকৈ শুৱাই পৰিছে। শৰতৰ কালৰ জলহীন শুভ্ৰ মেঘৰ দৰে, সৈন্ধৱ পৰ্ব্বতৰ দৰে আৰু শুভ্ৰ কমোৱা তুলাৰ সদৃশ ৰূপত সুন্দৰীৰ সৌন্দৰ্য্য প্ৰকাশ পায়। আজিৰ এই শৰতৰ হিমসনা সন্ধিয়াটোত বগা সাজ পিন্ধা তোমাক মোৰ শৰত কুঁৱৰী বুলি কল্পনা কৰিবলৈ মন গৈছে। চাৰৰ কথা শুনি লাজত ৰঙা পৰি তলমূৰ কৰিলো। তাৰ পাছত কৰি গনেশ গগৈৰ এফাকি কবিতাৰে মই তেওঁক লগ ধৰাৰ কাৰণ সুধিলে - কোৱাচোন, হেমন্তৰ হিমে ধোৱা আকাশ ওৰণি টানি আজিনো আহিলা সখি কাক চাবলৈ। মই কি কম ? লাজত ৰঙা পৰা মুখখনিৰে





প্ৰজ্ঞাজ্যোতি

এমুকুৰা হাঁহি লৈ, মনত মৰমৰ এটি মিঠা আমেজ লৈ এনেয়ে বুলি কৈ চাৰৰ পৰা বিদায় ললো সিদিনালৈ। বেছ ৰসিক আৰু কৰি মানুহ চাৰ প্ৰথম দিনাৰ সেই সান্নিধ্যই মোৰ মনটোক বহুত দিনলৈ মিঠা কৰি ৰাখিলে। তাৰ পাছত ক্ৰমানুয়ে মোৰ মনটোক তেওঁ কাষলৈ টানি নিলে ।

চাৰৰ লগত চিনাকি হোৱাৰ অন্তৰালত মোৰ এটি ক্ষুদ্ৰ স্বাৰ্থও আছিল । সেইটো হৈছে মোক অসমীয়া অনাৰ্চত কিছু ব্যক্তিগত ভাৱে সহায় কৰি দিয়া । চাৰক ভাল লগাৰ বাবেই হেঁপাহেৰে অসমীয়াত অনাৰ্চ লৈছিলো । ভাৱিছিলো, তেওঁৰ ক্লাচবোৰ বেছ ভাল লাগিব ? কিন্তু সিদিনা দেখোন মই কথাষাৰ কব খুজিও কব নোৱাৰিলো । চিনাকি হোৱা সময়ৰ মুহূৰ্তবোৰ কেতিয়াযে শেষ হৈ গ'ল গমকে নেপালো । মোৰ স্বাৰ্থ সিদ্ধি নহলেও মোৰ ভাল লগা চাৰক সেইদিনা নিচেই কাষৰ পৰা কিছু বুজিবলৈ সুবিধা পালো । সাধাৰণতে শ্ৰেণীত দেখা পোৱা মানুহজনতকৈ সেইদিনা তেওঁক মোৰ বহুত বেছিকৈ ভাল লাগি গৈছিল । সহজ-সৰল, অমায়িক অথচ হাঁহি মুখৰ ৰসিক চাৰৰ ব্যক্তিত্বত মুগ্ধ নহৈ নোৱাৰিলো । প্ৰথমতে শ্ৰদ্ধা কৰিবলৈ শিকা মানুহজনক সেইদিনাৰপৰা যেন মোৰ মৰম কৰিবৰহে মন গৈছিল । মুঠতে সিদিনাৰ শাৰদী সন্ধিয়াটোত শেৱালিৰ সুবাসে আকুল কৰা মোৰ মনটোক কলেজতে এৰি থৈ নিশাৰ সাংস্কৃতিক অনুষ্ঠান চাই অকলশৰে আহি ঘৰ পালোহি ।

সেইদিন ধৰি কলেজত তেওঁক দেখা পালে মোৰ ভাল লাগে । দেখিলেই মই মাতো । এটি মিঠা হাঁহিৰে সম্ভাষণ জনাওঁ । হাঁহিৰে উত্তৰ দিয়ে চাৰেও । শ্ৰেণীত আগৰ বেঞ্চত বহি তেওঁৰ বক্তৃতা শুনো । কৰিতা আৰু গীত লিখা মানুহজনৰ কথাবোৰেই মোৰ কৰিতা কৰিতা যেন লগা হ'ল। শুনি ভাল লাগে । তেতিয়া মনটোৱে কোনোবা সপোন পুৰীলৈ উৰা মাৰিব খোজে । দুদিনমানৰ পিছতে এই মৰম লগা মানুহজনক আমাৰ ঘৰলৈ যাবলৈ অনুৰোধ কৰি পেলালো । তেওঁ সন্মতি জনালে । তেতিয়া মনত এনে এটা মিঠা আনন্দৰ ভাৱৰ শিহৰণ খেলি গ'ল যে সি যেন এতিয়াও মনৰ কোনোবা কোণত নীৰৱে জীৱন্ত হৈ লাগি আছে । তাৰ পাছত সৰস্বতী পূজাৰ দিনা চাৰক আমাৰ ঘৰলৈ লৈ গলো সন্ধিয়া বেলালৈ কলেজৰ পৰা ওলাই গেছ কোম্পানীৰ মাজেদি পাৰ হৈ যোল্ল নম্বৰ তিনিআলিৰ পৰা কমলাবাৰী পথেৰে লাহে লাহে হাঁহি হাঁহি কথাপাতি খোজ দিলো পুৱণি ডাকঘৰৰ কাষৰ অইলৰ এ টাইপৰ আমাৰ আবাস গৃহলৈ । এটা দীঘলীয়া পদযাত্ৰা হাঁহিৰে শেষ হ'ল । বহুতো মৰম লগা কথা, হাঁহি-মাত আৰু মাজে মাজে দিয়া সাৰগৰ্ভ উপদেশেৰে চাৰে মোৰ হৃদয় জুৰাই পেলালে । সন্ধিয়াৰ সেই মনৰ মিঠা আমেজসনা পদযাত্ৰাটো মোৰ জীৱনৰ এটি অবিস্মৰণীয় ঘটনা হৈ ৰৈ গ'ল । এনে হেন লাগিছিল যেন সেই অনাবিল আনন্দমুখৰ পদযাত্ৰাটো যদি কেতিয়াও শেষ নহলহেঁতেন কিযে ভাল লাগিলহেঁতেন তেতিয়া; কিন্তু মই কব নোৱাৰাকৈয়ে সেই যাত্ৰাৰ অন্ত পৰিল পদুলি মুখৰ শেৱালিজোপাই আমাক ভিতৰলৈ নিমন্ত্ৰণ জনালে । মই যেন সপোন পুৰীৰ পৰা তেতিয়াহে বাস্তৱৰ জগতখনলৈ ঘূৰি আহিলো । ঘৰত সোমাই পোনকোবেই চাৰক মাৰ লগত চিনাকি কৰি দিওঁতে তেওঁৰ গুণ-গান গাই গৌৰৱবোধ কৰিলো । চাৰে মধুৰ কথা আৰু ব্যৱহাৰে সকলোকে আপোন কৰি পেলালে ।

মানুহ মাত্ৰেই স্বাৰ্থপৰ । কিবা স্বাৰ্থ সিদ্ধিৰ আশাত দুচকুত ৰঙীন সপোন লৈ আমি জীৱন সংগ্ৰাম চলাই প্ৰতিদিনে আগবাঢ়ি গৈ আছো । মনে বিচৰা কিবা বস্তু পোৱাতকৈ পোৱাৰ হেঁপাহত আগবাঢ়ি গৈ থকাত আনন্দ আছে । মোক অনাৰ্চ কোৰ্চত ব্যক্তিগতভাৱে পঢ়াই সহায় কৰি দিবলৈ চাৰে গাতলৈ মোৰ স্বাৰ্থ পূৰণ কৰিলে । চাৰে কলে, বেঙ্গলী ছোৱালীয়ে অসমীয়াত অনাৰ্চ লব, অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন কৰিব বৰ ভাল কথা । মোৰ শিক্ষক জীৱনৰ অসমীয়াত অনাৰ্চ লোৱা তুমিয়েই হবা প্ৰথম গৰাকী অনা-অসমীয়া ছাত্ৰী । চিৰ চেনেহী মোৰ ভাষা জননীৰ বেদীৰ পূজাৰী হিচাপে তোমাক যথাৰ্থ ৰূপত গঢ়ি তুলিবলৈ মই প্ৰতিশ্ৰুতিবদ্ধ হলো । এটা মহৎ উদ্দেশ্যত তোমাৰ বাবে মই ত্যাগ স্বীকাৰ কৰিম । চাৰৰ কথা শুনি অবাক হলো । চাৰৰ উৎসাহত গভীৰ আন্তৰিকতা দেখা পালো । চাৰৰ চৰিত্ৰত আদৰ্শৰ চাপ অনুভৱ কৰিলো । চাৰযে ইমান মহান ত্যাগী পুৰুষ, ইমান নিঃস্বাৰ্থপৰ । নিজে লোৱাতকৈ আনক বিলাই দিয়াতো আনন্দ আছে । সঁচাকৈয়ে তেওঁক কলিযুগৰ দধীচি যেন অনুভৱ হ'ল । স্বাৰ্থপৰ মানুহৰ বিপৰীতে বিশাল আকাশৰ দৰে উদাৰ ব্যক্তিওযে আমাৰ





মাজতেই জীয়াই আছে সেইকথা সিদিনাহে বিশ্বাস কৰিবলৈ মন গ'ল ।

চাৰৰ অনুপ্ৰেৰণাৰে পৰিপূৰ্ণ মনটো লৈ পঢ়া আৰম্ভ কৰিলো। শিক্ষক হিচাপে তেওঁ দিব পৰাখিনি মই বিচৰামতেই দিলে। তাতোকৈ সাধাৰণতে শ্ৰেণীত লগ পোৱা বৰুৱা চাৰক নিচেই কাষতে পাই তেওঁৰ মাজতে লাহে লাহে আৱিষ্কাৰ কৰিলো এজন মোৰ চিৰ চিনাকি অতি আদৰৰ আৰু অতি আপোন মানুহ । তেওঁৰ মৰমেৰে ভৰা এখন হৃদয় আৰু প্ৰকৃততে উদাৰ আন্তৰিকতাৰ উমান পাই মুগ্ধ হলো । লগতে তেওঁৰ গভীৰ মৰমত ডুব যাব খোজা চিত পখিলাৰ দৰে উৰণীয়া মোৰ মনটোক ক'ৰবাত হেৰুৱাই ৰিক্ত হলো নিজৰ অজানিতে। মৰম লগাকৈ অমায়িক মাত-কথাৰে যেতিয়া ঘৰত নিচেই কাষতে বহি চাৰে পঢ়াবলৈ আৰম্ভ কৰে তেতিয়া তাৰ মাজতেই মই যেন কেতিয়াবা হেৰাই যাবলৈ উপক্ৰম কৰোঁ । হঠাৎ আকৌ সচেতন হৈ ধৰা পৰিছো নেকি বুলি ভাবোতে মই নিজেই নিজৰ ওচৰতে লজ্জিত হওঁ ।

প্ৰিয়জনক দেখা পোৱাৰ হেঁপাহ আৰু অপ্ৰিয়জনক দেখাৰ বেদনা সমানেই গভীৰ । এই উভয় কাৰণতে সৃষ্টি হোৱা মনোকষ্ট সহ্য কৰা বৰ কঠিন । প্ৰায়েই আবেলি এক নিৰ্দিষ্ট সময়ত চাৰ অহালৈ হেঁপাহেৰে বাট চাওঁ । অহাৰ সময়ৰ ব্যতিক্ৰম হলেই আমনি লাগে । এটা পাৰ নোহোৱা দুখৰ ৰাতিৰ দৰে সেই আমনিৰ সময়খিনি মোৰ বাবে সহ্যৰ অতীত হৈ পৰে । ঘড়ীটোলৈ বাৰে বাৰে চকু ফুৰাই লাহেকৈ পৰ্দ্দাৰ ফাঁকেদি চাই পঠাও বহু দূৰণিলৈ। আমাৰ ঘৰৰ কাষৰ পৰা গৈ দুলীয়াজান-তিনিচুকীয়া পথত সংযোগ ঘটা পথটোৰেদি লাহে লাহে মোৰ দৃষ্টি আগবাঢ়ে চাৰৰ সন্ধানত আগলৈ । আশা-নিৰাশাৰ মাজেৰে কিছুপৰ তন্ময় হৈ চাওঁ । দেখা পালে এক বুজাব নোৱাৰা অনাবিল আনন্দত মন-প্ৰাণ নাচি উঠে বহুত আশাৰে পাবলৈ বাট চাই থকা বস্তু এটা হঠাৎ আহি হাতত পৰিলে যেনেকৈ ভাল লাগে ঠিক তেনেকৈ । অহাৰ সময় পাৰ হলেই নিৰাশাত ভাগি পৰো । এক বুজাব নোৱাৰা অভিমানেৰে অন্তৰ ভৰি পৰে। কিয় বাৰু এই আকৰ্ষণ ? মই নাজানো । যৌৱনৰ কেইটামান বসন্ত পাৰ হওঁতেই বহাগী বৰদৈচিলাই কোবাই ব্যতিব্যস্ত কৰি তোলা মোৰ এই অৱস্থাটো জীৱনৰ প্ৰথম অভিজ্ঞতাৰ ফল । মই ষাৰু তেওঁক কিয় ইমান ভাল পাওঁ? কি বিচাৰিছে বাৰু মোৰ অন্তৰে তেওঁৰ ওচৰত ? তেন্তে মই সঁচাকৈয়ে চাৰৰ প্ৰেমত পৰা নাইতো ? ধেৎ, ই জানো সম্ভৱ হ'ব পাৰে ? তেওঁ মোৰ পূজ্যজন । তেওঁ মোৰ বাবে আকাশৰ জোন; তেওঁক ঢুকি নাপাওঁ আৰু পোৱাৰো কামনা নকৰোঁ । তথাপি তেওঁৰ মৰমৰ জোনাকত কিয় জানো মোৰ জুৰ লবলৈ মন যায় । এয়া মোৰ দোষ নে ভুল নিজেই ঠাৱৰ কৰিব নোৱাৰো ।

দিন বাগৰিল । চাৰৰ লগত থকা মোৰ সম্পৰ্কৰ কথা কলেজত বিকৃত ৰূপত লাহে লাহে প্ৰচাৰ হ'ল । প্ৰচাৰ কাৰ্য্যত মোৰ বান্ধৱীহঁতে আগভাগ ললে প্ৰথমে । মই যেন পাতৰ ভাত কাঢ়ি খোৱাতকৈয়ো ডাঙৰ অপৰাধ কৰিলো সিহঁতৰ ওচৰত । তাৰ পাছত সৰু চহৰখনৰ চুকে-কোণে লাহে লাহে বনজুইৰ দৰে কথাবোৰ বিয়পিব ধৰিলে । মোৰ ক্লাচফ্ৰেণ্ড বোৰে চাৰক ভণ্ড তপস্বী বিশেষণেৰে অলঙ্কৃত কৰিলে । কলেজৰ ছোৱালী ভাল পোৱা প্ৰফেচাৰ বৰুৱা অসৎ চৰিত্ৰৰ ব্যক্তি বুলি সিহঁতে অভিযোগ আনিলে । বহুতে মোৰ আগত চাৰৰ বিষয়ে নানা কথা শুনাই ফিচিঙালি কৰিলে । কলেজৰ চাৰহঁতেও বহি নাথাকিল । তেওঁলোকেও চাহৰ মেলত বৰুৱা চাৰৰ কথা কৈ ৰস আস্বাদন কৰিব ধৰিলে । ৰুণুইতে কলেজত মোৰ গতি বিধিৰ ওপৰত চোকা নজৰ ৰাখিলে । বিশেষ কাৰণ থাকিলেও কলেজত চাৰৰ লগত কথা পাতিবলৈ মই এৰি পেলালো । তাৰ পিছত এখন চিঠি লিখি আমাৰ ঘৰলৈ আহি নপঢ়াবলৈ চাৰক বহুত দুখেৰে অনুৰোধ জনালো। চোৰৰ দৰে মনে মনে চাৰৰ পৰা লোৱা এখন কিতাপৰ মাজত চিঠিখন ভৰাই দি কিতাপখন ঘূৰাই দিলো। চিঠিত লিখামতেই কাম হ'ল । নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ বেদনা কিমানযে গভীৰ হ'ব পাৰে সেইদিনাহে মই গভীৰভাৱে অনুভৱ কৰিলো ।

তাৰ পাছত বেদনাৰে ভাৰাক্ৰান্ত মনটোলৈ আমাৰ ঘৰৰ কাষেদি গৈ দুলীয়াজান-তিনিচুকীয়া পথত সংযোগ ঘটা পথটোলৈ চাই মই নীৰৱে চকুলো টুকিলো । পদুলি মুখৰ শেৱালিজোপাৰ ফুলা ফুলবোৰ সৰি সৰি গৈ মোৰ মনক আকুল কৰিবলৈ সুবাসো কেনিবা আঁতৰি গ'ল। ✧✧

# আজিও পাহৰা নাই

*গোপী তামুলী*
উপাধ্যক্ষ, দুলীয়াজান মহাবিদ্যালয়

যি সময়ৰ কথা কবলৈ গৈছো, সেই সময়ত ডিব্রুগড় দুলীয়াজানলৈ পুৱাৰ ভাগত বাচ সেৱা দুখন। উভতি আহে গধুলি পোৱাকৈ। তাকো অনিয়মীয়া। বিয়া, বনভোজ কিম্বা যান্ত্রিক বিজুতিৰ কাৰণত

সেই সময়ৰ কথা কবলৈ ওলাইছো যি সময়ত দুলীয়াজান মহাবিদ্যালয়ে ডিব্রুগড় বিশ্ব'বিৰ স্বীকৃতি পোৱা নাছিল।

আমি শিক্ষকসকলে কৌশল প্রস্তুত কৰিলো স্বীকৃতিৰ সম্পৰ্কত। ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কৰ্টৰ আগদিনা আমি শিক্ষক সকলে তিনিটা গোটৰ গঠন ধৰি দায়িত্ব ভাগ কৰি ললো। আমাৰ ভাগত পৰিল কৰ্টৰ মাননীয় সদস্য তিনি গৰাকীক ব্যক্তিগত ভাবে সাক্ষাৎ কৰি তেখেত সকলৰ সম্মতি লাভৰ ব্যৱস্থা কৰা।

সেই মাননীয় সদস্য তিনিগৰাকী যথাক্রমে শিৱসাগৰ, যোৰহাট আৰু ডেৰগাঁৱৰ। আমি বোৱাৰী পুৱাই গা-ধুই যাত্রা আৰম্ভ কৰিলো পদব্ৰজে। আমি মানে মই আৰু তেতিয়াৰ ইংৰাজী বিভাগৰ (প্ৰয়াত) ঘনশ্যাম খাটি।

খাটিয়ে মোক সঁচাকৈয়ে খাটিৰ কৰে। চাহাব বুলি মাতে। এই প্রসংগত বিষয়টো প্রাসংগিক নহয় বাবে বৰ্ণনাৰ পৰা বিৰত থাকিলো।

আমি খোজৰ ভৰত ধৰণী কঁপাই নহলেও বাটৰ শিলগুটিক এসেকা দি মাধপুৰলৈ আগুৱালো এইবাবেই দুলীয়াজানৰ বাচ নেপালেও যাতে ডিব্রুগড়গামী নামৰূপ, নাহৰকটীয়াৰ বাচ ধৰিব পাৰো।

পালো। শান্তিৰত্নেশ্বৰ সমূহীয়া প্রচেষ্টাত প্ৰস্তুত হোৱা একাপ শুদা চাহেৰে, থিয় হবলৈ ঠাই নোহোৱা বাচত 'বাদুলী ওলমি' ডিব্রুগড় পাওঁগে মানে ভোকে ভাগৰে অস্থিৰ।

সুস্থিৰ হ'বলৈ থিয়ৈ থিয়ৈ চাহ একাপ খাই কৰ্মসাধনৰ বাবে শৰীৰক পতন'ৰ আপ্তবাক্য আওৰাই দিনৰ এঘাৰ মান বজাত মাননীয় সদস্য তথা শিৱসাগৰ মহাবিদ্যালয়ৰ অধ্যক্ষ (প্ৰয়াত) 'পৰাগ চলিহা' (আমি সেই নামেৰেই পৰিচিত আছিলো) চাৰৰ বাসগৃহৰ সন্মুখত মেলেৰীয়াৰ লক্ষণ গাত আঁৰি উপস্থিত হলোঁগে।

কঁপি উঠা ওঁঠবোৰক জিভাৰে পৰশ বুলাই আমি বক্তব্যৰ সম্পৰ্কে কিছু 'হোমৱৰ্ক' কৰি ললো। আমি অনুমান কৰিলো, আমি মঞ্চত প্ৰথম প্ৰৱেশ কৰিবলৈ প্ৰস্তুত হৈছো, লগতে এইটোও অনুভৱ কৰিলো আমাৰ সফলতাৰ লগত এখন কলেজৰ ভৱিষ্যত জড়িত হৈ আছে।

সেয়ে, ভয়, শংকা পৰিহাৰ কৰিবলৈ যত্ন কৰি চাৰৰ বাৰাণ্ডাত আমাৰ উপস্থিতি সাব্যস্ত কৰিলো। আমাক এফালে হতাশ আৰু আনফালে 'উদ্ধাৰ কৰি' গৃহকৰ্ত্ৰীয়ে জনালে 'চাৰ ঘৰত নাই' বুলি।

প্ৰভু ৰাম নহ'ল কি হ'ল আই সীতা আছে নহয় দুৰ্গত জনক উদ্ধাৰ কৰিবলৈ। আমাৰ প্ৰাৰ্থনা, অনুনয়, বিনয় অনুৰোধৰ (এই ক্ষেত্ৰত খাটিৰ সংলাপ প্ৰক্ষেপণ শলাগিব লগীয়া) আতিশয্যত কলেজ খোলাৰ অভিজ্ঞতাৰে পুষ্ট বাইদেৱে আমাৰ চাৰৰ হৈ প্ৰতিশ্ৰুতি দিবলৈ বাধ্য হ'ল।

শৰীৰলৈ বল আহিল, আৰু আহিল মনলৈ সাহস। তাকেই সম্বল লৈ আমি দ্বিতীয়জন মাননীয় সদস্যৰ সন্ধানত যোৰহাট পালোঁগে। সেইজন ব্যক্তি আছিল





সকলোৰে পূজনীয় ককা।

ককাৰ কাষত বহি নাতিৰ আবেদন শুনিবলৈ ককা তেতিয়াওঁ তেজপুৰৰ পৰা উভতি অহা নাছিল। অহাৰ কথা আছিল আগদিনাই হেনো। আমাৰ দ্বিতীয় অংকৰ দ্বিতীয় দৃশ্য সফল পৰিসমাপ্তি নঘটিল।

যতি নপৰিল দিহিং পৰীয়া 'আমি ডেকা ল'ৰাৰ' ক্লান্তিকৰ যাত্ৰাৰ। ভাত-ভাগৰ 'এলাহ নিহালী' এৰি এইবাৰ আগুৱালো ডেৰগাওঁ অভিমুখে। এইখিনি অতিক্ৰম কৰোতে কিমান যান বগালো হিচাপ নাই যদিও 'লেবেজান' যে হলো খাটিলে আঁৰচকুৰে চালেই অনুভৱ কৰো।

ডেৰগাঁৱৰ অভিযান অভিনৱ বুলিব পাৰি এইকাৰণেই মাননীয় সদস্যজন তথা ডেৰগাওঁ কলেজৰ অধ্যক্ষ (প্ৰয়াত) হৰকান্ত মহন্ত চাৰক তেখেতৰ কাৰ্য্যালয়ত অকল আবিষ্কাৰেই নহয় লগতে আদায় কৰিলো তেখেতৰ সন্মতি। লগতে দিলে ধুলিৰে ধূসৰ হোৱা আমাৰ 'শ্ৰীচেহেৰাক' অব্যক্ত আনন্দৰ অনুলেপন। ভোকত অস্থিৰ হোৱা দেহক চাহ-তাহৰ উপঢৌকন।

মুখত ডুবিব ধৰা ৰং আঁকি খাটিয়ে সংলাপ এৰিলে, "তামুলী চাৱ! মৰ ডেন চিক্সটি চিক্স পাৰচেন্ট। এইবাৰ ডাইৰেক্ট ডিব্রুগড় বাচত উঠোঁগে বলক।"

আহিলো। যোৰহাট পাই কলো, "দেৱতা দৰ্শন নহলেও মন্দিৰলৈ গলে দেহ মন ভাল লাগে। আকো এবাৰ ককাৰ ঘৰত পাক এটা মাৰি যাওঁ বলক।"

গলো। তাত গৈ দেখিলোঁগে স্বমহিমাৰে মহীয়ান হৈ মুখত হাঁহিৰ আবিৰ সানি ককা বহি আছে নিজ সিংহাসনত। আশীৰ্ব্বাদ গ্ৰহণ কৰি বক্তব্য বিবৰিলো।

এইবাৰ শুনক মনত সযত্নে সাঁচি ৰখা ককাৰ বাণীবন্ধন। "কালিলৈ মই লক্ষীৰ (প্ৰয়াত লক্ষীপ্ৰসাদ দত্ত) কোঠাতে বহিমগৈ।

তই পৰ্দাখন কোঁচাই ভোমোকা ভূমুকিখন কৰি থাকিবি।

তাকে দেখি মই কেহেলীয়াই সুধিম - কোন অ' সেইটো।" আমি কথাবোৰ মনোযোগেৰে শুনি গৈছো।

"তই চুচুক-চামাক কৈ আহিবি। আহি সেমেনা সেমেনিকৈ লক্ষীয়ে শুনাকৈ কথাবোৰ কবি। বাকীখিনি মোৰ কাম।"

আমি উভতি আহি ডিব্রুগড় পাওঁতে নিশা ন বাজিছিল। তাৰ পৰা দুলীয়াজানলৈ কিহত, কেনেকৈ আহিলো পাহৰিলো।

কিন্তু আজিও পাহৰা নাই সেই যাত্ৰাৰ কথা। লগতে পাহৰা নাই ককাৰ সেই অমৃতোপম, সোণসেৰীয়া কথাবোৰ। ✧✧

## নীতি বাক্য :-

প্ৰবাসত বিদ্যাই পৰম বন্ধু, নিজগৃহত মাতৃ বন্ধু, ৰুগীৰ বাবে ঔষধ মিত্ৰ আৰু মৰণৰ সময়ত ধৰ্ম্ম কাৰ্য্যই এক মাত্ৰ মিত্ৰ।

বিদ্যাৰ দৰে তীক্ষ্ণ দৃষ্টিৰ চকু নাই, সত্যৰ সমান সাধনা নাই, আশাৰ দৰে দুখ নাই, আৰু ত্যাগৰ সমান সুখ নাই।

পুথিৰ পাতত থকা বিদ্যাৰ আৰু পৰৰ হাতত থকা ধন নিজৰ নহয়। প্ৰয়োজনত সেই বিদ্যা আৰু ধন পোৱা নাযায়।

সাপো হিংসুক আৰু ঠগো হিংসুক। এই দুবিধৰ ভিতৰত ঠগ বেছি হিংসুক - কাৰণ সাপক মন্ত্ৰ আৰু ঔষধেৰে বশ কৰিব পাৰি, কিন্তু ঠগ প্ৰতাৰকক একোৰে বশ কৰিব নোৱাৰি।

—— *সংগ্ৰহ - প্ৰভাত ফুকন*

# লক্ষ্যৰ সন্ধান

*প্ৰশান্ত ৰাজকোঁৱৰ*
প্ৰৱক্তা, ইলেক্ট্ৰনিক্‌চ বিভাগ

*সোণোৱালী দিন শৈশৱ আছিল*
*সুঁৱৰি নাচাওঁ আজি,*
*ল'ৰালি কাল, পলকতে হেৰাল*
*ধূলিৰে ধেমালি খেলি*
*সুঁৱৰি নাচাওঁ আজি ।*

যান্ত্ৰিক যুগৰ ব্যস্ততাময় জীৱনত পিছলৈ ঘূৰি চোৱাৰ আহৰি নাই । তথাপি কেতিয়াবা দেখোন অতীতক ৰোমন্থন কৰি ভাল লাগে, যদিও তাতে লুকাই থাকে অধ্যৱসায় জীৱনত কৃতকাৰ্য্য হোৱা -নোহোৱা দিনবোৰ । তেতিয়া অনুভৱ হয়, কোনোবা দাৰ্শনিক কবিৰ সেই ভাব ধাৰাক উভতি চোৱা নাই । মনত পৰে, সুন্দৰ-সুঠাম চেহেৰাৰ এজন যুৱক চাকৰিৰ পৰা চুটিত আহিলে প্ৰায়ে আহিছিল আমাৰ ঘৰলৈ, আন্তৰিকতাৰ বান্ধোন হিচাপে । দেউতাৰ লগত কথা পাতিছিল চাকৰি জীৱনত পোৱা বহুতো অভিজ্ঞতাৰ কথা । ভয় ভয় মনোভাবেৰে দুৱাৰৰ কাষতে লুকাই শুনিছিলো, তেওঁ কোৱা কথাবোৰ । তেওঁ বোলে, ভাৰতীয় বায়ু সেনা বাহিনীৰ এজন "Flying Officer", কাৰিকৰী আৰু প্ৰযুক্তি বিদ্যাৰ সহায়েৰে কেনেকৈ শত্ৰু সৈন্যক আক্ৰমণ কৰিব পাৰি, শত্ৰুসৈন্যৰ যুজাৰু বিমানৰ অৱস্থান আৰু দূৰত্বৰ কথা জানিব পাৰি আৰু বহুতো কথা। আজি মনত পৰে, খুব সঘনাই এটি শব্দ তেওঁ ব্যৱহাৰ কৰিছিল নাম তাৰ "ৰাডাৰ"(Radar), মনত হেঁপাহ জন্মিছিল মেচিন টোৰ বিষয়ে সকলো কথা জানিবৰ বাবে । বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ ছাত্ৰ হিচাপে মেচিনটোৰ বিষয়ে সবিশেষ জানিবলৈ চেষ্টা কৰিছিলো । আৰম্ভণিতে পাইছিলো মেচিনটোৰ সম্পূৰ্ণ নাম 'ৰাডাৰ' ( Radar, Radio Detection and Ranging) । অৰ্থাৎ উচ্চ কম্পনাংকৰ বৈদ্যুতিক সংকেতৰ সহায়েৰে লক্ষ্য বস্তুৰ দূৰত্ব আৰু অৱস্থানৰ বিষয়ে জানিব পাৰি । এই মেচিনটোৰ সহায়েৰে উচ্চ শক্তিৰ, উচ্চ কম্পনাংকৰ বৈদ্যুতিক সংকেত (Signals) পঠিয়াই লক্ষ্যবস্তুক বিচাৰি উলিয়াই ইয়াৰ অৱস্থানৰ সবিশেষ অৰ্থাৎ উৎসৰ পৰা থকা দূৰত্ব, উচ্চতাৰ উচিত সন্ধান লৈ পুনৰ উৎসলৈ ঘূৰি আহে । ইয়াৰ ওপৰিও সাগৰৰ মাজ ভাগত চলি থকা কোনো জাহাজৰ সন্ধান আৰু যুজাৰু বিমানৰ দ্বাৰা বোমা নিক্ষেপত সহায় লোৱা হয় । দ্বিতীয় বিশ্বযুদ্ধৰ কিছু পূৰ্বে বৃটেইন, আমেৰিকা, জাৰ্মানি আৰু ফ্ৰান্স আদি উন্নত দেশবোৰে প্ৰায় সমসাময়িক ভাবে এই মেচিনটো সাজি উলিয়াইছিল । মেচিনটোৰ নাম 'ৰাডাৰ' (Abbreviation) কিন্তু আমেৰিকাৰ নৌবাহিনীহে প্ৰথম কৰিছিল, ১৯৪২ চনত । বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ দ্ৰুত গতিত আগবঢ়াৰ লগে $60x10^6$ C/S or Hz কম্পনাংকৰ বৈদ্যুতিক সংকেতেৰে আৰম্ভ হোৱা এই মেচিনটোৰ আজি যথেষ্ট উন্নত মান দণ্ডলৈ উন্নীত হৈছে ।

দেউতা আৰু তেওঁৰ মাজত চলা অন্তৰংগ আলাপ কেতিয়াবা গভীৰতাত প্ৰবেশ কৰিছিল । মাজ নিশা বহুদূৰৰ পৰা ভাঁহি অহা বাঁহীৰ সুৰৰ দৰে আজিও ৰিণিকি ৰিণিকি মনত পৰে, তেওঁ মুখৰ পৰা ওলোৱা কিছুমান শব্দ, Transmitter, Receiver, Duplexer, এন্টেনা আৰু এই শব্দ বিলাকৰ লগতনো ৰাডাৰৰ কি সম্পৰ্ক আছে ইত্যাদি । কলেজত পঢ়া দিনত বৰুৱা চাৰ, দত্ত চাৰৰ লগত কৰা মুকলি আলোচনাৰে থূলমূল আভাস পাইছিলো, এই শব্দ বিলাকৰ ব্যৱহাৰ আৰু ইয়াৰ অৰ্থৰ। পিছলৈ কাৰিকৰী বিভাগৰ ছাত্ৰ হিচাপে বহলকৈ পঢ়িবলৈ পাই এই বিলাকৰ ভিতৰত দকৈ সোমাই পৰো । অধ্যয়ন কৰি গম পালো এই শব্দ বিলাক আন একো নহয় ৰাডাৰ নামৰ যন্ত্ৰ





টোৰ প্ৰধান অংশ বিশেষ ।

প্ৰেৰক যন্ত্ৰ (Transmitter) অৰ্থাৎ যাৰ সহায়ত বৈদ্যুতিক সংকেত সৃষ্টি কৰা হয়, গ্ৰাহক যন্ত্ৰ (Receiver) যাৰ সহায়ত লক্ষ্য বস্তুৰ উচিত সন্ধান লৈ পুনৰ মেচিনটোলৈ ঘূৰাই অনা হয় । এই দুয়ো গ্ৰাহক যন্ত্ৰ আৰু প্ৰেৰক যন্ত্ৰৰ মাজত সময়ৰ উচিত সামঞ্জস্য বজাই ৰাখে আন এটা অংশই যাক আমি 'Duplexer' বুলি কওঁ আৰু অৱশেষত এন্টেনাৰ সহায়ত আমি এই উচ্চ কম্পনাংকৰ বৈদ্যুতিক সংকেত বায়ুমণ্ডলত প্ৰেৰিত কৰো বা বায়ুমণ্ডলৰ যোগেদি ঘূৰি অহা বৈদ্যুতিক সংকেতক পুনৰ গ্ৰহণ কৰো । যাক আমি Block Diagram ৰ সহায়েৰে এনেকৈ প্ৰকাশ কৰো ।




যেতিয়া প্ৰেৰক যন্ত্ৰই কাম কৰে অৰ্থাৎ বৈদ্যুতিক সংকেত পঠিওৱা হয়, তেতিয়া 'Duplexer' ৰ লগত গ্ৰাহক যন্ত্ৰৰ সংযোগ এৰাই যায় । দেখা যায় কাম আৰু সময়ৰ উচিত মূল্যাংকন কৰে, সেই মুহূৰ্তত প্ৰেৰক যন্ত্ৰ, 'Duplexer' আৰু এন্টেনাই । আনহাতে বৈদ্যুতিক সংকেত ঘূৰি অহাৰ সময়ত 'Duplexer' ৰ লগত প্ৰেৰক যন্ত্ৰ সংযোগ এৰাই গ্ৰাহক যন্ত্ৰ, 'Duplexer' আৰু এন্টেনাই বিচৰা কামৰ উচিত মূল্যাংকন দিয়ে ।

বিজ্ঞানৰ গতিৰ লগে লগে এই মেচিনটোৰ কাৰিকৰী গুণৰ দিশত প্ৰসাৰতা লভি নতুন নতুন ৰূপত প্ৰকাশ হ'বলৈ ধৰিলে । কোনো এক অৱস্থানত 'ৰাডাৰৰ' পৰিবৰ্তে যুজাৰু বিমানত কঢ়িয়াই লৈ ইয়াৰ সহায়ত শত্ৰু পক্ষৰ ভূমিত থকা জহাজৰ সন্ধান উলিয়াব পৰা হ'ল । এনে প্ৰকাৰৰ ৰাডাৰৰ নাম "Airborne, Radar" বুলি আখ্যা দিয়া হ'ল । যুজাৰু বিমানত কঢ়িয়াই লৈ যোৱা ৰাডাৰৰ সহায়েৰে শত্ৰু পক্ষৰ বিমানৰ সংকেতক বাধা প্ৰাপ্ত কৰিব পৰা ৰাডাৰ উন্নীত হল যাক আমি "Airborne, Aircraft interception Radar" বুলি কওঁ । ০.১০ অৱস্থানৰ কোনো শত্ৰু বিমানক ২৫ মিটাৰ দূৰত্বৰ ভিতৰত ধৰা পেলাই ইয়াৰ প্ৰতিৰোধ মূলক ব্যৱস্থা লবৰ বাবে সৃষ্টি হ'ল আন এক ধৰণৰ ৰাডাৰ যাক আমি "Microwave Radar" বুলি কওঁ । বিজ্ঞানত কম্পিউটাৰৰ অৱস্থানে আনি দিলে দৈৰ্ঘ্য দূৰত্বৰ আগতীয়াকৈ সাৱধান বাণী দিব পৰা অন্য এক নতুন বিধৰ ৰাডাৰ ।

প্ৰতি চেকেণ্ডত যিমান পৰিবৰ্ত্তী বৈদ্যুতিক সংকেত সৃষ্টি কৰিব পাৰি তাক আমি কম্পনাংক বুলি কওঁ আৰু এই কম্পনাংক বেছি হলে ইয়াৰ ক্ষমতা শক্তিও বাঢ়ে যাৰ সহায়ত এই বৈদ্যুতিক সংকেত বহু দূৰত্ব অতিক্ৰম কৰিব পাৰে । ক্ষমতা শক্তিৰ পৰিসৰে মেচিনটোৰ কামৰ পৰিসৰও বান্ধি দিলে ।

মেচিনটোৰ দ্বাৰা দূৰত্বৰ পৰিসৰ অৰ্থাৎ উৎস আৰু লক্ষ্য বস্তুৰ মাজৰ দূৰত্ব নিৰ্ণয় এটা সৰু উদাহৰণে সহজে জানিব পাৰি । ধৰাহওক, "ক" স্থান হ'ল বৈদ্যুতিক সংকেতৰ উৎস আৰু "খ" স্থান হ'ল লক্ষ্য বস্তুৰ অৱস্থান আৰু দুয়োৰে মাজৰ দূৰত্ব হ'ল "x" । এতিয়া যদি উৎসৰ পৰা লক্ষ্য বস্তুলৈ গৈ পুনৰ লক্ষ্য বস্তুৰ পৰা উৎসলৈ ঘূৰি আহোতে বৈদ্যুতিক সংকেতক লগা সময় ধৰো 't' ছেকেণ্ড হয়, তেন্তে এই সময়ত সংকেতে অতিক্ৰম কৰা দূৰত্ব হ'ব "2x" ।

আমি জানো, $\text{বেগ} = \frac{\text{দূৰত্ব}}{\text{সময়}}$

$\therefore \text{দূৰত্ব} = \text{বেগ} \times \text{সময়}$ ।

বা $2x = \text{বেগ} \times t$

$\therefore x = \frac{\text{বেগ} \times t}{2}$

কোনো তৰংগৰ ঢৌৰ বেগ আমি পাওঁ 3x108 n/sec । এতিয়া যদি সময় 't' ৰ মান আমি পাওঁ কিমান সহজে দূৰত্বৰ মান পোৱা যায় ।






যদিও দূৰত্বৰ মান সহজে পোৱা যায় কিন্তু প্ৰকৃতাৰ্থত বহুতো কাৰকৰ ওপৰত লক্ষ্য বস্তুৰ অৱস্থান নিৰ্ভৰ কৰে । আৰু তেতিয়াই অংক শাস্ত্ৰৰ গভীৰতাত সোমাবলৈ বাধ্য হওঁ । আৰু গম পালো যে, মেচিনটোৰ কামৰ পৰিসৰ অৰ্থাৎ উৎস আৰু লক্ষ্য বস্তুৰ দূৰত্ব নিৰ্ণয় কৰাৰ এটা সূত্ৰৰ সৃষ্টি হ'ল । দেখিবলৈ পালো যে, সৰ্বোচ্চ পৰিসৰৰ মান প্ৰেৰিত বৈদ্যুতিক সংকেতৰ শীৰ্ষ ক্ষমতাৰ এক চতুৰ্থাংশ ঘাতৰ সামানুপাতিক । পৰিসৰৰ মান দুগুণ হয়, যেতিয়া শীৰ্ষ ক্ষমতাৰ মান বঢ়াই দিয়া হয় । কিন্তু ই ব্যৱহুল হয় কাৰণে কৰা নহয় । সাধাৰণতে, প্ৰেৰিত ক্ষমতা আৰু সৰ্বনিম্ন গ্ৰহণ কৰা ক্ষমতাৰ এক সামঞ্জস্য বজাই ৰখা হয় ।

ইয়াৰ ওপৰিও দেখিবলৈ পাওঁযে, তৰংগ দৈৰ্ঘ্যৰ মান যেতিয়া একে থাকে, ঘূৰি অহা বৈদ্যুতিক শক্তিয়ে এন্টেনাৰ যি অংশ অধিগ্ৰহণ কৰে, তাৰ ক্ষেত্ৰফলৰ বৰ্গমূলৰ সামানুপাতিক হয় । দেখা গ'ল যে, এন্টেনাৰ ব্যাসৰ মান দুগুণ কমিলে পৰিসৰৰ মানো দুগুণ হয় । আন হাতে দেখা যায় যে তৰংগ দৈৰ্ঘ্যৰ মান কমাই পৰিসৰৰ মান বঢ়াব পাৰি । অৱশেষত দেখা গ'ল, লক্ষ্য বস্তুৰ কাৰ্যকৰী ক্ষেত্ৰফলৰ ওপৰতো পৰিসৰৰ মান নিৰ্ভৰ কৰে ।

এন্টেনা যেতিয়া ৰাডাৰৰ এটা প্ৰধান অংশ ইয়াৰ বিষয়ে থূলমূল জনাটো অতি প্ৰয়োজনীয় । এন্টেনাই উচ্চকম্পনাংকৰ বিদ্যুত চুম্বকীয় তৰংগক আকাশ মাৰ্গত এৰি দিয়ে । এই এৰি দিয়া বিদ্যুৎ চুম্বকীয় তৰংগৰ আকাৰ তৰংগ দৈৰ্ঘৰ ওপৰত নিৰ্ভৰ কৰে । কেনেকুৱা ধৰণৰ তৰংগৰ টো লক্ষ্যবস্তুৰ অৱস্থান আৰু কেনেকুৱা দিশত লক্ষ্য বস্তু অৱস্থিত তাৰ ওপৰত নিৰ্ভৰ কৰে এন্টেনাৰ আকাৰ । পোহৰৰ সহায়ত বিচাৰিব পৰা ব্যৱস্থা দৰে ৰাডাৰত ঘূৰণীয়া ক্ষেত্ৰফলৰ পেঞ্চিলৰ আকাৰ বশ্মি দিব পৰা এন্টেনা ব্যৱহাৰ কৰা হয় । আনহাতে মাটিত থকা লক্ষ্যবস্তুৰ সন্ধানৰ ক্ষেত্ৰত সৰ্বোচ্চ লব্ধ দিশত যোৱা লম্বিক আকাৰ বশ্মি দিব পৰা এন্টেনা ব্যৱহাৰ কৰা হয় । দেখা পালো, এন্টেনাৰ দ্বাৰা প্ৰেৰিত বৈদ্যুতিক সংকেতৰ দিশ আৰু পৰিসৰৰ ওপৰত








এন্টেনাৰ গঠন প্ৰণালী নিৰ্ভৰ কৰে । সাধাৰণ অৰ্থাৎ সকলো উচ্চ কম্পনাংকৰ বৈদ্যুতিক সংকেতৰ ক্ষেত্ৰত "অধিবৃত্ত প্ৰতিফলক" (Parabolic Reflector) আকাৰৰ এন্টেনা ব্যৱহাৰ কৰা হয় ।

চিকিৎসা বিজ্ঞানত আমি দেখিবলৈ পাইছো, ৰোগীৰ ৰোগ ধৰা পেলাবলৈ এনে এক অত্যাধুনিক পদ্ধতি ব্যৱহাৰ কৰা হয়, য'ত এটি সৰু সুন্দৰ শব্দৰে আগবাঢ়ি যায় এক তৰংগৰ ঢৌ, যাক আমি সাধাৰণ অৰ্থাৎ 'scanning' কৰা বুলি কওঁ । ৰাডাৰ নামৰ মেচিনটোত তেনে এক তৰংগৰ ঢৌ ধৰা পৰে C.R.T ( Cathode Ray Tube) নামৰ এটি অত্যাধুনিক মেচিনত । আৰু ইয়াক ৰাডাৰৰ এটা প্ৰধান অংশ বুলি কোৱা হয় । আৰু ধৰা পৰে এনে এক মনোমোহা তৰংগৰ ঢৌ । যাক 'Scope display' বুলি কওঁ । C.R.T.ৰ পদাৰ্থ ধৰা পেলোৱা তৰংগটো কেনেকৈ বিভিন্ন অৱস্থানত থকা লক্ষ্যবস্তুৰ অৱস্থানৰ কথা জনাই তাক আমি প্ৰসংগ স্পন্দন (Pulse)ৰ লগত তুলনা কৰিলে সহজে বুজিব পাৰো । পৰ্দাত পোৱা 'Grase' শব্দটোৱে ভূমিত অৱস্থান কৰা ওচৰৰ বস্তু এটাক নিৰ্দেশ কৰে । সঁচাকে আকৰ্ষিত কৰি তোলে মেচিনটোৰ কাৰ্য্য প্ৰণালীয়ে।

মানুহৰ জীৱনটো কৰ্মৰ অভিজ্ঞতাৰে যেতিয়া পৰিপুষ্ট হয়, তেতিয়া তাক প্ৰকাশ কৰিবৰ বাবে মনত কেতিয়াবা বাৰে বাৰে আমনি কৰে । হয়তো কেতিয়াবা তাক আনক উপদেশ দিয়াৰ ধৃষ্টতা যেন অনুমান হয় । আৰু কেতিয়াবা কিবা এক শিকাৰ এক ডাঙৰ উৎস হৈ পৰে । যিদিনা ৰাডাৰ নামৰ পদ্ধতিৰ পাঠটো সবিশেষ পঢ়ি শেষ কৰি নিশা বিছনাত বাগৰ মাৰিছিলো, মনত পৰিছিল সৰুতে দেখা সেই সুন্দৰ-সুঠাম চেহেৰাৰ যুৱকজনলৈ। বহুতো দিন গ'ল, বহুতো পৰিৱৰ্তন হ'ল, জীৱন যুদ্ধৰ কোনো এক ব্যস্ততাময় মুহূৰ্ত্তৰ সৈতে হয়তো সেই শ্ৰদ্ধাৰ দাদা জনে যুঁজ দি আছে । আজি অনুভৱ হয়, তেওঁ পোৱা সেই অভিজ্ঞতাবোৰৰ সৈতে বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ সামান্য জ্ঞানৰে অলপহলেও ভাগ লব পাৰিলোহেঁতেন, কিন্তু তেওঁক লগ পোৱাটো এক সুদূৰ অতীতৰ দৰে যেন হৈ গ'ল । ✧✧

## বিভাগীয় খতিয়ান

# (ক) বুৰঞ্জী বিভাগ

১৯৬৯ চনত দুলীয়াজান মহাবিদ্যালয়ৰ জন্ম অসমৰ শিক্ষা জগতৰ এক উল্লেখযোগ্য ঘটনা । সম্প্ৰতি ৩১ বছৰত ভৰি দিয়া এইখন অনুষ্ঠানৰ পৰা অসংখ্য ছাত্ৰ-ছাত্ৰী একো একোটা উচ্চ পদবী দখল কৰি থকাটো দুলীয়াজান মহাবিদ্যালয়ৰ শিক্ষকসকলৰ বাবে গৌৰৱৰ কথা ।

বিভাগীয় খতিয়ান দাঙি ধৰিবলৈ আৰম্ভণীতে এই মহাবিদ্যালয়ে কৃতজ্ঞতাৰে স্থানীয় অইল ইণ্ডিয়া হায়াৰ চেকেণ্ডাৰী স্কুলৰ শিক্ষকসকলক স্মৰণ কৰিব লাগিব যিসকলে বিনা পাৰিশ্ৰমিকেৰে শিক্ষাদান কাৰ্য্যত ব্ৰতী হৈছিল । পিচৰ বছৰত বুৰঞ্জী বিভাগত যোগদান কৰেহি শ্ৰীযুত ধীৰেন্দ্ৰ নাথ শইকীয়াই । এবছৰ শিক্ষাদানৰ অন্তত তেখেতে ইয়াৰ পৰা বিদায় লৈ যায়; সম্প্ৰতি তেখেত কামৰূপ জিলাৰ উপায়ুক্ত পদত অধিষ্ঠিত হৈ আছে । তেখেতৰ পৰবৰ্ত্তী সময়ত এই লেখিকাই যোগদান কৰি বৰ্তমানলৈকে বিভাগীয় মুৰব্বী হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰি আছে । ইতিমধ্যে মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী লাভ কৰাত আৰু স্নাতক শ্ৰেণীসমূহে তিনিওটা বৰ্ষ, পূৰণ কৰাত কৰ্তৃপক্ষই দ্বিতীয় পদবীটো মুকলি কৰে আৰু সেই পদবীত শ্ৰীমতী মমতা দাসে যোগদান কৰেহি । পাৰিবাৰিক অসুবিধাত তেখেত আঁতৰি যোৱাত ১৯৭৮ চনত শ্ৰীযুতা গীতা চলিহাই এই বিভাগত যোগদান কৰেহি । প্ৰায় পাঁচ বছৰ তেখেতে দুলীয়াজান মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ অন্তত স্বামীৰ কৰ্ম্মস্থল পৰিবৰ্ত্তনৰ বাবে দিল্লীলৈ যাবলগীয়া হয় আৰু ফলত তেখেতে এই পদৰ পৰা অব্যাহতি লয় । ১৯৯৮ চনত তেখেতৰ অকাল মৃত্যুৱে আগলৈকে এই অনুষ্ঠানৰ লগত জড়িত হৈ আছিল ।

১৯৮৩ চনত শ্ৰীভূপেন শইকীয়াই আহি এই শূন্য পদ পূৰণ কৰেহি । শিক্ষাদানৰ বাহিৰেও তেখেত সাহিত্য সভাকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ আছে। ইতিমধ্যে বুৰঞ্জী বিভাগত সন্মান শ্ৰেণী খোলাৰ দাবীত অধিক শিক্ষকৰ প্ৰয়োজন আহি পৰিছিল । শ্ৰীমতী অনীতা গোহাঁই বৰুৱাই বুৰঞ্জী বিভাগত যোগদান কৰাৰ পিচত ১৯৯৬ চনত এই বিষয়ত সন্মান শ্ৰেণী মুকলি কৰা হয় । লগে লগে এই বিভাগৰ বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা হয় । প্ৰথম বাৰতেই এই বিভাগৰ অন্তৰ্ভুক্ত দুয়োজন ছাত্ৰই সন্মান সহকাৰে উত্তীৰ্ণ হয় । দ্বিতীয় বাৰত সাতজন ছাত্ৰ-ছাত্ৰীৰ আটাই কেইজনে উচ্চ নম্বৰেৰে স্থান লাভ কৰিবলৈ সক্ষম হোৱাৰ ওপৰিও বিশ্ববিদ্যালয়ত পঢ়াৰ যোগ্যতা অৰ্জন কৰিছে । বিভাগীয় শিক্ষকৰ বাবে ই গৌৰৱৰ বিষয় । প্ৰয়োজন বৃদ্ধি হোৱাত চতুৰ্থ পদবীটো মুকলি কৰা হৈছে যদিও এই পদে বিভাগীয় অনুমোদন পোৱা নাই । এই পদত শ্ৰীমতী নলীৰূপা চেতিয়া, শ্ৰীহীৰেণ নাথ, শ্ৰীদীপজ্যোতি হাজৰিকা বিভিন্ন সময়ত কাৰ্য্য নিৰ্ব্বাহ কৰিছিল । বৰ্তমান শ্ৰীৰুকুল খাটনিয়াৰে এই পদ নিয়াৰিকৈ চলাই আছে ।

সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় শিক্ষামূলক ভ্ৰমণ আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি অহা হৈছে । ভৱিষ্যতে এই বিভাগত U.G.C. নীতি অনুসৰি দূৰণিবটীয়া ভ্ৰমণ আদিৰ পৰিকল্পনা আছে । স্থানীয় বুৰঞ্জীবিদ সকলৰ সৈতে এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ কাম কিছু আগবাঢ়িছে । পুথিভঁড়ালটো যথেষ্ট টনকিয়াল বুলিব পাৰি যদিও আৰু উন্নত কৰা মন আছে। ✧✧

*সৰোজিনী দেৱী গোহাঁই*
*মুৰব্বী অধ্যাপিকা, বুৰঞ্জী বিভাগ*





## বিভাগীয় খতিয়ান

# (খ) সমাজতত্ব বিভাগ

সমসাময়িক কালত মানৱ সমাজৰ বিষয়ে বিজ্ঞান সন্মত অধ্যয়ন এক গুৰুত্বপূৰ্ণ বিষয় হিচাবে পৰিগণিত হৈছে। বিশেষকৈ ভাৰতবৰ্ষৰ সমাজখনৰ বিষয়ে সমাজতাত্বিক অধ্যয়নৰ প্ৰয়োজন এতিয়া বৰ বেছিকৈ অনুভৱ কৰা হৈছে । এই উপ মহাদেশখনৰ বৈচিত্ৰ্যময় বিশাল জনগোষ্ঠী, বৈচিত্ৰ্যময় জলবায়ু, বৈচিত্ৰময় ধৰ্মভাষা সংস্কৃতি, পৰম্পৰাৰ সমাজখনত ক্ৰমাগতভাৱে প্ৰভাৱ পেলাইছে পশ্চিমীয়াকৰণ, নগৰীকৰণ, আধুনিকীকৰণ, উদ্যোগীকৰণ প্ৰক্ৰিয়াই । যাৰ ফলত নানা ভাবে সামাজিক পৰিবৰ্ত্তনৰ বাট মুকলি হৈছে আৰু নতুন মূল্যবোধৰ বিকাশ ঘটিছে । অন্যহাতে পৰম্পৰাগত মূল্যবোধৰ সংৰক্ষণৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত হৈ আছে ।

সামাজিক পৰিবৰ্ত্তনৰ ফলত ভাৰতীয় সমাজত নানা ধৰণৰ সামাজিক সমস্যাইয়ো গ্ৰাহ কৰিছে । নিবনুৱা সমস্যা, ৰাজনৈতিক ভ্ৰষ্টতা, কিশোৰ অপৰাধ, সংঘৰ্ষ, সন্ত্ৰাস, হত্যা লুণ্ঠন ইত্যাদি শ শ সামাজিক সমস্যা বৰ্তমানৰ জিয়ো প্ৰকট ভাবে দেখা দিছে । এনে বিলাক সামাজিক সমস্যাৰ প্ৰকৃত কাৰণ আৰু কাৰ্য্যবিধিক বিজ্ঞান সন্মত অধ্যয়ন কৰিবলৈ সমাজ তত্বৰ গুৰুত্ব আছে ।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সমাজতত্ব বিষয়টিও স্নাতকোত্তৰ মহলাত প্ৰথম পৰ্য্যায়ত এটি শিক্ষণীয় বিষয় হিচাবে আৰম্ভ কৰি (১৯৬৭ চনৰে পৰা) পাচলৈ এই বিশ্ব বিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয় বিলাকত স্নাতক পৰ্য্যায়লৈকে অধ্যয়নৰ বাবে বাট উলিয়াই দি ছাত্ৰ-ছাত্ৰী তথা অসমৰ বৌদ্ধিক দিশত যি উপকাৰ কৰিলে তাৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ ধন্যবাদৰ পাত্ৰ ।

দুলীয়াজান মহাবিদ্যালয়ত সমাজতত্ব বিভাগ খোলাৰ বাবে সেই সময়ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় বেক্তৰ স্বনাম ধন্য লক্ষী দত্ত চাৰৰ উপদেশ তথা সহায় চিৰ স্মৰণীয় । ডিব্ৰুগড় বিশ্ববিদ্যালয়ত সমাজতত্ব বিষয়টো খোলাৰ পাচত সমাজতত্বৰ স্নাতকোত্তৰ ডিগ্ৰীধাৰীৰ বাবে বিভিন্ন মহাবিদ্যালয়ত (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ) সমাজতত্ব বিষয়টোৰ অধ্যয়নৰ বাবে মহাবিদ্যালয় সমূহলৈ বেক্তৰ মহোদয়ে নিজা বৰীয়াকৈ দিহা পৰামৰ্শ আগবঢ়াইছিল। ১৯৭০ চনত আমি স্নাতকোত্তৰ মহলাৰ ফাইনেল পৰীক্ষা দিয়েই দত্ত চাৰক সমাজতত্বৰ বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে বিশেষ ভাবে লগ কৰিছিলো - মহাবিদ্যালয় সমূহত (ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ) অনতি পলমে সমাজতত্ব বিষয়টি খোলাৰ ব্যৱস্থা লবলৈ । গতিকে দত্ত চাৰে সেই সময়ৰ নকৈ গঢ়ি উঠা মহাবিদ্যালয় সমূহত সমাজতত্ব খুলিবলৈ দিহা পৰামৰ্শ দি সহায় কৰিছিল ।

দুলীয়াজান মহাবিদ্যালয়ত সমাজতত্ব বিষয়টি খুলিবলৈ দত্ত চাৰে দিয়া পৰামৰ্শ মতেই ১৯৭১ চনত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে প্ৰস্তাৱ গ্ৰহণ কৰে । উক্ত সিদ্ধান্ত মতে ১৯৭১ চনৰ আগষ্ট মাহত ভালে কেইটা বিষয়ৰ লগতে সমাজতত্বৰ বাবেও সাক্ষাৎকাৰ হয় । সমাজ তত্বৰ বাবে নিৰ্ব্বাচন সমিতিয়ে মোকেই নিৰ্ব্বাচন কৰাত ১৯৭৯ চনৰ ১৮ আগষ্টত মই মহাবিদ্যালয়ত প্ৰবক্তা হিচাবে নিযুক্তি পত্ৰ লওঁ । সেই দিনাৰে পৰা দুলীয়াজান মহাবিদ্যালয়ত দিবা আৰু নৈশ দুয়োটা শাখাত সমাজতত্ব বিভাগৰ এজন শিক্ষক হিচাবে পাঠদান কাৰ্য্যত ব্ৰতী হওঁ । প্ৰায় ছয়টা বছৰ নানা ধৰণৰ দায়িত্বৰ বোজা লৈ প্ৰাক্ বিশ্ববিদ্যালয় আৰু স্নাতক শাখাত পাঠদান কাৰ্য্য চলাই ১৯৭৬ চনত ভাতৃ প্ৰতীম শ্ৰীপূৰ্ণ শইকীয়াক সহকৰ্ম্মী হিচাবে পাওঁ । তেতিয়াৰে পৰা আমি দুয়োজনে সমাজতত্ব বিভাগটো সুস্থিৰ ভাবে প্ৰতিষ্ঠা কৰাত মনোনিৱেশ দিওঁ । বহু ছাত্ৰ-ছাত্ৰী সমাজতত্ব বিষয়টিৰ প্ৰতি আকৃষ্ট হ'ল

ইতিমধ্যে নৈশ শাখাতো পুৰা ভাগলৈ পৰিৱৰ্তন হ'ল। ১৯৭৯ চনত বিশ্ববিদ্যালয়ৰ পৰিদৰ্শক মহোদয়ে তেখেতৰ পৰিদৰ্শন টোকাত অতি সন্তোষজনকভাবে এই বিষয়টিত অনাৰ্চ খুলিবলৈ অনুমতি দি গ'ল। কিন্তু বিশ্ববিদ্যালয়ৰ সমাজতত্ব বিভাগে সন্মানৰ পাঠ্যক্ৰম সময়মতে যুগুতাই উলিয়াব নোৱাৰাত আমিও সন্মানৰ পাঠদান আৰম্ভ কৰিব নোৱাৰিলো। এনেদৰেই কেইবা বছৰো অতিবাহিত হ'ল। সমাজতত্ব বিষয় অধ্যয়নৰ বাবে ছাত্ৰ-ছাত্ৰী সংখ্যা বছৰে বছৰে বৃদ্ধি হবলৈ ধৰিলে। গতিকে ১৯৭৯-৮০চনত পুৱাৰ শাখাত অস্থায়ী বাবে আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীজীতেন গগৈক নিযুক্তি দিয়া হ'ল। কিন্তু মাত্ৰ কেইটামান মাহ তেওঁ শিক্ষাদান কৰি অৰুণাচল প্ৰদেশলৈ চাৰ্কোল অফিচাৰ পদ গ্ৰহণ কৰি গুচি যায়। ইয়াৰ পাচত ১৯৯৪ চনত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীহেমন্ত দাসক সমাজতত্ব বিভাগত অস্থায়ী ভাবে তৃতীয়জন প্ৰবক্তা হিচাবে নিযুক্তি দিয়া হয় পাচত ১৯৯৪ চনত তেওঁৰ পদটি স্থায়ীকৰণ হয়। বহু পলমকৈ ১৯৯২-৯৩ চনত আমি সমাজতত্ব বিষয়ত মেজৰ খোলাৰ সিদ্ধান্ত লওঁ আৰু সেই বছৰৰ পৰাই মেজৰৰ পাঠ্যক্ৰমৰ শিক্ষাদান দি থকা হৈছে। ১৯৯৭ চনত আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীধ্ৰুৱ হাজৰিকাক চতুৰ্থজন প্ৰবক্তা হিচাবে নিযুক্তি দিয়া হৈছে।

আমাৰ মহাবিদ্যালয়ৰ পৰা বিগত পাঁচ বছৰত ১৭ জন ছাত্ৰ-ছাত্ৰীয়ে সমাজতত্ব বিষয়ত মেজৰ সহকাৰে স্নাতক ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে আৰু তাৰে সৰহ সংখ্যাই স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি বিভিন্ন মহাবিদ্যালয়ত প্ৰবক্তা হিচাবে আত্মনিয়োগ হৈছে। ভালেকেইজনে বিভিন্ন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু অন্যান্য প্ৰতিষ্ঠানত আত্মনিয়োগ হৈছে।

মহাবিদ্যালয় এখনৰ কোনো এটা বিভাগত মেজৰৰ পাঠক্ৰম আৰম্ভ কৰাৰ লগে লগে ভালেকেইটা দিশ সন্তোষজনক নহলে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকৰ যথেষ্ট অসুবিধা হয়। বিশেষকৈ সমাজতত্বৰ দৰে নতুন বিষয় এটি খবচি মাৰি পাঠদান দিয়া ক্ষেত্ৰত শিক্ষক সকলৰ ভালেমান আহকাল হোৱা দেখা যায়। পাঠ্যপুথি, প্ৰসংগ পুথি আৰু বিষয়ৰ ওপৰত প্ৰকাশিত আলোচনী আদি ডিব্ৰুগড় তিনিচুকীয়া আদিৰ বজাৰৰ দোকানত এতিয়ালৈকে পৰ্যাপ্ত পৰিমাণে পাবলৈ নাই। আমি নিজে জয়পুৰ, দিল্লী, কলিকতা আদিৰ প্ৰকাশক আৰু কিতাপ বিক্ৰিৰ প্ৰতিষ্ঠানৰ সৈতে যোগাযোগ কৰি ছাত্ৰ-ছাত্ৰীক সেইবোৰ কিতাপ আনি যোগাৰ কৰি দিব লগা হৈছিল। আনহাতে পাঠ্যক্ৰমৰ কিছুমান প্ৰসঙ্গৰ পুথি বাহিৰৰ বহুতো প্ৰতিষ্ঠানত পাবলৈ নাই আৰু পালেও তাৰ পৰা অনাই ছাত্ৰ-ছাত্ৰীক যোগান ধৰাত টকা পইচাৰ ফালৰ পৰা অসুবিধা। গতিকে সীমিত পাঠ্যপুথি আৰু আলোচনী আদিৰে ছাত্ৰ-ছাত্ৰীক মেজৰৰ পাঠ্যক্ৰমৰ পাঠদান দিব লগা অৱস্থা আজি পৰ্য্যন্ত চলিয়ে আছে বুলি কব পাৰি। আশা ৰাখিছো ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ তাগিদাত ডিব্ৰুগড়, তিনিচুকীয়া আদিৰ কিতাপ ব্যৱসায়ৰ প্ৰতিষ্ঠান সমূহে সমাজতত্ব বিষয়ৰ প্ৰয়োজনীয় পাঠ্যপুথি আৰু প্ৰসঙ্গৰ পুথি বাহিৰৰ পৰা আনিবলৈ ব্যৱস্থা হাতত লব।

ইতিমধ্যে, আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থগাৰৰ বাবে বিশেষ তৎপৰতাৰে সমাজতত্বৰ ভালেমান পাঠ্যপুথি আৰু কিছু প্ৰসঙ্গ পুথি সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীৰ বাবে সুবিধা দিবলৈ যত্নৰ ত্ৰুটি কৰা নাই যদিও ভালেমান অতি প্ৰয়োজনীয় গ্ৰন্থগাৰত বৰ্ত্তমান এই বিভাগত প্ৰায় সাতশ খন মান পাঠ্যপুথি আৰু প্ৰসঙ্গ পুথি এতিয়ালৈকে সংগ্ৰহ কৰা হৈছে। কিন্তু অৰ্থৰ অভাৱত সমাজতত্বৰ সমসাময়িক Periodical journal গ্ৰন্থ গাৰলৈ আনিব পৰা নাই। সমাজতত্ব অধ্যয়নৰ বাবে এনে ধৰণৰ সমসাময়িকী জাৰ্ণেল বিলাকৰ প্ৰয়োজন আছে। ✧✧

ইতি

*প্ৰভাত চন্দ্ৰ ফুকন*

মুৰব্বী অধ্যাপক, সমাজতত্ব বিভাগ





## বিভাগীয় খতিয়ান - গ

# অৰ্থনীতি বিভাগ

দুলীয়াজান মহাবিদ্যালয়ত শিক্ষা, ৰাজনীতি বিজ্ঞান আদিৰ দৰে অৰ্থবিজ্ঞানো মুখ্য বিষয় ৰূপে মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা আছে। সাম্প্ৰতিক পটভূমিত অৰ্থবিজ্ঞানৰ প্ৰাসংগিকতা যথাৰ্থতে গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীসকলেও এই উপলব্ধিৰ সাপেক্ষে উক্তবিষয়ত গুৰুত্ব প্ৰদান আৰম্ভণীৰে পৰা দিয়াটো বিশেষভাৱে লক্ষণীয়। মহাবিদ্যালয়খনিত এই অভাজনে ইং ১৯৭২ চনৰ মাজভাগৰ পৰাহে প্ৰৱক্তাৰূপে যোগ দিওঁ। ইয়াৰ আগতে আমাৰ মহাবিদ্যালয়ৰে জন্মলগ্নৰে পৰা জড়িত উদাৰচিতীয়া ব্যক্তি, কোষাধ্যক্ষ ঁবি,চি দত্তদেৱৰ ল'ৰা শ্ৰীস্বপন দত্তই বিভাগটো ধৰি আছিল। পিছে ঘৰৰ বিভিন্ন কাম-কাজৰ হেঁচাত পৰি শ্ৰীদত্তই পদ ইস্তফা দিয়ে। ১৯৭২ চনৰ সেই দিনটোৰ পুৱাৰ ভাগতে মহাবিদ্যালয়ৰ মুখ্য সহায়ক শ্ৰীহেমচন্দ্ৰ ঢেকিয়াল ফুকনদেৱে প্ৰতিষ্ঠাপক অধ্যক্ষৰ চিঠি লৈ আমাৰ ঘৰত উপস্থিত হয়গৈ আৰু ময়ো অনতিপলমে আহি কামত যোগ দিওঁহি। সেই দিন ধৰি অদ্যাৱধি বিভাগটো আগবঢ়াই নিয়াত যথাসাধ্য চেষ্টা কৰি আহিছো।

প্ৰথম অৱস্থাত বিভাগটোত কেৱল এই অভাজনেই যথাসৰ্বস্ব আছিলো। কিয়নো অধ্যক্ষ মহোদয় অৰ্থনীতিৰ ব্যক্তি আছিল যদিও কামৰ হেঁচাত পৰি শ্ৰেণীত পাঠদানৰ বাবে বিশেষ সময় উলিয়াব পৰা নাছিল। অৱশ্যে সেই সময়ত মহাবিদ্যালয়খনিত প্ৰতিটো বিভাগত একোজনকৈহে প্ৰৱক্তা আছিলো। সদ্যহতে কলা শাখাত চাৰিজন আৰু বাণিজ্য শাখাত এজন মুঠ পাঁচজনেৰে অৰ্থনীতি বিভাগটো গঠিত। সংক্ষেপে কবলৈ গ'লে বিভাগটো স্নাতক মহলালৈকে সুন্দৰ ভাবে অদ্যাৱধি চলি আছে। অৰ্থনীতি বিষয়টো লৈ (সাধাৰণ আৰু সন্মান উভয়তে) এতিয়ালৈকে ভালেমান ছাত্ৰ-ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লাভ কৰিছে আৰু বিভিন্ন পদত, বিভিন্ন ঠাইত নিজকে প্ৰতিষ্ঠিত কৰিছে।

অৰ্থনীতিত 'অনাৰ্চ ক'ৰ্চ' ৮০ চন মানতহে খোলা হৈছে আৰু '৮১ চনৰ পৰাই মহাবিদ্যালয়ৰ আমাৰ অৰ্থনীতি বিভাগত ছাত্ৰই 'সন্মান' সহ স্নাতক উপাধি লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন কাৰণবশতঃ আমি বহুসময়ত অতি নিম্নমানৰ ছাত্ৰক 'অনাৰ্চ ক'ৰ্চত' স্থান দিব লগা হয়। উদ্দেশ্য মহান বুলিয়েই আমি কব খোজো। আমি বাঞ্ছা কৰো গ্ৰাম্য অঞ্চলৰ নানা অভাৱ অসুবিধাৰ সন্মুখীন হোৱা ছাত্ৰ-ছাত্ৰীয়ে উচ্চমানৰ শিক্ষা লভি নিজকেই প্ৰতিষ্ঠা কৰক। আমি সেই পিনৰ পৰা অত্যন্ত সুখী যে তেওঁলোকে আমাক নিৰাশ কৰা নাই। প্ৰথমশ্ৰেণীৰ নহ'লেও দ্বিতীয় শ্ৰেণীৰ উচ্চমূল্যাংকৰ 'সন্মান' লাভ কৰি মোক আৰু মোৰ অনুজ প্ৰৱক্তা সকলক আনন্দ দিব পাৰিছে। গতিকে দুই এবছৰ ছাত্ৰ-ছাত্ৰীয়ে 'সন্মান' সহ স্নাতক হ'ব নোৱাৰিলেও আমি কোনো পিনৰ পৰাই নিৰাশাগ্ৰস্ত হোৱা নাই আৰু তেনে হোৱাৰ কাৰণো নাই। তেওঁলোকে বৰ্ত্তমান বিভিন্ন পদত অধিষ্ঠিত হৈ সুন্দৰ জীৱন যাপন কৰিছে আৰু বহুজনে সমাজৰো বিভিন্ন প্ৰকাৰে সেৱা কৰিছে।

অৰ্থনীতিত 'সন্মান' সহ স্নাতক উপাধিলৈ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী সকল তলত উল্লেখ কৰিলো। বয়সজনিত মোৰ স্মৃতিত দুই এজনৰ নাম বাদ পৰি যাব পাৰে। তাৰ বাবে সেই সকল ছাত্ৰ-ছাত্ৰীয়ে মোক নিশ্চয় ক্ষমা কৰিব।

| | | |
|---|---|---|
| ১৯৮১ চন | - | শ্ৰীপ্ৰদীপ কুমাৰ এমঞ্চ |
| '৮৪ | - | মিচ্ কল্পনা কুমাৰী লামা |

'৮৫ - মিচ্ বন্তী বৰা, মিচ্ হেমন্তীবালা বয়, মঃ মোবাৰক আলি শেখ
'৮৬ - শ্ৰীহেমন্ত সোনোৱাল
'৮৮ - মিচ মিনা মহন্ত, বিউতি দত্ত
'৮৯ - মিচ্ দিপালী নাথ, বিজু বৰা
'৯০ - শ্ৰী বুদ্ধ জ্যোতি চেতিয়া, শ্ৰীদয়ানন্দ যাদৱ, শ্ৰীদীনেশ আগৰৱাল, মিচ্ সোৱাবজীত কৌৰ।
'৯১ - মিচ্ ইলা বৰুৱা, শ্ৰীহৰেণ তামূলী (তেওঁ ইতিমধ্যে স্বৰ্গী হৈছে। তেওঁৰ আত্মাই শান্তি পাওঁক)
মিচ্ জয়শ্ৰী বৰা, শ্ৰীমনুজ কুমাৰ গোৱালা
'৯২ - শ্ৰীজয়ন্ত গগৈ, শ্ৰীলোহিত দত্ত, মিচ্ কৃষ্ণা দাস, ৰুক্মিনী নেওগ, সীমা সৰকাৰ, তাৰা কৰ্মকাৰ, সংঘমিত্ৰা দাস
'৯৩ - মিচ্ আৰতি বৰকাকতী, মিচ্ ববি মাহতু, শ্ৰীঅৰূপ গগৈ, শ্ৰীদীনেশ প্ৰসাদ পাশী, শ্ৰীদিগন্ত কুমাৰ গগৈ, শ্ৰীজীৱন বৰা, শ্ৰীমনুজ কুমাৰ তামুলী, শ্ৰীৰুদ্ৰ দত্ত।
'৯৪ - শ্ৰীবিশ্বজীত গগৈ, শ্ৰীকমলেশ্বৰ দত্ত, শ্ৰীচিৰঞ্জীৱ নেওগ, শ্ৰীতুলন চন্দ্ৰ শইকীয়া, শ্ৰীকৃষ্ণ প্ৰসাদ শৰ্ম্মা, শ্ৰীমুৰুলী বৰুৱা, শ্ৰীপ্ৰাঞ্জল শইকীয়া, মিচেচ্ দীপিকা দত্ত শইকীয়া
'৯৮ - মিচ্ কিৰণজীত কৌৰ ঘাই, মিচ্ অনিমা শৰ্মা ক্ৰো, মিচ্ ৰমিতা চক্ৰৱৰ্ত্তী, মিচ্ শান্তনা সোনোৱাল,
'৯৯ - শ্ৰীদিপ্ত প্ৰসাদ গোস্বামী, শ্ৰীদিবস গগৈ, মিচ্ সুজাতা শইকীয়া।

২০০০ চনত আমাৰ বিভাগটিৰ পৰা কেইবাজনো ছাত্ৰ-ছাত্ৰীয়ে 'সন্মান' স্নাতক উপাধি লাভ কৰিব বুলি আশা কৰা হৈছে। হয়তো দুই এগৰাকীয়ে 'প্ৰথম শ্ৰেণী' লাভ কৰি আমাক অতিশয় আনন্দিত কৰিব।

বিভাগটিত সেৱা আগবঢ়াই ইতিমধ্যে একাধিক প্ৰৱক্তা অন্য ঠাইলৈ নাইবা অন্য সেৱালৈ গুচি লৈছে। সেই সকলৰ ভিতৰত শ্ৰীবীৰেন বৰুৱাও এজন। তেওঁ বৰ্তমান অসম চৰকাৰৰ চৰকাৰী বিষয়া। ইয়াৰ ওপৰিও একাধিক ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ শিক্ষাৰে শিক্ষিত হৈ আমাৰ বিভাগটিত কিছুদিন হলেও (নামমাত্ৰ অহা যোৱা খৰলৈ) সেৱা আগবঢ়াই গৈছে। আমি তেওঁলোকৰ প্ৰতি সঁচাই কৃতজ্ঞ বৰ্তমান বিভাগটিত নিম্নলিখিত প্ৰৱক্তা সকল কৰ্মৰত।

*শ্ৰীশচীন্দ্ৰ নাথ শইকীয়া (মুৰব্বী প্ৰৱক্তা)*
*মিচেচ অঞ্জলী পাঠক*
*মিচেচ বীণা দেৱী বৰা*
*মিচেচ জ্যোতিমালী মহন্ত*
*শ্ৰীমৃন্ময় বৰুৱা*

বিভাগটি সুচাৰুৰূপে চলোৱা চাৰিওজনৰ সহযোগ এই সংক্ৰান্তত বেছ স্মৰ্তব্য। কিয়নো তেওঁলোকৰ সহায়-সহযোগৰ অবিহনে এনেকুৱা অসুবিধাগ্ৰস্ত ছাত্ৰ-ছাত্ৰীয়ে 'সন্মান' সহ স্নাতক হোৱাটো সঁচাই কঠিন হ'লহেঁতেন। আমি উক্ত প্ৰৱক্তা সকলৰ প্ৰতি চিৰদিনৰ বাবে ঋণী হৈ থাকিম।

সৰ্বশেষত ইয়াকে কৈ এই খতিয়ান সামৰিব খোজো যে অদূৰ ভৱিষ্যতে বিভাগটিয়ে যথেষ্ট আগবাঢ়িব যদিহে অন্যান্য কিছুহলেও আধুনিক সুবিধা চৰকাৰ নাইবা সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰা আদায় কৰিব পাৰে। ✧✧

ইতি
*শচীন্দ্ৰ নাথ শইকীয়া*
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ





## বিভাগীয় খতিয়ান

# (ঘ) ৰাজনীতি বিজ্ঞান বিভাগ

১৯৬৯ চনত দুলীয়াজান মহাবিদ্যালয়খনিৰ জন্ম লগ্নৰ পৰাই ৰাজনীতি বিজ্ঞান বিষয়টো উক্ত মহাবিদ্যালয়ত পাঠদান দি অহা হৈছে। ঁযোগানন্দ গগৈ এই বিষয়টোৰ প্ৰতিষ্ঠাপক প্ৰৱক্তা আছিল। তাৰ পিচত শ্ৰীনিত্যা দত্ত দেৱে উক্ত বিষয়ৰ প্ৰৱক্তা হিচাবে কামত যোগ দিয়ে। মই ১৯৭৬ চনত দ্বিতীয়জন প্ৰৱক্তা হিচাবে চাকৰিত যোগদান কৰো। ১৯৭৭ চনৰ উক্ত বিষয়ৰ মেজৰ খোলা হয়। দুয়োজন প্ৰৱক্তাই যথেষ্ট কষ্টেৰে ভালেমান অসুবিধা ও অভাৱৰ মাজেদি মেজৰৰ পাঠদান দি যাওঁ। ১৯৮২ চনত শ্ৰীযুত সুৰেন্দ্ৰ নাথ গগৈ উক্ত বিষয়ৰ প্ৰৱক্তা হিচাবে যোগদান কৰে । ১৯৯৫ চনত গগৈদেৱে ডিগ্ৰী লাভ কৰে। আৰু ১৯৮৫ চনত শ্ৰীমতী মিনু সোনোৱালে উক্ত বিষয়ৰ প্ৰৱক্তা হয়। ১৯৯৬ চনত শ্ৰীনিত্যা দত্তদেৱে আমাৰ মহাবিদ্যালয়ৰ পৰা গুচি যোৱাত মই বিভাগীয় মুৰব্বী হওঁ আৰু শ্ৰীনিকেন চউচেং এ অস্থায়ী ভাৱে ইয়াত নিযুক্তি লাভ কৰে।

'ৰাজনীতি বিজ্ঞান' বিষয়টো অন্যান্য সমাজ বিজ্ঞানৰ দৰে এটা বিষয় যদিও আগৰ পৰম্পৰাগত অধ্যয়নৰ পৰিবৰ্তে বৰ্তমান আধুনিক অধ্যয়নৰ দ্বাৰা ইয়াৰ বহুতো নতুন দিশ উন্মোচন হৈছে। ৰাজনীতি বিজ্ঞান বুলি কলে সৰ্বসাধাৰণ মানুহৰ ৰাজনীতি কৰা বিষয় বুলি যি ধাৰণা- প্ৰকৃততে মানুহৰ প্ৰকৃতি ধৰণৰ ৰহস্যময় আৰু বিতৰ্কমূলক সঠিক অধ্যয়নৰ ওপৰতহে ৰাজনীতি বিজ্ঞানৰ মূল্যাংকন নিৰ্ভৰ কৰে।

'ৰাজনীতি বিজ্ঞান' বিষয়টো সকলো নাগৰিকে অধ্যয়ন কৰাটো উচিত। প্ৰথমতে এই বিষয়টোৰ দ্বাৰা নাগৰিকৰ ৰাজনৈতিক জ্ঞান লাভ কৰে। দ্বিতীয়তে ছাত্ৰ-ছাত্ৰী সকলক প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ যেনে IAS, APSC আদি পৰীক্ষাবোৰৰ General Studies Paperখনৰ বাবে যথেষ্ট সহায়ক হয়। এতিয়া কথা হ'ল তাৰ বাবে অৱশ্যে প্ৰয়োজন হ'ব উপযুক্ত পৰিবেশ আৰু কিতাপ পত্ৰৰ সা-সুবিধা। আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত অৱশ্যে ৰাজনীতি বিজ্ঞানৰ যথেষ্ট কিতাপ-পত্ৰ আছে। কিন্তু অভাৱ মাত্ৰ input ভাল ছাত্ৰ-ছাত্ৰীৰ। আমাৰ বিভাগত প্ৰায়ে চেমিনাৰ, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰা হয়। আৰু বিভাগীয় শিক্ষক-শিক্ষয়িত্ৰী সকলেও যথেষ্ট উৎসাহেৰে অংশ গ্ৰহণ কৰে। মেজৰ ফলাফল সমূহ মধ্যমীয়া বিধৰ। আশা ৰাখিছো ছাত্ৰ-ছাত্ৰী সকলে - সকলো ক্ষেত্ৰতে আৰু ভালফল দেখুৱাব পাৰিব আৰু তেতিয়াহে আমাৰো শিক্ষাদানৰ সাৰ্থকতা বাঢ়িব। ✧✧

ইতি
*টপেশ সোণোৱাল*
মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

## দুলীয়াজান মহাবিদ্যালয়ৰ

# (ঙ) গণিত বিভাগ

১৯৬৯ চনত কলা আৰু বিজ্ঞান শাখাৰে আৰম্ভ হোৱা দুলীয়াজান মহাবিদ্যালয়ৰ গণিত বিভাগটোৰে ২০০০ চনলৈকে পাৰ কৰি নিয়া দিনবোৰৰ এটি চমু খতিয়ান দাঙি ধৰা হ'ল। ১৯৬৯ চনত অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অস্থায়ীভাবে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ নৈশভাগত আৰম্ভ হৈছিল। সেই সময়ত পাৰ্ট টাইম শিক্ষক হিচাবে বিষয় শিক্ষক শ্ৰীসুবল চন্দ্ৰ দেৱনাথে আমাৰ মহাবিদ্যালয়ৰ গণিত বিভাগৰ শ্ৰেণীবোৰ চলাই নিয়াত সহায় কৰিছিল।

কিন্তু ১৯৭১ চনৰ পৰা চলাকটকী চৰণীয়া পথাৰত দুলীয়াজান মহাবিদ্যালয়ে নিজাববীয়াকৈ নিৰ্মাণ কৰা খেৰি ঘৰ-দুৱাৰত মহাবিদ্যালয়ৰ শ্ৰেণীবোৰ নিয়মীয়াকৈ আৰম্ভ হয়। ১৯৭১ চনৰ ১৬ আগষ্টত মই দুলীয়াজান মহাবিদ্যালয়ত বিজ্ঞান শাখাৰ গণিত বিষয়ৰ স্থায়ী অধ্যাপকৰূপে নিযুক্তি লাভ কৰো। সেই সময়ত মাত্ৰ এশ পঞ্চাশ টকা মাহিলী বেতনেৰে মই অধ্যাপনাৰ কাম চলাই নিছিলো।

১৯৭৪ চনত কলা বিভাগত প্ৰাক্-বিশ্ববিদ্যালয়ত আমাৰ মহাবিদ্যালয়ৰ পৰা এজন ছাত্ৰ গণিত বিষয়সহ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তাৰ পিছৰে পৰাই কলা আৰু বিজ্ঞান দুয়োটা শাখাতেই গণিত বিষয়ত পাঠদান চলি আহিছে। ১৯৭৬ চনত স্নাতক শ্ৰেণী আৰম্ভ হোৱাৰ লগে লগেই মোৰ শ্ৰেণীৰ সংখ্যা হ্ৰাস কৰিবৰ বাবে শ্ৰীসুৰেশ বড়াক গণিত বিভাগৰ দ্বিতীয়জন অধ্যাপকৰূপে নিযুক্তি দিয়া হয়। ১৯৭৮ চনত আমাৰ ছাত্ৰ শ্ৰীসুভাষ দাসে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্-স্নাতক পৰীক্ষাত গণিত আৰু দুটামান বিষয়ত লেটাৰ মাৰ্কসহ প্ৰথম স্থান দখল কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

১৯৮৩ চনৰ ১ চেপ্তেম্বৰত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই চৰকাৰৰ ঘাটিমঞ্জুৰী লাভ কৰে। আমাৰ গণিত বিভাগৰ দুয়োজন শিক্ষকৰ পদ ঘাটিমঞ্জুৰী পৰ্য্যায়লৈ আহে। ১৯৮৭ চনত তৃতীয়জন শিক্ষক শ্ৰীপ্ৰকাশজ্যোতি বৰঠাকুৰে ঘাটিমঞ্জুৰী পদত নিযুক্তি পায়। ১৯৯২-৯৩ চনত গণিত বিষয়ত মেজৰ শ্ৰেণী আৰম্ভ হয়। সেয়েহে শ্ৰেণীৰ পৰিমাণ বাঢ়ি যোৱাৰ লগে লগে চতুৰ্থজন গণিতৰ শিক্ষক শ্ৰীলোকবিকাশ গগৈক নিযুক্তি দিয়া হয়। ইতিমধ্যে শ্ৰীপ্ৰকাশ জ্যোতি বৰঠাকুৰ আৰু শ্ৰীলোকবিকাশ গগৈয়ে M.Phil ডিগ্ৰী লাভ কৰি আমাৰ বিভাগলৈ গৌৰৱ কঢ়িয়াই আনে। এই সময়ছোৱাতেই স্নাতক শ্ৰেণীৰ কলা শাখাত কেইবাজনো ছাত্ৰই গণিত বিষয় লৈ উত্তীৰ্ণ হয়। তদুপৰি মেজৰ শ্ৰেণীৰ ছাত্ৰইও বৰ্তমানলৈকে সুফল দেখুৱাই আহিছে। শ্ৰীমুহিম চুতীয়াই হ'ল গণিতত মেজৰ সহ উত্তীৰ্ণ হোৱা প্ৰথমজন ছাত্ৰ। এইজন কৃতী ছাত্ৰই পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ M.Sc. চূড়ান্ত পৰীক্ষাত ৭৫% নম্বৰলৈ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে।

১৯৯১ চনত মহাবিদ্যালয়ত বাণিজ্য শাখা আৰম্ভ হোৱাত মই আৰু শ্ৰীসুৰেশ বড়াই C.A.E.S. শ্ৰেণীত পাঠদান কৰিবলগীয়া হয়। ইতিমধ্যে ১৯৯৭ চনৰ চেপ্তেম্বৰ মাহত শ্ৰীমতী কৰবী বড়াই গণিত বিভাগত প্ৰথম গৰাকী অধ্যাপিকাৰূপে যোগদান কৰে। কিন্তু তেওঁ আমেৰিকালৈ গুচি যাবলগীয়া হোৱাত শেহতীয়াভাবে ১৯৯৯ চনৰ নবেম্বৰ মাহত আমাৰ বিভাগত শ্ৰীচিত্তৰঞ্জন গোহাঁয়ে পঞ্চমজন অধ্যাপকৰূপে যোগদান কৰে।

আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত গণিতৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ বাবে বহুতো মূল্যবান পাঠ্যপুথি আৰু আলোচনী আদি ৰখা হৈছে। তাৰোপৰি সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে গণিত বিষয়ৰ আলোচনা চক্ৰ আদিও পতা হয়।

এক সুন্দৰ অতীত এৰিথৈ অহা দুলীয়াজান মহাবিদ্যালয়ৰ গণিত বিভাগটোৰে যেন এক উজ্জ্বল ভৱিষ্যতৰ পথত আগবাঢ়ে তাৰেই কামনা ৰাখিছো। ✧✧

*ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁই*
মুৰব্বী অধ্যাপক, গণিত বিভাগ





## বিভাগীয় খতিয়ান

# (চ) পদাৰ্থ বিজ্ঞান বিভাগ

দুলীয়াজান মহাবিদ্যালয় ১৯৬৯ চনৰ ১ আগষ্টৰ পৰা শুভাৰম্ভ হৈছে। এই আৰম্ভণি বছৰতেই বিজ্ঞান আৰু ক'লা শাখা দুয়োটাৰেই শ্ৰেণীসমূহ খোলা হৈছিল। বিজ্ঞান শাখা বুলিলে পদাৰ্থ বিজ্ঞান বিভাগটো অপৰিহাৰ্য্য। প্ৰথমতে পদাৰ্থ বিজ্ঞানৰ শ্ৰেণীত পাঠদান কৰিবলৈ অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শ্ৰীমতী বেলা ভাৰেলক দায়িত্ব দিয়া হৈছিল যদিও তেখেতৰ বিশেষ অসুবিধা হোৱাৰ বাবে সেই সময়ত শিক্ষা সাং কৰি ঘৰতে বহি থকা অভিযন্তা শ্ৰীত্ৰিলোচন চুতীয়াই পদাৰ্থ বিজ্ঞানত পাঠদান কৰি কলেজ কৰ্তৃপক্ষক সহায় কৰিছিল। প্ৰথম শিক্ষাবৰ্ষটোৰ পাঠদান অইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়তেই আৰম্ভ হৈছিল। তাৰ পিছৰ বছৰটোত বৰ্ত্তমান কলেজ থকা অৱস্থানত বাঁহৰ ঘৰ সাজি শ্ৰেণীসমূহ চলোৱা হৈছিল। বিজ্ঞানাগাৰৰ অভাৱত ১৯৭০ চনৰ শিক্ষাবৰ্ষটোত প্ৰাকবিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাটো ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধ কৰি পুনৰ ১৯৭১ চনৰ পৰা আৰম্ভ কৰা হয়। ১৯৭১ চনত পদাৰ্থবিজ্ঞান বিভাগত ড০ জয়ন্তী চুতীয়াক মকৰল কৰা হয়। লগে লগেই স্নাতক শ্ৰেণীসমূহো খোলাৰ ব্যৱস্থা কৰা হয়। ছাত্ৰ-ছাত্ৰীৰো সঁহাৰি অহাত ১৯৭৬ চনত শ্ৰীজয়ন্ত ভূঞাক মকৰল কৰি পাঠদান কৰিবলৈ দিয়া হয়। প্ৰথম অৱস্থাত ৰসায়ন, পদাৰ্থবিজ্ঞান আৰু জীৱবিদ্যাৰ প্ৰেক্টিকেল শ্ৰেণীসমূহ বৰ্তমান ৰসায়ন বিভাগৰ বিজ্ঞানাগাৰতেই একেলগে চলিছিল, ইয়াৰ পিছত জয়ন্তী চুতীয়াই গৱেষণা কৰিবলৈ যোৱাত শ্ৰীমতী নীনা বৰদলৈক মকৰল কৰা হয় যদিও তেওঁ বেচিদিন নেথাকিলে। সেইসময়ত পাঠদান কৰিবলৈ থাকিলগৈ একমাত্ৰ শ্ৰীজয়ন্ত ভূঞাহে। ইয়াৰ কিছুদিনৰ পিছত অৰ্থাৎ ১৯৭৮ চনত ড০ নিৰঞ্জন বৰুৱাক মকলৰ কৰা হয়। এই বছৰতেই পদাৰ্থ বিজ্ঞানৰ বিজ্ঞানাগাৰাটো বৰ্ত্তমান থকা ভৱনটোলৈ স্থানান্তৰিত কৰা হয়। ১-৯-৭৭ চনত ক'লা শাখাটো ঘাটি মঞ্জুৰীৰ অধীনলৈ আহে। বিজ্ঞান শাখাটোক ঘাটি মঞ্জুৰীৰ অধীনলৈ আনিবলৈ হ'লে, চৰকাৰ তথা বিশ্ববিদ্যালয়ৰ কিছুমান চৰ্ত্ত মানি চলিব লগা হোৱাত শিক্ষক; বিজ্ঞানাগাৰ আদিৰ প্ৰয়োজন হয়। ফলত বিজ্ঞানাগাৰ উন্নীত কৰণ, শিক্ষক মকৰল আদি প্ৰয়াসক্ৰমে কৰা হয়। লগে লগে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও যথেষ্ট পৰিমাণে বৃদ্ধি হয়। বিজ্ঞানাগাৰত বিজ্ঞানাগাৰ সহায়ক হিচাবে শ্ৰীদেবেন দত্তক নিয়োগ কৰা হয়। ১৯৭৯ চনত শ্ৰীসদা দত্তক শিক্ষক হিচাবে নিয়োগ কৰা হয়। ১৯৭৯ চনতো দুলীয়াজান কলেজৰ এটা স্মৰণীয় শিক্ষাবৰ্ষ। ১৯৭৯ চনৰ প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষাৰ বিজ্ঞানশাখাত শ্ৰীসুভাষ দাসে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰে। লগতে তেওঁ পদাৰ্থ বিজ্ঞানত বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্ব্বোচ নম্বৰ পাই পদাৰ্থবিজ্ঞান তথা দুলীয়াজান কলেজলৈ গৌৰৱ কঢ়িয়াই আনি আমাকো গৌৰৱান্বিত কৰে। আমাৰ বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি, তথা স্নাতক মহলাত একেলেথাৰিয়ে কেইবা বছৰো কেবাজনো ছাত্ৰই Distinction পায়। কলেজৰ অধ্যক্ষ তথা জ্যেষ্ঠ অধ্যাপক লগতে বিজ্ঞান শাখাৰ কেইজনমান অধ্যাপকৰ চেষ্টাৰ বিনিময়ত ১-৯-৮৩ চনত বিজ্ঞান শাখাটোও ঘাটি মঞ্জুৰীৰ অধীনলৈ আহে। এই চনতেই ড০ জয়ন্তী চুতীয়া আৰু শ্ৰীজয়ন্ত ভূঞাই কলেজ এৰি অন্য চাকৰিলৈ যায়গৈ। আকৌ শিক্ষকৰ প্ৰয়োজন হোৱাত ১৯৮৪ চনত ড০ লিখন চন্দ্ৰ বৰাক আৰু ১৯৮৫ চনত ড০ বুদ্ধিন্দ্ৰ নাথ শইকীয়াক মকৰল কৰা হয়। ১৯৯৮ চনত ড০ বুদ্ধিন্দ্ৰনাথ শইকীয়াই কলেজ এৰি যোৱাত শ্ৰীদীপ শইকীয়াক মকৰল কৰা হয়। পদাৰ্থ বিজ্ঞান শাখাটো লাহে লাহে উন্নীতকৰণহে ১৯৯৬ চনৰ শিক্ষাবৰ্ষৰ পৰা স্নাতক

মহলাত সন্মানৰ শ্ৰেণীসমূহ খোলা হয় । উল্লেখযোগ্য যে নিৰ্দ্ধাৰিত পাঠদানৰ উপৰিও গৱেষণা কাৰ্য্যত ব্ৰতী হৈ নিৰঞ্জন বৰুৱা, লিখনচন্দ্ৰ বৰা আৰু বুদ্ধিন্দ্ৰ নাথ শইকীয়াই পি. এইচ. ডি ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয় । বাকী কেইজনেও বৰ্ত্তমান গৱেষণা কাৰ্যত ব্ৰতী হৈ আছে । তেতিয়াৰ পৰা এতিয়ালৈকে আমি চাৰিজনেই সন্মান, সাধাৰণ, প্ৰেক্টিকেল শ্ৰেণীসমূহ চলাই আছো । বিজ্ঞানাগাৰত মাজতে শ্ৰীঅজিত গগৈয়েও বিজ্ঞানাগাৰ সহায়ক হিচাবে কিছুদিন কাৰ্য্যনিৰ্ব্বাহ কৰে । বৰ্ত্তমান শ্ৰীটুটুন গগৈয়ে অকলেই বিজ্ঞানাগাৰ সহায়ক হিচাবে প্ৰেক্টিকেল শ্ৰেণীসমূহত কাৰ্যনিৰ্ব্বাহ কৰি আছে । এতিয়াও ই পূৰ্ণাঙ্গ ৰূপ পোৱাগৈ নাই । শিক্ষকৰ অভাৱ । লগতে আমাৰ বিভাগত স্নাতকোত্তৰ শ্ৰেণীয়ো খোলাৰ চৰ্ত্ত সমূহো পূৰণ কৰা আছে । এই শ্ৰেণীসমূহ খুলিলেহে ই পূৰ্ণাঙ্গৰূপ পাব ।

*জয়তু দুলীয়াজান মহাবিদ্যালয়*

*জয়তু পদাৰ্থবিজ্ঞান বিভাগ* ✧✧

ইতি

*ডঃ নিৰঞ্জন বৰুৱা*

বিভাগীয় মুৰব্বী, পদাৰ্থবিজ্ঞান বিভাগ

জাতীয় জীৱন আৰু জাতীয় সাহিত্য এই দুটাৰ অবিচ্ছেদ্য সম্বন্ধ । জাতীয় সাহিত্য জাতীয় জীৱনৰ প্ৰতিধ্বনি মাথোন । জাতীয় জীৱন যদি সঙ্কীৰ্ণ হয়, জাতীয় সাহিত্যইও সেই সঙ্কীৰ্ণতাৰ হাত সাৰব নোৱাৰে । যি জাতিৰ জীৱন মুক্ত আৰু স্বাধীন সেই জাতিৰ সাহিত্যও মুক্ত, স্বাধীন আৰু অব্যাহ গতি । সেই সাহিত্যই নিৰ্ভয়ে, নিঃসঙ্কোচে কল্পনা আৰু ভাৱৰ ৰাজ্যত স্বচ্ছন্দে বিচৰণ কৰিব পাৰে; সি কোনো কালে কদাপিও বিদেশী বিজাতিৰে সৈতে ভাব আৰু কল্পনাৰ আদান-প্ৰদানত নিজৰ অস্তিত্ব হেৰুৱাবৰ ভয় কৰি নিজক সংকুচিত কৰি নুফুৰে ।

— *বেজবৰুৱা*





# বিভাগীয় প্রতিবেদন
## (ছ) বাংলা বিভাগ

১৯৬৯ এর জুলাই এর যে স্মরণীয় সন্ধ্যায় দুলিয়াজান কলেজের সূচনা হয়েছিল অয়েল ইণ্ডিয়া লিমিটেডের কর্মাধ্যক্ষ কে, বি, কানুগার পৌরোহিত্যে - সেই জন্মমুহূর্ত থেকে বাংলা বিভাগ দুলিয়াজান কলেজের অত্যাজ্য অঙ্গ - এ আমাদের গৌরব ।

কলেজ স্থাপনের প্রাথমিক উদ্দেশ্য দুলিয়াজান সন্নিহিত অঞ্চলে উচ্চশিক্ষার সুযোগ সৃষ্টি করা তো ছিল-ই, এ ছাড়া প্রারম্ভিকলগ্নে আরও বৃহত্তর স্বপ্ন ছিল প্রতিষ্ঠাপকদের শিল্পোদ্যোগ সংলগ্ন অঞ্চলের স্থানীয় যুব সম্প্রদায়ের কাছে বিজ্ঞান এবং অন্যান্য আধুনিক কর্মমুখী শিক্ষার সুযোগ এনে দেওয়া, যাতে তাদের স্থানিক শিল্প সংস্থাগুলির উপযুক্ত করে গড়ে তোলা যায় । এর ফলে আশা করা হয়েছিল এক আঞ্চলিক কর্মমুখী বাতাবরণ সৃষ্টি হবে-স্থানীয় জনগণ লাভবান হবেন ।

বিশ শতকের শেষার্ধের আর্থ সামাজিক প্রতিবেশে যে কাজ কতখানি করা গেছে সে বিচার ইতিহাস করবে, হয়তো প্রাজ্ঞজনেরা ইতিমধ্যেই করছেন ।

কলেজের সঙ্গে বাংলা বিভাগের তিরিশ পেরোনো স্মৃতিতে মনে রাখবার মতো অনেক ঘটনা আছে - বিভাগীয় কৃতির খতিয়ান বইতে দেখেতে পাচ্ছি আশির দশক পর্যন্ত উচ্চমাধ্যমিক/প্রাক্ বিশ্ববিদ্যালয় স্তরে এই বিভাগের ছাত্রছাত্রীদের সাফল্য সন্তোষজনক - ছাত্র সুভাষ দাস বিশ্ববিদ্যালয়ে প্রথম স্থান অর্জনের কৃতিত্ব দেখিয়েছে । আশির দশক পর্যন্ত স্নাতক পর্য্যায়ে সাফল্য প্রায় একশো ভাগ থাক - যেহেতু সন্মানিক পাঠক্রম নেই, তাই আমাদের ছাত্রী শ্রুতি আইচের ডিষ্টিংশনেই সন্তুষ্ট থাকতে হয়েছে ।

মধ্যের কয়েকবছর শুধু দুলিয়াজান নয়, সমগ্র আসামেই শিক্ষার মানের যে ক্রমাবনতি ধনিয়ে এসেছিল - আমাদের বিভাগও তার হাত থেকে রেহাই পায় নি - তবে তা কেটে যাওয়ার লক্ষণ ইতিমধ্যেই স্পষ্ট হয়ে উঠেছে এ আমাদের পক্ষে সুখের কথা ।

নিত্য পঠন-পাঠন ও অন্যান্য কাজ-কর্মের ফাঁকে যখনই আহ্বান এসেছে কিংবা সুযোগ হয়েছে আমাদের বিভাগ কলেজের উৎসব প্রাঙ্গণে হাজির হয়েছে সোৎসাহে।

কলেজের রজত জয়ন্তী উৎসবে বাংলা বিভাগের প্রযোজিত অনুষ্ঠান সংবাদপত্র সমালোচকদের দ্বারাও প্রশংসিত ।

মনে পড়ছে সত্তরের দশকে কলেজের বার্ষিক অনুষ্ঠানে বাংলা বিভাগের পৃষ্ঠপোষকতায় রবীন্দ্রনাথের তাসের দেশ' মঞ্চস্থ হয়েছিল - বিভিন্ন ভাষাভাষী ছাত্রছাত্রী ও অধ্যাপক অধ্যাপিকাদের উৎসাহ উজ্জ্বল অংশগ্রহণে; যে শ্রদ্ধা ও সম্পূর্ণতা নিয়ে সকলেই বিশ্বকবির অঙিনায় মিলিত হয়েছিলেন তা সততই সুখের স্মৃতি ।

বাঁশের বেড়া, মাটি লেপা ক্লাসরুম থেকে আজকের দোতলা কলেজ বাড়ী পৌছানোর যে পথ

পরিক্রমা তা আমাদের মতো প্রবীণদের পক্ষে যতই সুখের হোক না কেন, এ কথা স্বীকার করতেই হবে কোনও প্রতিষ্ঠানের অস্তিত্বের সার্থকতা তার অতীতে নয়, তার বর্তমানের যৌবনদীপ্ত কর্মবহুলতা এবং ভবিষ্যৎ পরিকল্পনায়।

কলা, বাণিজ্য ও বিজ্ঞান শাখায় প্রাণবন্ত এই প্রতিষ্ঠান তার সৃষ্টির সার্থকতা প্রতিদিনই প্রমাণ করছে - আমরা, তার প্রত্যেকটি অংশীদার তার জন্য আনন্দিত ও গর্বিত।

তবু সেই আনন্দের মধ্যে যে বেদনার সুর নেই, তা নয়। দুলিয়াজান কলেজের অন্যতম প্রারম্ভিক বিভাগ, বিভাগীয় কাজকর্মও বিচ্যুতির অভিযোগের নজির নেই - তবু কোনও দুর্জ্ঞেয় কারণবশতঃ আজ পর্যন্ত এ বিভাগ সাম্মানিক পাঠক্রম পড়ানোর সুযোগ বঞ্চিত এমন কি ঐচ্ছিক (Additional) বাংলাও। কর্তৃপক্ষের কাছে মৌখিক ও লিখিত আবেদন নিষ্ফল।

ডিব্রুগড় ও তিনসুকিয়া উভয় শহরেই বাংলা সাম্মানিক পড়বার সুযোগ আছে - দুলিয়াজানের ছাত্রছাত্রীরা ওখানে পড়তেও যায়, অথচ দুলিয়াজানের মতো মিশ্র সংস্কৃতির শিক্ষিত শহরে যে সুযোগ আমরা এনে দিতে পারি নি এ আমাদের অক্ষমতা এবং লজ্জা। এ ব্যার্থতার প্রাপ্য অপবাদ নতমস্তকে যেনে নিয়েও ভবিষ্যতের উজ্জ্বল স্বপ্ন পুরনের আকাঙ্ক্ষা নিয়ে কলম বন্ধ করলাম।

প্রণতি বের্নাজী

মুরব্বী অধ্যাপিকা, বাংলা বিভাগ

## নীতি বাক্য ঃ-

ক্ষমা, দয়া, প্ৰেম, সৰলতা, বিনয় আৰু সেৱা এই বিলাক গুণৰ সহায়েৰে জগত খনকে বশ কৰিব পাৰি।

মানুহৰ জীৱন কালৰ আয়ুস এক মিনিট সময়ো কোটি মোনৰ মোহৰ দিও কিনিব নোৱাৰি। তেনে মূল্যবান সময় যদি অবাবত খৰচ হয় তাতকৈ হানি আৰু কি হব পাৰে।

বিদ্যা আৰ্জনৰ বাবে য়দি আগ্ৰহ আৰু ভক্তি থাকে মেধা শক্তিৰ আৱশ্যক কি ? যদি আগ্ৰহ আৰু ভক্তি নেথাকে তেনেহলে মেধা শক্তিৰনো প্ৰয়োজন ক'ত।

কোনো কাৰো শত্ৰু নহয়, আৰু কোনো কাৰো মিত্ৰও নহয়। নিজৰ আচৰণেই আনৰ মিত্ৰ বা শত্ৰু হয়।

— সংগ্ৰহ - প্ৰভাত ফুকন





## —ঃ দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোটৰ সম্পাদকৰ একাষাৰ ঃ—

অসম কলেজ শিক্ষক সংস্থাৰ দুলীয়াজান মহাবিদ্যালয় শিক্ষকগোট এটি সৰ্ব্বতোপ্ৰকাৰে শক্তিশালী সংগঠন। ১৯৭২ চনত প্ৰতিষ্ঠিত এই গোটে অসম কলেজ শিক্ষক সংস্থাৰ সকলো নীতি নিৰ্দ্দেশনা সঠিকভাবে পালন কৰি অহাৰ উপৰিও গোটৰ নিজা সমস্যা সমূহো নিষ্ঠাৰে সমাধা কৰি আহিছে। যোৱা ২৯/৪/২০০০ তাৰিখে অনুষ্ঠিত শিক্ষক গোটৰ সাধাৰণ সভাই ২০০০-২০০১ বৰ্ষৰ বাবে শ্ৰীযুত ইন্দ্ৰপ্ৰসাদ বুঢ়াগোহাঁই দেৱক সভাপতি হিচাবে লৈ এখন কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠন কৰি দিয়ে। নতুন সমিতিৰ প্ৰথম সাধাৰণ সভা খনি যোৱা ৮/৫/২০০০ তাৰিখে অনুষ্ঠিত হয়। উক্ত সভাতে বাৰ্ষিক কৰ্ম্ম আঁচনি গ্ৰহণ কৰা হয়।

আমাৰ কাৰ্য্য কালৰ এটি উল্লেখযোগ্য সাফল্য হ'ল - শিক্ষকগোটৰ স্থায়ী কাৰ্য্যালয় উদ্ধোধন। ইয়াৰ আগতে শিক্ষক জিৰণি চ'ৰাতে নানান অসুবিধাৰ মাজতে গোটৰ সমস্যাসমূহ আলোচনা কৰা হৈছিল। কৰ্তৃপক্ষই আমাৰ অসুবিধা সমূহ সহানুভূতিৰে বিবেচনা কৰি মহাবিদ্যালয়ৰ এটি কোঠা গোটৰ কাৰ্য্যালয় হিচাবে ব্যৱহাৰ কৰিবলৈ দিয়াত আমি কলেজ কৰ্তৃপক্ষৰ ওচৰত কৃতজ্ঞ হৈ ৰলো। ইয়াৰোপৰি শিক্ষক-শিক্ষয়িত্ৰী সকলৰ কিতাপ পত্ৰ আদি ৰাখিবৰ বাবে এটি ডাঙৰ ষ্টিল আলমাৰীৰ লগতে অতি প্ৰয়োজনীয় চকী টেবুল, ফিল্টাৰ আদিৰ ব্যৱস্থা কৰ্তৃপক্ষৰ সহযোগত কৰা হৈছে।

আন এক উল্লেখনীয় দিশ হ'ল শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ বাবে শিক্ষক গোটৰ নিজাববীয়াকৈ এখনি বছেৰেকীয়া শৈক্ষিক আলোচনী প্ৰকাশ কৰা। এই আলোচনী খনিৰ সম্পাদকৰ দায়িত্ব প্ৰদান কৰা হৈছে অধ্যাপক ভূপেন শইকীয়া দেৱক। এই ক্ষেত্ৰত হয়তো আমাৰ শিক্ষকগোট বাটকটীয়া হ'ব। যিহেতু এইটো আমাৰ প্ৰথম প্ৰচেষ্টা সেয়ে বহুতো ভুলভ্ৰান্তি থকাটোস্বাভাৱিক। কিন্তু এই প্ৰচেষ্টাৰ ধাৰাবাহিকতা শিক্ষকগোটে বজাই ৰাখিব বুলি আশা কৰিছো। আৰু আমাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ চিন্তা-চৰ্চ্চাৰ উৎকৰ্ষৰ সাধনৰ আশা ৰাখিছো।

অতি গৌৰৱৰ কথা যে আমাৰ গোটৰ সভাপতি শ্ৰীযুত ইন্দ্ৰপ্ৰসাদ বুঢ়াগোহাঁই দেৱৰ দুহিতা শ্ৰীমতী অভিজিতা বুঢ়াগোহাঁয়ে গত ২০০০ বৰ্ষৰ উচ্চতৰ মাধ্যমিক কলা শাখাত প্ৰথম কেইজনৰ ভিতৰত অষ্টম লাভ কৰাত গোটৰ ফালৰ পৰা তেওঁক সম্বৰ্দ্ধনা জনোৱা হয়। তাৰোপৰি প্ৰাণী বিদ্যা বিভাগৰ প্ৰবক্তা শ্ৰীমতী বিউতি মহন্তই ডক্টৰেট ডিগ্ৰী লাভ কৰাত সম্বৰ্দ্ধনা জনোৱা হয়। ইতিমধ্যে আমাৰ কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে পি. এইছ আৰু এম, ফিল ডিগ্ৰী লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে।

আগন্তুক সময়খিনি অসম কলেজ শিক্ষক সংস্থা তথা আমাৰ গোটৰ বাবে অতি গুৰুত্বপূৰ্ণ। সংস্থাৰ গুৰুত্বপূৰ্ণ দাবী পেঞ্চন সন্দৰ্ভত চৰকাৰে তোষণ মূলক গ্ৰহণ কৰি কাৰ্য্যকৰী কৰা নাই। অন্যান্য দাবী সমূহ অৱহেলা কৰি শিক্ষক সকলক আন্দোলনৰ মাজলৈ ঠেলি দিছে। ইতিমধ্যে অসম কলেজ শিক্ষক সন্থাই আন্দোলনৰ কাৰ্য্যসূচী ঘোষণা কৰিছে। এই আন্দোলনত আমি চৰকাৰক আমাৰ দাবী সমূহ মানি লবলৈ বাধ্য কৰাব লাগিব। তাৰ বাবে সকলো সহকৰ্ম্মীৰ পূৰ্ণ সহযোগিতা একান্ত বাঞ্ছনীয়

এই খিনিতে আমি জনাবলৈ পাই আনন্দিত হৈছো যে চলাকটকী গাঁৱৰ শ্ৰীযুত কেশৱ গগৈ দেৱে আমাৰ গোটৰ কাৰ্য্যালয়ৰ বাবে চেক্ৰেটেৰী টেবুল চকী তেখেতৰ পিতৃ ˇলক্ষ্মীনাথ গগৈদেৱৰ নামত আগবঢ়াইছে। তেখেতৰ শলাগ ললো। সদৌ শেষত শিক্ষক গোটৰ লগত কলেজ কৰ্তৃপক্ষৰ পূৰ্ণ সহযোগিতাৰ বাবে আমাৰ কৃতজ্ঞতা জনাই সামৰিছো।

*জয়তু দুলীয়াজান মহাবিদ্যালয় শিক্ষক গোট*

*জয়তু অসম কলেজ শিক্ষক সংস্থা*

*টপেশ সোণোৱাল*

সম্পাদক

দুলীয়াজান মহাবিদ্যালয়, শিক্ষক গোট

১.৯.২০০০

# SOCIO-ECONOMIC STRUCTURE OF A PLANNED INDUSTRIAL TOWN

*Jyotimali Mahanta*
Lecturer, Dept. of Economics

The process of transformation from villages to towns and cities is fostered by a number of socioeconomic, administrative and religious factors. During the post independence period some towns like Duliajan, Digboi, Namrup, Lido, Naharkatia, Margherita etc. had sprang up in Assam as a result of industrial activities centering round coal, oil and natural gas exploration work and thermal plant. These industrial towns bear the symptoms of deliberated, systematic and scientific attempt to establish a town in a very planned manner with the facilities made available for a modern life. Emergence of Duliajan is the result of a series of front line achievements by Oil India Limited, a government of India enterprise. The,township of Duliajan was built in 1962. With its headquarter at Duliajan, Oil India Ltd. produces around 3.28 million tonnes of crude oil, 1500 million cubic meters of natural gas and 51,000 tonnes of liquefied petroleum gas annually and thus contributes a lot towards national economy. Industrial society of Duliajan is a heterogeneous society combining members of almost all castes, religions, linguistic groups and regions of India. People from different parts of India, particularly from West-Bengal, Uttar Pradesh, Orissa, Delhi, Maharastra, Tamil-Nadu, Andra Pradesh, Kerala and other parts of Assam migrate to this small township either through some push or some pull factors. Economic necessities as unemployment or less income and less satisfaction from previous employment are the main push factors of migration. Whereas, middle and lower occupants have given importance to unemployment, insufficient income from previous employment, family differences and not enough land for cultivation for which they are forced to leave their native place and have settled in Duliajan. Better prospect, employment are the important pull factors of migration. Majority of the immigrants is keeping ties with the native place. The most important reason to visit one's native place is to attend various ceremonies and other important rituals. Second important reason is the travelling facilities to the native place provided by the company. Some of them are visiting their native place to look after properties and cultivation or crop collection.

In the industrial town of Duliajan social and religious festivals of all communities are celebrated, thus making it a model of national integration. Though people speak different languages such as Assamese, English, Hindi, Tamil, Telegu, Oria, Bengali, Marathi, etc every industrial worker is found having a working knowledge of Hindi indicating linguistic integration in the township.

It is a heterogeneous Hindu dominated town with certain percentage of Muslim, Sikh and Christian. An overwhelming majority of the people is found maintaining nuclear family. Industrial society requires a high degree of literacy and the society of Duliajan rneets that requirement.





Majority of the population in the township is dependent upon the earning members of the family. A small percentage female is also contributing towards family income. In an industrial town, occupational position of an individual plays a significant role in developing and maintaining the degree of intimacy with other people. In Duliajan, people consider general party and courtesy visit as important social obligation. Leisure time activities of the people differ according to one's position in the occupational ladder. The company has provided various recreational facilities for the physical and mental development of the industrial workers. Though occupational status occupies an important place in industrial society, yet there is considerable unity among the inhabitants in social as well as in cultural and religious matters.

The township is encompassing about 3455 residential quarters. Residential houses with different facilities are allotted to the employees of the company according to their occupational status. All modern amenities including captive power, piped domestic gas, good drainage, waste disposal and water system, a full fledged hospital, clubs, schools, colleges, playgrounds, parks, offices, markets, banks, post-office etc. have been making Duliajan a self sufficient town. Oil technologists and skilled people from all over India have flocked to this well maintained township. Roads of the town are named after flower such as Jasmine Path, Tulip Path, Ashoka Path, Basant Rani Path etc. For commuters right from school children to office goers the transport system is efficient. Rail transport facility is also available linking Duliajan with the rest of the country.

Based at Duliajan, Oil India Limited has been contributing towards national economy by producing crude oil, natural gas and liquefied petroleum gas. It has been providing direct employment opportunities to thousands of people from various parts of the country. On the other hand, a considerable numbers of people from different parts of Assam and other states come to this little township and engage themselves in various informal occupations. Oil India Ltd. has also been contributed to the growth of entrepreneurial talents in and around Duliajan. To develop local talent in weaving, tailoring, embroidery, cane and bamboo craft, a handicraft training and production center has been built in Duliajan. The trainees who hail from nearby villages are given a stipend and then assisted by the company to set themselves up as independent entrepreneurs. People in and around the operational areas of the company have been benefited by the social obligation programs of the company including overall development of the areas. Oil India Ltd. has also been taking steps for human resource development.

A management training and development centre has been set up at Duliajan with all the necessary facilities. Refresher courses and advanced management and technical training programs are organised here to meet not just company's professional requirement but other organisations are also invited to send their nominees for training.

Within the short span of thirty eight years, the industrial town of Duliajan has brought about enormous impact on the socioeconomic life of the people of the locality and has attracted national as well as international attention by having the distinction of laying Asia's first and the longest fully automated trunk pipeline system, constructing world's first crude oil conditioning plant, setting up of Asia's first natural gas based power project and liquefied petroleum gas plant with turbo-expander technology. Growth of Duliajan as an industrial town has not only brought -about sweeping social and economic changes but would continue to exercise tremendous impact on the institutions and organisations of the township and the surrounding areas. ✧✧

# A GLIMPSE INTO THE ISSUE OF ENGLISH

**Kongkona Borah**
*Lecturer, Dept. of English*

English is a language that came to India basically with the British rule. Throughout the decades it has been gaining importance in India and has now became an ineeporable component of our social life. But if we go back to the nation of the 'iconicity' of language, Hindustani, for all the problems associated with it symbolised freedom and independence, Swaraj; but english symbolised precisely the opposite : servility meekness, bowed heads before the sahib and the me¶sahib, the topi, The english language was, infact, an icon for all that was wrong in the colonial relationship. Nevertheless, English came to our lives and has become a part of us just like a bride who comes to a family which is unknown to her and without knowing when and how, she becomes a part of the family; English too came to our lives and has become a part of it. But unlike the bride coming to a new family in an environment of joy; rather English came to our land in an atmosphere of oppression with resistance and need.

Whatsoever may be the case, it has now become a well-know fact that english has gained for itself such a status that it has become a necessity of the people all over the world to know the language. In India too, people have recognised its importance. Assam being a part of India has also amalgamated within itself this truth. But it is seen that the minds of a large section of Assamese people are engulfed by some notions about the language which might affect or influence a learner's proficiency and success in the concerned language.

**The notion that English can alternate our social status :** It is a general view now-a-days that knowing English or speaking English or any kind of involvement with English would change our social status. People feel proud to speak in English to exhibit their social status. In some societies it has so happened that it has become a fashion to speak in English; parents feel proud to say that they or their children cannot write, read or speak their mother tongue properly. Acquaintance with English is an additional rank to one's social status. And unfortunately this attitude is seen also among a large section of teachers who teach 'nglish.

Going deep into the issue it is seen that these English teachers are not much than graduates- post-graduates with maybe some additional diploma; but in any case they are equal to these teachers who teach other subjects, Yet why then do they feel that by teaching English, they can add an additional prestige to their social status. This no doubt, shows their notion of considering English as the language of the superior class even now. If they being





teachers cannot accept the language naturally as one equal to any other language, what will the students do ? of course, English has today acquried a position of tremendous importance but still it is just a language which came to the forefront because of its long historical background and advancement in almost all fields of work.

